www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনটো কেৱল ফেন আৰু বুৰবুৰণি। তাৰ মাজত কঠিন শিলৰ দৰে বিৰাজ কৰে মাত্ৰ দুটা বস্তু: আনৰ বিপদৰ সময়ত সহানুভূতি আৰু নিজৰ বিপদৰ সময়ত সাহস। - আডাম লিণ্ডছে গৰ্ডন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -


❐ প্ৰথম বছৰ ❐ সংখ্যা- ১২০ ❐ শনিবাৰ ❐ ৭ ফেব্ৰুৱাৰী, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 120 ❐ Saturday ❐ 7th February, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8




'অসম বাৰ্তা'ৰ ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত 'বসুন্ধৰা যুৱ সমাৰোহ ২.০ আৰু বঁটা প্ৰদান অনুষ্ঠান'ৰ কেইখনমান আলোকচিত্ৰ

## ■ কুকি-জোমি বিধায়কসকলৰ চৰকাৰত যোগদানৰ বিৰুদ্ধে যুৱকৰ প্ৰতিবাদ ■

# গঠন হ'ল নতুন চৰকাৰ ! নুমোৱা নাই মণিপুৰৰ জুই



### উপ-মুখ্যমন্ত্ৰীৰ শপতক লৈ চুৰাচান্দপুৰত হিংসাত্মক সংঘৰ্ষ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ ফেব্ৰুৱাৰী ঃ** প্ৰায় এবছৰৰ ৰাষ্ট্ৰপতি শাসনৰ অন্তত মণিপুৰত নতুন চৰকাৰ গঠন হোৱাৰ মাত্ৰ কেইদিনমানৰ ভিতৰতে ৰাজ্যখনত পুনৰ হিংসাৰ সূত্ৰপাত হৈছে। নতুন চৰকাৰত উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা কুকি-জোমি সম্প্ৰদায়ৰ বিধায়কসকলৰ বিৰুদ্ধে চুৰাচান্দপুৰ জিলাত ব্যাপক প্ৰতিবাদ আৰু হিংসাত্মক সংঘৰ্ষৰ ঘটনা সংঘটিত হৈছে। বৃহস্পতিবাৰে সন্ধিয়া প্ৰায় ৬ বজাৰ পৰা টুইবং মেইন মাৰ্কেট এলেকাত শ শ যুৱ প্ৰতিবাদকাৰীয়ে নিৰাপত্তা বাহিনীৰ সৈনিকসকলক তেওঁলোকৰ বেৰেকলৈ ঘূৰাই পঠিওৱাৰ চেষ্টা চলাইছিল। নিৰাপত্তা বাহিনীয়ে এই দাবী মানি নল'লে প্ৰতিবাদকাৰীসকলে শিলগুটি নিক্ষেপ কৰে আৰু পথৰ মাজতে টায়াৰ জ্বলাই দিয়ে। পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে যেতিয়া প্ৰতিবাদকাৰী- ❐ ৬ পৃষ্ঠাত

❐ ভাৰতৰ যুৱ ক্ৰিকেট দলৰ ঐতিহাসিক জয় ❐

## ষষ্ঠবাৰৰ বাবে অনূৰ্ধ্ব-১৯ বিশ্বকাপ চেম্পিয়ন

### বৈভৱ সূৰ্যবংশীৰ বিস্ফোৰক ১৭৫ ৰাণ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৭ ফেব্ৰুৱাৰী ঃ** ২০২৬ চনৰ আইচিচি অনূৰ্ধ্ব-১৯ বিশ্বকাপৰ ফাইনেলত ভাৰতীয় যুৱ ❐ ৬ পৃষ্ঠাত

### ব্ৰহ্মপুত্ৰৰ বুকুত বিবাহে উন্মোচন কৰিলে অসমত ডেষ্টিনেশ্যন ৱেডিংৰ অপাৰ সম্ভাৱনীয়তাৰ দিশ

## ব্ৰহ্মপুত্ৰৰ বুকুৰ জাহাজত বিবাহ; মাজুলীত 'বিবাহ পৰ্যটন'ৰ সূচনা

**অসম বাৰ্তা, উজনী মাজুলী, ৭ ফেব্ৰুৱাৰী ঃ** অসমত ডেষ্টিনেশ্যন ওৱেডিংৰ সম্ভাৱনীয়তা দিনক দিনে বৃদ্ধি পাই আহিছে। পাহাৰ, নদী, বননি, সত্ৰ-সংস্কৃতি আৰু থলুৱা জীৱনশৈলীৰে সমৃদ্ধ অসম এতিয়া কেৱল পৰ্যটকৰ গন্তব্যস্থলেই নহয়, বিবাহ অনুষ্ঠানৰ বাবেও ❐ ৬ পৃষ্ঠাত

## য়টত থকা সকলো দোষী; ন্যায়িক আয়োগত গৰিমা শইকীয়া গাৰ্গৰ মন্তব্য

### প্ৰবাসী অসমীয়াসকলৰ বিৰুদ্ধে ক্ষোভ গৰিমাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ ফেব্ৰুৱাৰী ঃ** অসমৰ সংগীত জগতৰ মহানায়ক জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ❐ ৬ পৃষ্ঠাত



### সৰুপথাৰ সমষ্টিত আকৰ্ষণীয় হৈ পৰিছে নিৰ্বাচনী প্ৰেক্ষাপট

## জীৱন চুতীয়াসহ তিনি শতাধিকৰ অসম জাতীয় পৰিষদ দলত যোগদান


**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৭ ফেব্ৰুৱাৰী ঃ** বিধানসভা নিৰ্বাচন যিমানেই চমু চাপিছে সিমানেই আকৰ্ষণীয় হৈ পৰিছে সৰুপথাৰ সমষ্টিৰ ৰাজনৈতিক ❐ ৬ পৃষ্ঠাত

### স্মৃতি মান্ধানাৰ ৮৭ আৰু জৰ্জিয়া ভ'লৰ ৭৯ ৰাণৰ বিস্ফোৰক ইনিংছত ২০৪ ৰাণৰ বিশাল লক্ষ্য অতিক্ৰম

## দ্বিতীয়বাৰৰ বাবে ডব্লিউপিএলৰ খিতাপ দখল আৰচিবিৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ ফেব্ৰুৱাৰী ঃ** ২০২৬ চনৰ মহিলা প্ৰিমিয়াৰ লীগ (ডব্লিউ পি এল)ৰ ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু (আৰ চি বি)য়ে দিল্লী কেপিটেলছক (ডি চি) পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে খিতাপ জয় কৰিছে। শুকুৰবাৰে অনুষ্ঠিত ❐ ৬ পৃষ্ঠাত




# মুখ্যমন্ত্ৰীৰ মাজুলী ভ্ৰমণৰ প্ৰাক-মুহূৰ্তত মাজুলীত অভিভাৱক মন্ত্ৰী যোগেন মহন

### জিন্দাবাদ-মুৰ্দাবাদ ধ্বনিত উত্তাল পৰিৱেশ

## গৌৰৱ গগৈৰ আগমনক লৈ উত্তপ্ত বটদ্ৰৱা থান; বিজেপি কৰ্মীৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছ দলৰ 'সময় পৰিৱৰ্তন — মাটি বচাওক, জাতি বচাওক' শীৰ্ষক ৰাজ্যজুৰি ❐ ৬ পৃষ্ঠাত

### পাকিস্তান লিংক' ফাদিল হ'লে বহুতে কংগ্ৰেছী বুলি পৰিচয় দিবলৈও লাজ পাব ঃ যোগেন মহন



**অসম বাৰ্তা, উজনী মাজুলী, ৬ ফেব্ৰুৱাৰী ঃ** ১২ ফেব্ৰুৱাৰীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাজুলী ভ্ৰমণৰ প্ৰাক-মুহূৰ্তত আজি মাজুলীত উপস্থিত হয় মাজুলীৰ অভিভাৱক মন্ত্ৰী যোগেন মহন। মুখ্যমন্ত্ৰীয়ে উক্ত দিনা অংশগ্ৰহণ কৰিবলগীয়া চৰকাৰী কাৰ্যসূচীসমূহৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে মাজুলীত ৰূপায়ণাধীন ❐ ৬ পৃষ্ঠাত

# টংলা ছ'লুংথাই ফৌথাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক প্ৰতিনিধি অধিৱেশন আৰু ওদালগুৰি জিলা বড়ো ছাত্ৰ সন্থাৰ ৫১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আৰম্ভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ ফেব্ৰুৱাৰী ঃ** আজিৰে আৰম্ভ হৈছে ওদালগুৰি জিলাৰ টংলা ছলুংথাই ফৌথাৰত নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছু'ৰ ৫৮ সংখ্যক প্ৰতিনিধি অধিৱেশন। ৫ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হোৱা অধিৱেশনৰ আজি পুৱা ৮ঃ৩০ বজাত শ্বহীদ মহন্ত ৰামচিয়াৰী সোঁৱৰণী মুখ্য প্ৰৱেশ দ্বাৰ মুকলি কৰে বিটিচিৰ পাৰিষদ ডাওবাইছা বড়োৱে। ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি ৰিংখাং মুছাহাৰীয়ে শ্বহীদ ফৌৰদনা দৈমাৰী সোঁৱৰণী মূল ৰভা উদ্বোধন কৰাৰ পিছতে অভ্যৰ্থনা সমিতিৰ সভাপতি অধ্যাপক নৃপেন বড়োৱে ড° বাঁশীৰাম বড়ো সোঁৱৰণী মূল মঞ্চ উদ্বোধন কৰে। ধনেশ্বৰ স্বৰ্গীয়াৰী সোঁৱৰণী প্ৰতিনিধি সভাগৃহ টংলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰসেন দৈমাৰীয়ে উদ্বোধন কৰে। শ্বহীদ হৰি বসুমতাৰী সোঁৱৰণী প্ৰতিনিধি শিবিৰ অভ্যৰ্থনা সমিতিৰ উপদেষ্টা ৰবীন্দ্ৰ বড়ো, উপেন্দ্ৰ নাথ দাস সোঁৱৰণী অতিথিশালা টংলা মহাবিদ্যালয়ৰ অধ্যাপক তথা অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ড° সোমেশ্বৰ বড়ো আৰু শ্বহীদ গোলাপ বড়ো সোঁৱৰণী প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা উদ্বোধন কৰে ওদালগুৰি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে। শ্বহীদ কুলেন বড়ো সোঁৱৰণী বাণিজ্য মেলা উদ্বোধন কৰে টংলা পৌৰসভাৰ উপাধ্যক্ষ অজিত কুমাৰ সাহাই। ইয়াৰ পিছতে দীননাথ দাস বড়ো সোঁৱৰণী ভোজনালয় কলাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক দুৰ্গা দাস বড়োৱে উদ্বোধন কৰে। শ্বহীদ কমলা বড়ো সোঁৱৰণী ল'ৰাৰ স্বেচ্ছাসেৱক শিবিৰ শিক্ষক অৰবিন্দ বড়োৱে আৰু শ্বহীদ চক্ৰধৰ বসুমতাৰী সোঁৱৰণী স্বেচ্ছাসেৱিকা শিবিৰ হৰিশিঙা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মদিৰা বেগমে উদ্বোধন কৰে। শ্বহীদ মেমছন বড়ো সোঁৱৰণী চিকিৎসা শিবিৰ ৰাজ্যিক পশু চিকিৎসা সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ নৰম চন্দ্ৰ কছাৰীয়ে উদ্বোধন কৰাৰ পিছতে দেৱহাচাৰ বড়ো সোঁৱৰণী খেলপথাৰ অৱসৰপ্ৰাপ্ত শিক্ষক অক্ষয় কুমাৰ দাসে উদ্বোধন কৰে। লাহেশ্বৰ বড়ো সোঁৱৰণী সাংস্কৃতিক মঞ্চ ৰত্নেশ্বৰ বসুমতাৰীয়ে উদ্বোধন কৰাৰ পিছতে জোহোলাও স্বৈস্বলা বসুমতাৰী সোঁৱৰণী ভলীবল প্ৰতিযোগিতা নলবাৰী জিলাৰ ক্ৰীড়া বিষয়া লুটুৰাজ বসুমতাৰীয়ে উদ্বোধন কৰে। দুপৰীয়া শ্বহীদ গাইড-হেলেনা সোঁৱৰণী কাবাডী প্ৰতিযোগিতা আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ কুঞ্জলতা বড়োৱে উদ্বোধন কৰে। আবেলি প্ৰতিনিধি পঞ্জীয়ন, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বৈঠকৰ পিছতে শান্তি-সম্প্ৰীতি, একতা আৰু সমন্বয়ৰ বাবে বন্তি প্ৰজ্বলন কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন উপসভাপতি ৰবীন্দ্ৰ মুছাহাৰীয়ে। সন্ধিয়া প্ৰথম প্ৰতিনিধি বৈঠক উদ্বোধন কৰে সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰীয়ে। সন্ধিয়া ৭ বজাত বাক্সা জৱহৰ নৱোদয় বিদ্যালয়ৰ সংগীত শিক্ষয়িত্ৰী মনোমতী বড়োৱে সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন কৰে। আনহাতে পুৱাৰ ভাগত ওদালগুৰি জিলা বড়ো ছাত্ৰ সন্থাৰ ৫১ সংখ্যক বাৰ্ষিক অধিৱেশন উপলক্ষে সভাপতি কৰ্ণেলিয়াছ দৈমাৰী আৰু ২২খন আঞ্চলিকৰ সভাপতিয়ে পতাকা উত্তোলন কৰে। অভ্যৰ্থনা সমিতিৰ দ্বাৰা প্ৰকাশিত আৰু খনিন বড়ো সম্পাদিত স্মৃতিগ্ৰন্থ 'নৌনাইনি দাহাৰ' ওদালগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজেন্দ্ৰ কুমাৰ বসুমতাৰীয়ে উন্মোচন কৰে। আনহাতে কাইলৈ ৬ ফেব্ৰুৱাৰীত পুৱাৰ প্ৰাৰ্থনাৰ পিছতে ৮ বজাত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োৱে পতাকা উত্তোলন কৰিব। ৮ -৪৫ বজাত বড'ফা উপেন্দ্ৰ নাথ ব্ৰহ্মলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব এবছু'ৰ উপদেষ্টা বি চৌমখৌৰ বসুমতাৰীয়ে আৰু বড়োলেণ্ড শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব এবছু'ৰ উপ সভাপতিদ্বয় খৌৰৌমদাও ৰাৰী আৰু উমেশ দৈমাৰীয়ে। বড়ো জাতীয় জীৱনক মহীয়ান কৰি থৈ যোৱা মহান ব্যক্তিসকললৈ সাহিত্য অকাডেমি বঁটা প্ৰাপক নবীন মল্ল বড়োৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। দিনৰ ১০ বজাত সাহিত্য অকাডেমি বঁটাপ্ৰাপক ড° ৰীতা বড়োৱে তৰ্ক আৰু সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰিব। ১০ -৩০ বজাত অনুষ্ঠিতব্য সম্বৰ্ধনা অনুষ্ঠানত ২০২৬ ৰ পদ্মশ্ৰী সন্মানেৰে বিভূষিত ড° যোগেশ দেউৰী আৰু দশম বাৰ্ষিক টেলেণ্ট চাৰ্চ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰিব। ১১ বজাত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়োৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া ইউথ কনক্লেভত শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ দেৱৰাজ উপাধ্যায়, ব্ৰিগেডিয়াৰ অঞ্জন কুমাৰ বসুমতাৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই অংশগ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত বিটিচিৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষসকলে যোগদান কৰিব। আনহাতে আবেলি অনুষ্ঠিতব্য 'সাংস্কৃতিক, ভাষা আৰু সামাজিক মূল্যবোধ' শীৰ্ষক গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰ গুপ্ত কাশ্যপে উদ্বোধন কৰিব। আই পি এছ হীৰেন চন্দ্ৰ নাথে মুখ্য অতিথি হিচাপে আসন অলংকৃত কৰিবলগীয়া এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন ছাত্ৰ সংগঠনৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰিব। সন্ধিয়া পৃথক পৃথক মঞ্চত প্ৰতিনিধি বৈঠক আৰু সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

**কমলাবাৰীত প্ৰতিবাদী সভা অনুষ্ঠিত; আয়ুক্তৰ যোগেদি স্মাৰক পত্ৰ প্ৰদানৰ সিদ্ধান্ত**

# মুখ্যমন্ত্ৰীক ভুল তথ্য দিছে নাৰায়ণপুৰ বেলগুৰি সত্ৰই

## মাজুলীত শ্ৰীশ্ৰীধূঁৱাহাট বেলগুৰি সত্ৰ নহয় বুলিবলৈ ক'ত অধিকাৰ পালে বুলি জাঙুৰ খাই উঠিল মাজুলীবাসী

**অসম বাৰ্তা, উজনী মাজুলী, ৫ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰাক আঘাত কৰি অসমৰ মুখ্যমন্ত্ৰীক নাৰায়ণপুৰ বেলগুৰি সত্ৰই মাজুলীৰ সন্দৰ্ভত ভুল তথ্য দিয়াত জাঙুৰ খাই উঠিছে মাজুলীৰ দল-সংগঠন আৰু বিশিষ্ট ব্যক্তি সকল। মাজুলীত শ্ৰীশ্ৰীধূঁৱাহাট বেলগুৰি সত্ৰ নহয় বুলিবলৈ ক'ত অধিকাৰ পালে, নাৰায়ণপুৰৰ বেলগুৰি থানৰ বিষয়ববীয়াই, এয়া মাজুলীৰ প্ৰতিয়েই নহয় অসমৰ ইতিহাসৰ প্ৰতিয়েই চূড়ান্ত অপমান কৰিছে বুলি আজি কমলাবাৰীস্থিত মাজুলী জিলা মহিলা সমিতিৰ কাৰ্যালয়ত বিয়লি ৪ বজাৰ পৰা বিশিষ্ট সত্ৰীয়া শিল্পী তথা অসম সাহিত্য সভাৰ মাজুলী জিলাৰ প্ৰাক্তন সভাপতি প্ৰভাত বৰা বুঢ়াভকৰ সভিপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিবাদী সভাই প্ৰশ্ন কৰে। উল্লেখ্য, কালি নাৰায়ণপুৰ বেলগুৰি সত্ৰত মুখ্যমন্ত্ৰী গৰাকীক সত্ৰৰ সত্ৰাধিকাৰৰ সন্মুখত কেইজনমান ভকতে ধূঁৱাহাটৰ বিষয়ত কৈ থকা এটা ভিডিঅ' ক্লীপত শংকৰ-মাধৱৰ মিলন, মাজুলীৰ সৃষ্টি, ধূঁৱাহাটৰ আদিস্থান আদিৰ অপব্যাখ্যাৰ কিছুমান বিতৰ্কিত কথা ভাইৰেল হৈছে। অসমৰ মুখ্যমন্ত্ৰী গৰাকীৰ আগত এনে ভুল তথ্য দাঙি ধৰি তেওঁলোক হাঁহিয়াতৰ পাত্ৰ হৈ হৈছে। গভীৰ অধ্যয়ন, অসমৰ নাৰী নক্ষত্ৰ নখ দৰ্পনত থকা মুখ্যমন্ত্ৰী গৰাকীৰ সন্মুখত এনে অপব্যাখ্যা আগবঢ়াই অসমীয়া জাতিক সত্তাক কলুষিত কৰা হৈছে বুলি কঠোৰ সমালোচনা কৰি মাজুলীৰ সাহিত্যই ভিডিঅ'টোত দেখা লোক কেইজনক ক্ষমা খুজিবলৈ দাবী জনাইছে। শ্ৰীমন্ত শঙ্কৰদেৱে ১৫১৮ খ্ৰীষ্টাব্দত দিহিং আৰু লোহিতৰ মাজত তদানীন্তন ধূঁৱাহাটত উজনি অসমৰ প্ৰথমখন থান(সত্ৰ) প্ৰতিষ্ঠা কৰিছিল, য'ত মাধৱদেৱৰ লগত ১৫২২ খ্ৰীষ্টাব্দত ঐতিহাসিক মিলন ঘটিছিল। যি কথা গুৰু চৰিতত উল্লেখ আছে। যাৰ বিষয়ে ড° মহেশ্বৰ নেওগ, লক্ষ্মীনাথ বেজবৰুৱা, দীননাথ বেজবৰুৱা, নাৰায়ণ চন্দ্ৰ গোস্বামী আনকি নাৰায়ণপুৰ বেলগুৰি সত্ৰখনৰ বুৰঞ্জীখনতো উল্লেখ আছে ইয়াৰ পিছতো বৰ্তমানৰ বেলগুৰি থানৰ বিষয়ববীয়া, কৰ্মকৰ্তাই কেৱল টকাৰ লোভত বুৰঞ্জী বিকৃত কৰি জাতিৰ ইতিহাসক অপমান কৰিছে, সন্মানীয় মুখ্যমন্ত্ৰী গৰাকীক এনে অপব্যাখ্যা দি অপৰাধ কৰিছে। ইয়াক সকলোৱে গৰিহণা দিয়া উচিত। মাজুলীৰ দল-সংগঠনে গৰিহণা দিয়াৰ লগতে সংশ্লিষ্ট সকলক ক্ষমা খুজিবলৈ বাধ্য কৰাব বুলি মাজুলীৰ সাহিত্যই সকলোৰে প্ৰতি আহ্বান জনাইছে। ইতিমধ্যে মাজুলীৰ সাহিত্যই এই ষড়যন্ত্ৰকাৰীসকলৰ ধাৰাবাহিক ষড়যন্ত্ৰৰ বিৰোদ্ধে সময়ে সময়ে প্ৰত্যুত্তৰ দি আহিছে। কালিৰ ঘটনাকো সংগঠনটোৱে তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে প্ৰয়োজন বোধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব। উল্লেখযোগ্য, ব্ৰহ্মপুত্ৰৰ খহনীয়াত বিধ্বস্ত হোৱাত হে সত্ৰখন উত্তৰ পাৰলৈ স্থানান্তৰ হৈছিল। কিন্তু ইতিহাসৰ স্বাক্ষৰ ৰূপে আদিস্থান মাজুলীত ২০২৩ চনত পূৰ্বৰ স্থানৰ সম্যক নিৰ্ধাৰণ কৰি বৰ্তমানৰ আঁহতগুৰি শিকলিচাপৰিত শ্ৰীশ্ৰীধূৱাহাট বেলগুৰি থান মণিকাঞ্চন মিলন ক্ষেত্ৰক পুনৰুজ্জীৱিত কৰে মাজুলীবাসীয়ে। ইতিমধ্যে সত্ৰভাগিক মাজুলী জিলা অসম সত্ৰ মহাসভাই এখনি পূৰ্ণাংগ সত্ৰ ৰূপে ঘোষণা কৰিছে। শ্ৰীশ্ৰী গড়মৰ সত্ৰৰ সত্ৰাধিকাৰৰ বৈঠকীত হোৱা মহাসভা মাজুলী জিলা সমিতিৰ এখনি বৰ্ধিত সভাত গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণ সভাৰ যোগে ক্ষেত্ৰ ভাগক এখনি পূৰ্ণাংগ সত্ৰ ৰূপে ঘোষণা কৰি অসম চৰকাৰক পৃষ্ঠপোষকতা কৰিবলৈ আহ্বান জনায়। গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দদেৱ গোস্বামীৰ পৃষ্ঠপোষকতাত আৰু জিলা সমিতিৰ সভাপতি সত্যজিৎ মহন্তৰ সভাপতিত্বত সভাখনি অনুষ্ঠিত হৈছিল। সভাই দুজনা গুৰুৰ মিলনস্থান ভাগ পুনৰুজ্জীৱিত কৰি তোলাৰ বাবে 'মাজুলীৰ এটা সংগঠনৰ উদ্যোক্তা সকলক মাজুলী বাসীৰ হৈ ধন্যবাদ জ্ঞাপন কৰে। ভাইৰেল হোৱা ক্লীপটোৰ পিছত মাজুলীত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু স্থানীয় বিধায়ক ভুৱন গামৰ নিৰ্লিপ্ততাত এনে ঘটনা হ'বলৈ পাইছে বুলি গৰজি উঠিছে দল, সংগঠন। আজি সভাই প্ৰচাৰ মাধ্যমৰ জৰিয়তে ভুল স্বীকাৰ নকৰিলে মাজুলী বাসীয়ে ক্ষান্ত নেথাকে বুলি সকীয়াই দিয়াৰ উপৰিও কালিলৈ মাজুলীৰ আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে অহা ১২ ফেব্ৰুৱাৰী তাৰিখে মাজুলীলৈ আহিব লগা মুখ্য মন্ত্ৰী গৰাকীক এটি সঁজাতি দলে বিষয়টো অৱগত কৰি এটা সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আনন্দ হাজৰিকা, অৱসৰপ্ৰাপ্ত জিলা কৃষি বিষয়া অৰুণ পাঠক, মাজুলী সাহিত্যৰ সভাপতি কমল দত্ত, মাজুলী দীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদৰ সভাপতি জগত হাজৰিকা, সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক দীপু বৰা, মাজুলী জিলা সত্ৰ মহাসভাৰ সম্পাদক জয়ন্ত হাজৰিকা, যুগল হাজৰিকা, ভবেন কাকতি, কলিতা জাতি ছাত্ৰ সন্থাৰ সভাপতি পৰাণজ্যোতি বৰা, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্ত, অসম সেনাৰ আহ্বায়ক দীপক নেওগ আদি বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভা আত ধৰে আহ্বায়ক সমিতিৰ হৈ জগত হাজৰিকাই।

**পিএমশ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সাফল্য**

# তৃতীয় বাৰ্ষিক বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষাৰ ফলাফল ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ ফেব্ৰুৱাৰী ঃ** ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই ব্যক্তিগত উদ্যোগত সমষ্টিটোৰ প্ৰাদেশীকৃত আৰু অপ্ৰাদেশীকৃত বিদ্যালয়সমূহ (ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ বাদে)ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ২০২৩ বৰ্ষৰ পৰা 'বিধায়কৰ প্ৰতিভা সন্ধানী পৰীক্ষা' অনুষ্ঠিত কৰি আহিছে। তৃতীয় বাৰ্ষিক ২০২৫ বৰ্ষৰ এই পৰীক্ষা যোৱা ৪ জানুৱাৰীত অনুষ্ঠিত হৈছিল। উক্ত পৰীক্ষাৰ ফলাফল আজি পৰীক্ষা পৰিচালনা সমিতিয়ে পিএমশ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আহ্বান কৰা এখন সংবাদ মেল সম্বোধন কৰি আনুষ্ঠানিক ভাৱে ঘোষণা কৰে। এইবাৰ সমষ্টিটোৰ মুঠ ২১খন বিদ্যালয়ৰ মুঠ ১১৪২ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ডুমডুমা নগৰৰ মুঠ চাৰিটা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত এই পৰীক্ষাৰ আজি ঘোষিত ফলাফল অনুসৰি পিএমশ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে বিশেষ সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। এই বিদ্যালয়খনে প্ৰথম তিনিটা স্থান দখল কৰাৰ উপৰিও শীৰ্ষ ৫০টা স্থানৰ ৩০টাই এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দখল কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ হৰ্ষজিৎ শইকীয়া, সম্ৰাজ্ঞী শইকীয়া আৰু মনোজ মৰাণে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰাৰ বিপৰীতে ৰিতুস্মান শইকীয়াই পঞ্চম স্থান লাভ কৰে। আনহাতে, কাকজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ দীপ ডিব্ৰুৱালে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এইপ্ৰতিভা সন্ধানী পৰীক্ষাত প্ৰথম স্থান লাভ কৰা শিক্ষাৰ্থীগৰাকীয়ে বিশ হাজাৰ টকা, দ্বিতীয় গৰাকীয়ে পোন্ধৰ হাজাৰ, তৃতীয় গৰাকীয়ে দহ হাজাৰ, চতুৰ্থ গৰাকীয়ে সাত হাজাৰ আৰু পঞ্চম গৰাকীয়ে পাঁচ হাজাৰ টকাৰ নগদ ধন আৰু মানপত্ৰ লাভ কৰিব। আনহাতে, ষষ্ঠৰ পৰা কুৰি সংখ্যক স্থানত থকা ছাত্ৰ-ছাত্ৰীসকলে গাইপতি তিনি হাজাৰকৈ আৰু একৈশ সংখ্যক স্থানৰ পৰা পঞ্চাছ সংখ্যক স্থান লাভ কৰা ছাত্ৰ ছাত্ৰীসকলে গাইপতি এহেজাৰ টকাৰ লগতে মানপত্ৰ লাভ কৰিব। তদুপৰি প্ৰথম পাঁচটা স্থান লাভ শিক্ষাৰ্থীকেইগৰাকীক বিধায়ক ৰূপেশ গোৱালাই তেওঁলোকৰ ভৱিষ্যত শৈক্ষিক জীৱনত তেওঁলোকে বিচৰা দৰে সহযোগিতা আগবঢ়াব। এইবাৰ পৰীক্ষাত মুঠ ২১খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিছিল যদিও তাৰে ১২খন বিদ্যালয়ৰ পৰা এজনো ছাত্ৰ ছাত্ৰী ৫০ জনীয়া তালিকাত সোমাবলৈ সক্ষম নহ'ল। আজিৰ সংবাদ মেলত পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ প্ৰণৱজ্যোতি ডেকা, সদস্য সচিব মহম্মদ অলিপ খান, উপসভাপতি অভিজিৎ খাটনিয়াৰ আৰু যুটীয়া সম্পাদক দিলীপ প্ৰসাদ উপস্থিত আছিল।

## লাহৰীঘাটত নাবালিকাক ধৰ্ষণ কৰি আৰক্ষীৰ জালত লম্পট যুৱক

**অসম বাৰ্তা, ভুৰাগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত এগৰাকী নাবালিকাক ধৰ্ষণ কাৰ্য সংঘটিত কৰি আজি আৰক্ষীৰ হাতত এজন লম্পট যুৱক গ্ৰেপ্তাৰ হ'ব লগীয়া হয়। জানিব পৰা মতে, নাবালিকাক ধৰ্ষণ কৰি গ্ৰেপ্তাৰ হোৱা পাষণ্ড যুৱকজন লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত চেনিমাৰী অঞ্চলৰ ছৰিফুল ইছলাম। ইফালে ঘটনাৰ সন্দৰ্ভত অভিযোগৰ ভিত্তিত লাহৰীঘাট থানাৰ আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা পাষণ্ড যুৱকজনক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে পাষণ্ডটোৰ বিকৃত যৌন ক্ষুধাৰ বলী হৈ সম্প্ৰতি নাবালিকা গৰাকী চিকিৎসাধীন অৱস্থাত আছে বুলি জানিব পৰা গৈছে।

# ভগামুখ আদৰ্শ বিদ্যা মন্দিৰৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য

**অসম বাৰ্তা, জাঁজী, ৫ ফেব্ৰুৱাৰী ঃ** ভগামুখ আদৰ্শ বিদ্যা মন্দিৰৰ অধ্যক্ষ ৰবীন চন্দ্ৰ হাজৰিকাই জানিবলৈ দিয়া মতে যোৱা ৪ ফেব্ৰুৱাৰীত ঘোষিত "জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি পৰীক্ষা(JBSSE)আৰু BEST, 2025-26 ভগামুখ আদৰ্শ বিদ্যা মন্দিৰৰ পৰা পৰিণীতা দেৱী, প্ৰীতিৰেখা হাজৰিকা- তৃতীয় শ্ৰেণী, অভিৰক্তমজ্যোতি হাজৰিকা -চতুৰ্থ আৰু অভিজ্ঞান চাৰিঙীয়া -তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে বৃত্তি লাভ কৰি বিদ্যালয় তথা অঞ্চললৈ সুনাম কঢ়িয়াই অনাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে। ৰঙিয়াত চোৰক আটক কৰি ৰাইজে গতালে আৰক্ষীক। অসম বাৰ্তাৰ সেৱা, ৰঙিয়া, ৫ ফেব্ৰুৱাৰী। ৰঙিয়াত ই ৰিক্সাৰ বেটাৰী লুট কৰিবলৈ লওঁতে স্থানীয় ৰাইজে আটক কৰে এটা চোৰক। ৰঙিয়াৰ নিউ মাৰ্কেটত স্থানীয় ই ৰিক্সা চালক এজনৰ বাসগৃহৰ সন্মুখত বৃহস্পতিবাৰে দিনৰ ভাগত সংঘটিত হয় এই ঘটনা। AS 25 A B1263 নম্বৰৰ স্কুটিখনৰে অহা দুৰ্বৃত্তজনে ই ৰিক্সাখনৰ বেটাৰী লুট কৰিবলৈ লওঁতে প্ৰত্যক্ষ দৰ্শীয়ে হৈ চৈ লগাই। ৰাইজে লগে লগে হাতে লোটে আটক কৰাৰ লগতে স্কুটিখনো জব্দ কৰে। ইতিমধ্যে ঘটনাৰ সম্ভেদ লাভ কৰি ৰঙিয়া আৰক্ষী উপস্থিত হৈ চোৰটোক আটক কৰাৰ লগতে স্কুটিখনো জব্দ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি চোৰৰ উপদ্ৰৱত সন্ত্ৰস্ত হৈ আহিছে অঞ্চলটোৰ ৰাইজ। শেহতীয়াকৈ ৰঙিয়াৰ সমীপৱৰ্তী জগন্নাথ বুঢ়াগোহাঁই থানতো বিভিন্ন সময়ত চোৰে লুটপাত চলাই নিদ্ৰাহৰণ কৰি আহিছে। এনে এক সময়তে আটকাধীন চোৰজনক দৃষ্টান্ত মূলক শাস্তি প্ৰদানৰ দাবী জনাইছে ৰাইজে।

**দেৰগাঁৱৰ পৰা প্ৰাৰ্থীত্ব দিলে নিৰ্বাচন খেলিবলৈ সম্পূৰ্ণ সাজু বিস্মিতা গগৈ**

# কেন্দ্ৰীয় বাজেট ২০২৬ক লৈ মাজুলীত সংবাদমেলত বিজেপি নেত্ৰী বিস্মিতা গগৈ

## কেন্দ্ৰীয় বাজেট জনমুখী আৰু উন্নয়নমুখী



**অসম বাৰ্তা, উজনী মাজুলী, ৫ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় বাজেট ২০২৬ক লৈ আজি গড়মূৰ স্থিত মাজুলী জিলা বিজেপিৰ কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিৰ সম্পাদক বিস্মিতা গগৈয়ে এখন সংবাদমেল সম্বোধন কৰে। জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে আঁত ধৰা সংবাদমেলত বিজেপি নেত্ৰী তথা প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈয়ে শেহতীয়াকৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত ২০২৬-২৭ বৰ্ষৰ বাবে দাখিল কৰা কেন্দ্ৰীয় বাজেটৰ এক ব্যাখ্যা দাঙি ধৰে। সংবাদমেলত বাজেট সন্দৰ্ভত নেত্ৰী গৰাকীয়ে মূলতঃ বাজেট খনৰ মূল লক্ষ্য সমূহ অৱগত কৰে। বাজেটৰ মূল লক্ষ্য অনুসৰি অৰ্থনৈতিক বৃদ্ধি ত্বৰান্বিত কৰা, উৎপাদনশীলতা আৰু প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধি কৰাৰ লগতে অন্তৰ্ভুক্তিমূলক উন্নয়ন নিশ্চিত কৰা। আন্তঃগাঁথনি, উদ্যোগ আৰু MSME খণ্ড শক্তিশালী কৰা, কৃষকৰ আয় বৃদ্ধি, শিক্ষা-স্বাস্থ্য আৰু দক্ষতা বিকাশত বিশেষ গুৰুত্ব দিয়া হৈছে। বাজেটত উত্তৰ-পূব আৰু পূৰ্বোদয় ৰাজ্যসমূহৰ বাবে বিশেষ পদক্ষেপ ঘোষণা কৰা হৈছে বুলি উল্লেখ কৰে। ইয়াৰোপৰি পৰ্যটন, তথ্য-প্ৰযুক্তি, সেউজ শক্তি আৰু নগৰ উন্নয়নত বিনিয়োগ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰখা হৈছে বুলি উল্লেখ কৰি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে মুঠ ব্যয় ৫৩.৫ লাখ কোটি টকা ধাৰ্য কৰা হৈছে আৰু বিত্তীয় ঘাটি জিডিপিৰ ৪.৩ শতাংশত সীমাবদ্ধ ৰখাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ বাজেট খনক জনমুখী বাজেট, ভাৰতবৰ্ষৰ অৰ্থনৈতিক পৰিৱেশ সুস্থিৰ কৰি ৰখাত সহায়ক হ'ব বুলি উল্লেখ কৰে। ইফালে সাংবাদিকৰে মুখামুখি হৈ আগন্তুক বিধানসভা নিৰ্বাচনত দেৰগাঁও সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতাৰ চৰ্চাৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত বিস্মিতা গগৈয়ে কয় যে, "দেৰগাঁৱৰ পৰা দলে প্ৰাৰ্থীত্ব দিলে নিৰ্বাচন খেলিবলৈ মই সম্পূৰ্ণৰূপে সাজু।" আনফালে অধ্যাপিকা ড° জ্ঞানশ্ৰী বৰাই অধ্যাপিকা পদ ত্যাগ কৰি ৰাজনীতিলৈ অহাৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত বিস্মিতা গগৈয়ে কয় যে, ড° জ্ঞানশ্ৰী এগৰাকী উচ্চ শিক্ষিতা আৰু যোগ্য মহিলা। মহিলাসকলৰ ৰাজনীতিলৈ আগমন নিঃসন্দেহে এটা শুভ লক্ষণ। অৱশ্যে, ৰাজনীতিলৈ কোনটো মঞ্চৰে আহে, সেইটোও বহু পৰিমাণে গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। সংবাদমেলত মাজুলীৰ বিধায়ক ভুৱন গাম উপস্থিত থাকে।

## ডিব্ৰুগড়ত 'সম্প্ৰীতি অসম'ৰ বহুভাষিক কবিতা সন্মিলনৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৫ ফেব্ৰুৱাৰী ঃ** অহা ৮ ফেব্ৰুৱাৰীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি সভাকক্ষত দিনৰ ১.০০ বজাত বহুভাষিক কবিতা সন্মিলনৰ আয়োজন কৰিছে অসমৰ অন্যতম সামাজিক -সাংস্কৃতিক বিনিময় আৰু সদ্ভাৱনা সংস্থা 'সম্প্ৰীতি অসম'এ। সংস্থাৰ সভাপতি ইন্দ্ৰ গগৈ আৰু মুখ্য সম্পাদক ডঃ মৌচুমী ৰেখা খাওণ্ডে জানিবলৈ দিয়া মতে মূলতঃ সমাজত শান্তি - সম্প্ৰীতি বৰ্তাই ৰখা বাৰ্তাবাহক বিষয়বস্তুক লৈ লেখা বিভিন্ন ভাষাৰ কবিতা এই অনুষ্ঠানৰ জৰিয়তে পাঠ অথবা আবৃত্তিৰ সুযোগ প্ৰদানৰ লগতে সামাজিক -সাংস্কৃতিক বিনিময় আৰু সমাজত সদ্ভাৱনাৰ পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে ইচ্ছুক কবি আৰু কাব্য প্ৰেমীৰ যোগদান আৰু উপস্থিতি কামনা কৰিছে আৰুসম্প্ৰীতি অসমে। কাব্য প্ৰেমীসকলক যথাসময়ত উপস্থিত হ'বলৈ আৰু তলত উল্লেখ কৰা নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# অসমৰ উদীয়মান সাঁতোৰবিদ কিউচেংহান ফুকনৰ ঐতিহাসিক অভিলেখ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ ফেব্ৰুৱাৰী ঃ** অসমৰ সাঁতোৰ জগতলৈ এক গৌৰৱময় সাফল্য কঢ়িয়াই আনিছে ৭ বছৰীয়া উদীয়মান সাঁতোৰবিদ কিউচেংহান ফুকনে। এলিফেণ্টা দ্বীপৰ পৰা গেটৱে অৱ ইণ্ডিয়ালৈ আৰব সাগৰৰ বুকুত ১৩ কিলোমিটাৰ দীঘল পথ মাত্ৰ ৩ ঘণ্টা ২৯ মিনিটত সাঁতুৰি অতিক্ৰম কৰি কিউচেংহানে এক অভিলেখ স্থাপন কৰে। এই কৃতিত্বৰে কিউচেংহান ফুকন উত্তৰ-পূব ভাৰতৰ পৰা আৰব সাগৰত সাঁতোৰা প্ৰথমগৰাকী মহিলা সাঁতোৰবিদ হিচাপে পৰিগণিত হৈছে, যি অসম তথা সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ বাবে এক বিশেষ গৌৰৱৰ বিষয় হৈ পৰিছে। বৰ্তমান কিউচেংহানে গুৱাহাটীৰ সৰুসজাইস্থিত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ ড° জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত প্ৰশিক্ষক বাবুল গুৰুঙৰ তত্ত্বাৱধানত নিয়মীয়া প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। এই কথা জানিবলৈ দি অসম সাঁতোৰ সন্থাৰ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে কয় যে, কিউচেংহানৰ এই সফলতাই ৰাজ্যৰ সাঁতোৰ খেলুৱৈসকলৰ বাবে এক শক্তিশালী প্ৰেৰণা হিচাপে কাম কৰিব। এই ঐতিহাসিক সাফল্যৰ বাবে অসম সাঁতোৰ সন্থাৰ তৰফৰপৰা কিউচেংহান ফুকনক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

## নগাঁও জিলা পুথিভঁৰালত তৰ্ক প্ৰতিযোগিতাৰ সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ৫ ফেব্ৰুৱাৰী ঃ** আৰণ্যম আৰু ইউৰেকাৰ উদ্যোগত উক্ত তৰ্ক প্ৰতিযোগিতাখনিৰ আয়োজন কৰা হয়। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ প্ৰায় ৪৮ গৰাকী তাৰ্কিকে অনুষ্ঠানটিত অংশগ্ৰহণ কৰে। উল্লেখ্য যে তৰ্ক কলা সংস্কৃতি যুৱ-প্ৰজন্মৰ মাজত বৰ্তাই ৰাখিবলৈ উক্ত অনুষ্ঠানটিৰ আয়োজন কৰা হয়। অনুষ্ঠানটিত জিষ্ণু জ্যোতি দেৱী প্ৰথম স্থান, জুহিতা কলিতা দ্বিতীয় স্থান আৰু তৃতীয় স্থান শোনিত শৰ্মাই লাভ কৰিবলৈ সক্ষম হয়। আনহাতে আন গৰাকী তাৰ্কিকক বিচাৰকৰ বিশেষ বঁটা প্ৰদান কৰা হয়। লগতে অনুষ্ঠানটিত সভাপতি প্ৰাচুৰ্য্য প্ৰাণ নাথ সম্পাদক পৰাগ কুমাৰ বৰাকে প্ৰমুখ্য কৰি আন আন গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে।

# চেলেংহাটত এমহীয়া বিনামূলীয়া পাঠদানৰ সামৰণি অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, আমগুৰি, ৫ ফেব্ৰুৱাৰী ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা(আটছা)ৰ চেলেংহাট উপ শাখা আৰু জ্ঞানশ্ৰী টিউচন কেন্দ্ৰৰ উদ্যোগত চেলেংহাট কলীয়াপানীত যোৱা এটা মাহ ধৰি দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলক দি অহা বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ যোৱা বুধবাৰে অন্ত পৰে। উল্লেখ্য যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হব লগা ছাত্ৰ ছাত্ৰী সকলৰ সুবিধা হোৱাকৈ ইংৰাজী, গণিত আৰু বিজ্ঞানৰ বিনামূলীয়া পাঠদান কাৰ্যসূচীত প্ৰায় অৰ্দ্ধ শতাধিক চেলেংহাট অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলক এটাকৈ কলমেৰে অনাগত পৰীক্ষাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে উদ্যোক্তা সকলে। আটছা চেলেংহাট উপ শাখাৰ সভাপতি শিবা লস্কৰ তাঁতীয়ে আঁতধৰা সামৰণি অনুষ্ঠানত টীয়ক শাখাৰ উপ সভাপতি আণ্টু তাঁতী, আমগুৰি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক কুমাৰ প্ৰাণ তাঁতী, সাংবাদিক দেৱবিকাশ দত্ত, জ্ঞানশ্ৰী টিউচন কেন্দ্ৰৰ সঞ্চালক বৈভৱ ৰঞ্জন গুপ্তা, শিক্ষক সুনীল নায়ক, বিনয় নায়ক, ৰশ্মি গুপ্তাকে ধৰি আটছা চেলেংহাট শাখাৰ বিষয়ববীয়াৰ লগতে বিভিন্নজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# অভয়াপুৰী ১নং মণ্ডল সমল কেন্দ্ৰত "ক্লাষ্টাৰ হেডকোৱাটাৰ চেণ্টাৰ"ৰ আধাৰশিলা স্থাপন




**অসম বাৰ্তা, অভয়াপুৰী, ৫ ফেব্ৰুৱাৰী ঃ** অভয়াপুৰীৰ ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত আজি অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ কাৰ্যালয় গৃহ তথা ক্লাষ্টাৰ হেডকোৱাটাৰ কেন্দ্ৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। অভয়াপুৰী দক্ষিণ (অনুঃ) বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ সৰকাৰে আধাৰশিলা স্থাপন কৰি কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্যৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে, এই ক্লাষ্টাৰ হেডকোৱাটাৰ কেন্দ্ৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত মণ্ডল সমল কেন্দ্ৰ পৰ্যায়ৰ বিভিন্ন বৈঠক, শিক্ষক-শিক্ষণ কাৰ্যসূচী, শিক্ষামূলক সভা-সমিতি, বিদ্যালয় উন্নয়ন সংক্ৰান্তিয় কৰ্মশালা আৰু শিক্ষা বিভাগৰ বিভিন্ন কাৰ্যসূচী নিয়মিতভাৱে পাঠ আদান-প্ৰদানৰ ক্ষতি নকৰাকৈ অনুষ্ঠিত কৰিব পাৰিব। বিদ্যালয়সমূহৰ পৰিকল্পিত উন্নয়ন আৰু শিক্ষাক্ষেত্ৰত এক সুসংগঠিত পৰিৱেশ গঢ়ি তোলাত এই কেন্দ্ৰটো বিশেষ সহায়ক হ'ব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে। বহুদিনৰ পৰা শিক্ষা-সম্পৰ্কীয় কাৰ্যসূচী আয়োজনৰ বাবে এক উপযুক্ত স্থায়ী কেন্দ্ৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰি অহা হৈছিল, আৰু আজিৰ এই পদক্ষেপে সেই অভাৱ দূৰ কৰাৰ দিশত এক উল্লেখযোগ্য অগ্ৰগতি হিচাপে গণ্য কৰা হৈছে। আধাৰশিলা স্থাপন অনুষ্ঠানৰ পাছত বিধায়ক প্ৰদীপ সৰকাৰে উপস্থিত লোকসকলক উদ্দেশ্যি কয় যে, শিক্ষাৰ উন্নয়নৰ বাবে সদায় তেওঁৰ অগ্ৰাধিকাৰ দিব। বিদ্যালয়সমূহৰ পৰিকাঠামো শক্তিশালীকৰণ, শিক্ষাৰ মান উন্নয়ন আৰু শিক্ষাৰ্থীসকলৰ কল্যাণৰ বাবে তেওঁ সদায় সক্ৰিয়ভাৱে কাম কৰি যাব বুলি দৃঢ়তাৰে উল্লেখ কৰে। লগতে শিক্ষাৰ উন্নতিৰ বাবে শিক্ষক, অভিভাৱক আৰু সমাজৰ সকলোৰে সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আজিৰ অনুষ্ঠানটোৰ নেতৃত্ব প্ৰদান কৰে অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ড° ছিৰখাত হুছেইনে। অনুষ্ঠানত উপস্থিত থাকে উত্তৰ শালমাৰাৰ বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক দেৱান আব্দুৰ ৰহমান, সহ: পৰিদৰ্শক লাচিত বসুমতাৰী, কনিষ্ঠ অভিযন্তা ছাকিল আহমেদ, সহকাৰী অভিযন্তা মহাদেৱ ৰায়, সমাজকৰ্মী বৃন্দাবন সৰকাৰ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অঞ্জন দেৱ শৰ্মা, বিদ্যালয়ৰ প্ৰধান শিক্ষক শৰৎ চন্দ্ৰ বৰুৱা, বড়িগাঁও মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক অৰূপ কুমাৰ দত্তসহ বিদ্যালয়খনৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, শিক্ষাৰ্থী আৰু স্থানীয় ৰাইজ। শেষত সকলোৱে এই ক্লাষ্টাৰ হেডকোৱাটাৰ কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে সম্পূৰ্ণ হোৱাৰ কামনা কৰি শিক্ষাক্ষেত্ৰত ইয়াৰ জৰিয়তে এক নতুন গতি আৰু সুশৃঙ্খল পৰিৱেশ সৃষ্টি হ'ব বুলি আশা ব্যক্ত কৰে।

# ধিৰাই মাজুলী শংকৰদেৱ শিশু নিকেতনত উৎকৰ্ষ মহোৎসৱ সম্পন্ন

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৫ ফেব্ৰুৱাৰী ঃ** শিশু শিক্ষা সমিতি অসমৰ উদ্যোগত ৰাজ্যজুৰি শংকৰদেৱ শিশু নিকেতনসমূহত ৪ ফেব্ৰুৱাৰী ২০২৬তাৰিখৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা উৎকৰ্ষ মহোৎসৱৰ অংশ হিচাপে ঢেকীয়াজুলি সংকুলৰ অন্তৰ্গত শিঙৰী আৰক্ষী চকী এলেকাৰ ধিৰাই মাজুলী শংকৰদেৱ শিশু নিকেতনত ৪ ফেব্ৰুৱাৰীৰ দিনা সফলভাৱে উৎকৰ্ষ মহোৎসৱ অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, শংকৰদেৱ শিশু নিকেতনসমূহৰ শৈক্ষিক মান, পাঠ্য-পাঠ্যসহযোগী কাৰ্যসূচী, আচাৰ্য-আচাৰ্যাৰ কাৰ্যদক্ষতা আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ মূল্যায়নৰ লক্ষ্যৰে এই উৎকৰ্ষ মহোৎসৱ আয়োজন কৰা হয়। ধিৰাই মাজুলী শংকৰদেৱ শিশু নিকেতনত অনুষ্ঠিত মহোৎসৱত মাজৰৌমাৰী শংকৰদেৱ শিশু নিকেতনৰ জ্যেষ্ঠা আচাৰ্যা নিজৰা বৰাৰ নেতৃত্বত যোৱা পাচঁজনীয়া মান নিৰূপক দলে অংশগ্ৰহণ কৰে। পুৱা ৯ বজাত বন্তি প্ৰজ্বলনৰ মাধ্যমেৰে উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। উক্ত কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন কৰে মান নিৰূপক তথা বিশিষ্ট শিক্ষাবিদ নৰেণ ভাগৱতীয়ে। উদ্বোধনী কাৰ্যসূচীত নিকেতনখনৰ প্ৰধান আচাৰ্য নাৰায়ণ ফয়েল, আচাৰ্য-আচাৰ্যা, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে নিকেতন পৰিচালনা সমিতিৰ সভাপতি ৰবীন তাঁতী, সম্পাদক হেমন্ত বৈশ্য আৰু সমিতিৰ অন্যান্য সদস্যসকল উপস্থিত থাকে। উৎকৰ্ষ মহোৎসৱৰ সময়ছোৱাত শিক্ষাবিদ নৰেন ভাগৱতী, প্ৰদীপ কুমাৰ নাথ, প্ৰকাশ কুমাৰ নাথ, নিজৰা বৰা আৰু লভিতা ভূঞাই মান নিৰূপক হিচাপে নিকেতনখনৰ বিভিন্ন শৈক্ষিক আৰু প্ৰশাসনিক দিশ পৰ্যবেক্ষণ কৰে। পাঠদান পদ্ধতি, শৃংখলা, পৰিৱেশ, ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতা আৰু সাংস্কৃতিক দিশসমূহ মান নিৰূপক দলৰ দ্বাৰা বিশেষভাৱে মূল্যায়ন কৰা হয়। বিয়লি ২ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বন্দে মাতৰম গীত পৰিৱেশনৰ পিছত উৎকৰ্ষ মহোৎসৱৰ কাৰ্যসূচীৰ সমাপ্তি ঘোষণা কৰা হয়। সমগ্ৰ কাৰ্যসূচীত নিকেতনখনৰ আচাৰ্য-আচাৰ্যা ক্ৰমে জুলু দেৱী, টিনা দেৱী, জুলি জেনা, সৌৰভ চেড়াই আৰু দেৱেন নিৰোলাই সক্ৰিয় ভূমিকা পালন কৰি অনুষ্ঠানটোক সফল কৰি তোলে। উৎকৰ্ষ মহোৎসৱে নিকেতনখনৰ আচাৰ্য-আচাৰ্যা, ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক ৰাইজক অধিক উৎসাহিত কৰাৰ লগতে শৈক্ষিক মান উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি নিকেতনখনৰ প্ৰধান আচাৰ্য নাৰায়ণ ফয়েলে নিজৰ মতামত ব্যক্ত কৰে।

## মহিলা উদ্যমিতা আচঁনিৰ চেক বিতৰণ আৰু বহুকেইটা আঁচনিৰ শুভাৰম্ভ

# ১২ ফ্ৰেব্ৰুৱাৰীত অসমৰ মুখ্যমন্ত্ৰী মাজুলীলৈ অহাৰ সম্ভাৱনা

**অসম বাৰ্তা, মাজুলী, ৫ ফেব্ৰুৱাৰী ঃ** মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্য্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্য মাজুলীলৈ আহিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। যোৰহাট-মাজুলী সংযোগী দলঙৰ পুনৰ নিৰ্মাণৰ কাম শুভাৰম্ভ কৰাৰ লগতে লক্ষ্মীমপুৰ-মাজুলী সংযোগী দলঙৰ চেলেক অঞ্চলৰ দলংখন মুকলি কৰিব। আজি দুয়োখন দলঙৰ লগতে মুখ্যমন্ত্ৰী অৱতৰণ কৰিবলগীয়া হেলিপেড পৰিদৰ্শন কৰে মাজুলীৰ বিধায়ক ভুৱন গামে। দলং নিৰ্মাণ স্থলীত সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰে মাজুলীৰ বিধায়ক ভুৱন গামে। আগন্তুক নিৰ্বাচনত টিকেট পোৱা-নোপোৱাক লৈও মন্তব্য কৰে বিধায়ক গৰাকীয়ে। জানিব পৰা গৈছে ১২ ফ্ৰেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে মাজুলীলৈ অহাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্য মন্ত্ৰী মাজুলীলৈ অহাৰ কাৰ্যসূচী পিছুৱাই থকাৰ বাবে মাজুলীৰ মহিলা সকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছিল। তদুপৰি কিছুমান উৰাবাতৰিয়ে বিভ্ৰান্তিৰ সৃষ্টি হৈছিল। ইফালে এগৰাকী বিধায়ক কৰ্মৰত আছে যদিও আন কেইবাজনো লোকৰ নাম জনসাধাৰণৰ মাজত চৰ্চিত হৈছিল। বিশেষ সূত্ৰে জানিব পৰা মতে অহা নিৰ্বাচনৰ বাবে প্ৰতিদ্বন্দ্বতা কৰিব লগীয়া বিজেপিৰ প্ৰাৰ্থী নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে।

# কৰ্তব্যৰত অৱস্থাত মাজুলীত জলজীৱন আঁচনিৰ কৰ্মচাৰীৰ মৃত্যু

**অসম বাৰ্তা, মাজুলী, ৬ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ মূদৈগাঁৱত কৰ্তব্যৰত অৱস্থাত এজন জল জীৱন আঁচনিৰ কৰ্মচাৰীৰ আকস্মিক মৃত্যুৱে পূব মাজুলী অঞ্চলত শোকৰ ছাঁ পেলাইছে। ঘটনা সন্দৰ্ভত পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, অঞ্চলটোত অৱস্থিত মূদৈগাও জলজীৱন আচনিৰ জলমিত্ৰ তীৰ্থ শইকীয়া (৫৭) অন্য দিনাৰ দৰে কালিও বিয়লি প্ৰায় ৫বজাত পানী যোগান দিবৰ বাবে আচনি গৃহত প্ৰৱেশ কৰি প্ৰয়োজনীয় কাম-কাজ আৰম্ভ কৰিছিল। কৰ্মচাৰীজনে মেচিনৰ কাম কৰি থাকোঁতেই হঠাৎ অসুস্থ হৈ পৰে আৰু এডাল ঘূৰণীয়া লোহাত বুকুৰে খুণ্ডিয়াই দিয়াত অচেতন হৈ পৰে। লোকজন যথাসময়ত ঘৰলৈ উভতি নোযোৱাত পৰিয়ালৰ লোকে বিচাৰ খোচাৰ কৰি অচেতন অৱস্থাত জলজীৱনৰ মেছিন গৃহত উদ্ধাৰ কৰি ততাতৈয়াকৈ গড়মূৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে প্ৰাথমিক পৰীক্ষা নিৰীক্ষাৰ অন্তত মৃত ঘোষণা কৰে। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত সৰবৰহী ব্যক্তি গৰাকীৰ মৃত্যুত পূব মাজুলী অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁ মৃত্যুৰ সময়ত পত্নী, এগৰাকী কন্যা, আৰু এজন পুত্ৰ সহ পৰিয়াল ইহ সংসাৰত এৰি থৈ যায়। অঞ্চল বাসীয়ে নিঠৰুৱা হৈ পৰা পৰিয়ালটোৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ মাজুলী জনস্বাস্থ্য কাৰিকৰী বিভাগক আহ্বান জনাইছে।

## ৰাইজৰ দলৰ নগাঁও জিলাৰ ৫৫ ধিং সমষ্টি সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন

# ধিং সমষ্টিত ৰাইজৰ দলৰ বৃহৎ তৎপৰতা



**অসম বাৰ্তা, মৈৰাবাৰী, ৬ ফেব্ৰুৱাৰী ঃ** ৫৫ নং ধিং বিধানসভা সমষ্টিত আগন্তুক বিধানসভা নিৰ্বাচন যিমানেই চমু চাপি আহিছে, সিমানেই ৰাজনৈতিক তৎপৰতা তীব্ৰ ৰূপ ধাৰণ কৰিছে। এই পৰিপ্ৰেক্ষিতত ৰাইজৰ দলেও সমষ্টিটোত দলীয় সংগঠন অধিক শক্তিশালী কৰি তুলিবলৈ ব্যাপক প্ৰচাৰ আৰু সভা-সমিতিৰ জৰিয়তে তৎপৰতা বৃদ্ধি কৰিছে। ধিং সমষ্টিত ঘৰে ঘৰে প্ৰচাৰ অভিযানৰ নেতৃত্ব দিছে ৰাইজৰ দলৰ মুখপাত্ৰ তথা যুৱনেতা মেহবুব মোক্তাৰে। ইয়াৰোপৰি সমষ্টিৰ বিভিন্ন অঞ্চলত চুকে-কোণে সভা-সমিতি আৰু কৰ্মী বৈঠক অনুষ্ঠিত কৰি দলীয় কৰ্মীসকলক সংগঠিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে দলটোৱে। এই ধাৰাবাহিকতাৰ অংশ হিচাপে বৃহস্পতিবাৰে ধিং ৰত্ন ভৱনত ৰাইজৰ দলৰ ধিং সমষ্টি সমিতিৰ এক বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাখনত দলীয় কৰ্মী-সমৰ্থকৰ বিপুল উপস্থিতিয়ে সমষ্টিটোত ৰাইজৰ দলৰ প্ৰতি বৃদ্ধি পোৱা আগ্ৰহৰ স্পষ্ট ইংগিত দিয়ে। ধিং সমষ্টি সমিতিৰ সভাপতি শ্বৰিফ উদ্দিন (বাবুল) ৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কেবা শতাধিক দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে। সভাখনত আগন্তুক নিৰ্বাচনী যুঁজত কেনেদৰে সু-সংগঠিত পৰিকল্পনাৰে আগবাঢ়ি জয় লাভ কৰিব পৰা যাব, সেই সন্দৰ্ভত বিস্তৃত আলোচনা হয়। বিভিন্ন স্তৰৰ সক্ৰিয় কৰ্মীয়ে নিজৰ নিজৰ মতামত আৰু প্ৰস্তাৱ আগবঢ়াই সংগঠন শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে বিগত প্ৰায় ২০ বছৰ ধৰি ধিং সমষ্টিটো এআইইউডিএফৰ দখলত আছে। এই বাৰ সমষ্টিটোক এআইইউডিএফ আৰু বিজেপিমুক্ত কৰাৰ দৃঢ় সংকল্প লয় বুলি সভাখনত উপস্থিত দলীয় কৰ্মীসকলে প্ৰতিশ্ৰুতি ব্যক্ত কৰে। সভাত ভাষণ প্ৰসংগত ধিং সমষ্টিৰ ৰাইজৰ দলৰ বিধায়ক পদৰ প্ৰাৰ্থী মেহবুব মোক্তাৰে কয় যে, কংগ্ৰেছ দল তথা বিৰোধী ঐক্যমঞ্চৰ সৈতে সমষ্টিটোত ৰাইজৰ দলৰ মিত্ৰতা প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। মিত্ৰতা ঘোষণা হোৱাৰ পিছত মিত্ৰ দলসমূহৰ নেতা-কৰ্মী আৰু সমৰ্থকসকলৰ সৈতে সন্মান আৰু বন্ধুত্বসুলভ পৰিৱেশ সৃষ্টি কৰি একেলগে নিৰ্বাচনী যুঁজ আগবঢ়োৱাৰ আহ্বান জনায়। মেহবুব মুক্তাৰে লগতে কয় যে, বিগত ২০ বছৰে সমষ্টিটোত যিসমূহ উন্নয়নমূলক কাম হোৱা নাই, সেয়া নিৰ্বাচিত হ'লে পাঁচ বছৰৰ ভিতৰতে বাস্তৱায়িত কৰি দেখুৱাব বুলি তেওঁ দৃঢ় বিশ্বাস প্ৰকাশ কৰে।

# যোৰহাট দহোটীয়া ফুকন আলিৰ বিধ্বস্ত ৰূপ, মেৰামতিৰ দাবী

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৫ ফেব্ৰুৱাৰী ঃ** যোৰহাট পশ্চিম অঞ্চলৰ ৰাষ্ট্ৰীয় পথৰ দহোটীয়াৰপৰা খঙীয়া মৌজাৰে কমাৰবন্ধা আলিৰ ধলাজানত সংযোগ হোৱা ৭.৫ কিঃমিঃ দৈৰ্ঘ্যৰ ফুকন আলিটো বিধ্বস্ত ৰূপে ৰাইজক জলা-কলা খুৱাইছে। ৬৭, ৭০, ৭১ নং গাঁও পঞ্চায়তৰ বাসিন্দাসকলে উত্তৰে ৰাষ্ট্ৰীয় পথেৰে, দক্ষিণে কমাৰবন্ধা পথেৰে যোৰহাট মহানগৰলৈ যাতায়াত কৰে। পথটোৰ কাষতে পুলিবৰ আৰক্ষী থানা, খঙীয়া মৌজা গাঁও পঞ্চায়ত সমবায় সমিতি লিঃ, দহোটীয়া ৰাজ্যিক চিকিৎসালয়, পশ্চিম যোৰহাট কলেজ, দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, দহোটীয়া উঃ মাঃ বালিকা বিদ্যালয়, পশ্চিম যোৰহাট জাতীয় বিদ্যালয়ৰ উপৰি বহুকেইখন এম ই আৰু এল পি স্কুলৰ উপৰি পশু চিকিৎসালয়, অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যৱসায়ৰ কেন্দ্ৰলৈ ৰাইজৰ লগতে নিতৌ শিক্ষাৰ্থীসকলে এই পথেৰে যাতায়াত কৰে। প্ৰায় ১০ বছৰৰ পূৰ্বে পথটো পকীকৰণ কৰাৰ পাছৰেপৰা বিভাগীয়ভাৱে মেৰামতি নকৰাত পথটোত বহু গাঁতৰ সৃষ্টি হোৱাৰ লগতে খোজ কাঢ়িও যাতায়াত কৰিব নোৱৰা অৱস্থা হৈছে। লোকসকলে স্থানীয় এম পি, এম এল এ, বিভাগৰ বিষয়াক বাৰম্বাৰ আৱেদন দিয়াৰ পাছতো গুৰুত্ব দিয়া নাই। আগন্তুক বিধান সভা নিৰ্বাচনৰ বাবে দল আৰু চৰকাৰে প্ৰস্তুতি চলাইছে। তিনিখন পঞ্চায়তৰ এলেকাত থকা ৩০ টাৰো অধিক ভোট কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে বিষয়া কৰ্মচাৰীসকল আহিব লাগিব এই পথটোৰে। পূৰ্বতে দেৰগাঁও বিধান সভা সমষ্টি আৰু এতিয়া টীয়ক বিধানসভা সমষ্টিৰ এলেকাভুক্ত এই বিধ্বস্ত পথটোৰে আগন্তুক নিৰ্বাচনৰ প্ৰচাৰ কৰিবলৈও প্ৰাৰ্থীসকল আহিব লাগিব। সেয়ে নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ পূৰ্বে এই পথটোৰ মেৰামতিৰ ব্যৱস্থা কৰিবলৈ ৰাইজে যোৰহাট জিলাৰ আয়ুক্ত, বিভাগীয় বিষয়া-মন্ত্ৰী তথা মুখ্যমন্ত্ৰীৰ প্ৰতি অনুৰোধ জনাইছে।

# গোসাঁইগাঁৱৰ সাপকাটাত আৰক্ষীৰ অভিযানত ৮টা চোৰাং গৰু জব্দ

**অসম বাৰ্তা, গোসাঁইগাঁও, ৬ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ সাপকাটাত আজি সন্ধিয়াৰ ভাগত গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰা আৰু সাপকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযান চলাই আঠটা গৰু জব্দ কৰে। এখন বলেৰ পিক আপ ভেনেৰে গৰু কেইটা সৰবৰাহ কৰি থকাৰ খবৰ পাই আৰক্ষীয়ে অভিযান চলাই গৰু সমূহ আটক কৰে যদিও গৰু বোজাই কৰি অনা বাহনখন আটক কৰিবলৈ সক্ষম হোৱা নাই। কচুগাঁৱৰ পৰা সাপকাটাৰ দিশে গৈ থকা অৱস্থাত আৰক্ষীয়ে গৰু বোজাই কৰি অনা গাড়ীখনক ৰখাবলৈ নিৰ্দেশ দিয়াত বিপদৰ উমান পাই তীব্ৰ গতিত আগুৱাই গৈ গৰু কেইটাক গাড়ীৰ পৰা নমাই দি গাড়ীলৈ পলায়ন কৰে। পাছত আৰক্ষীয়ে আঠটা গৰু উদ্ধাৰ কৰি বেলেগ বাহনেৰে থানালৈ আনি জব্দকৃত গৰু সমূহৰ স্বাস্থ্য পৰীক্ষাৰ অন্তত শ্ৰীৰামপুৰস্থিত এছ ডি লাইভষ্টক চেণ্টাৰত (খোৱাৰ) ৰখা হব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। ইপিনে পলায়ন কৰা বলেৰ পিক্ আপ ভানখনৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে বুলি এছ ডি পি অ' বৰাই জানিবলৈ দিয়ে।

# খাতাৰটাৰী-চান্দমামা ব্ল'ক ৰাস্তা নিৰ্মাণত অনিয়মৰ অভিযোগ

**অসম বাৰ্তা, কলগাছিয়া, ৬ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ গড়কাপ্তানী বিভাগৰ অধীনস্থ খাতাৰটাৰী -চান্দমামা ব্ল'ক ৰাস্তা নিৰ্মাণৰ ক্ষেত্ৰত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি ৰাস্তা নিৰ্মাণৰ সময়ত ৰাস্তাৰ দুয়োকাষে মাটি পেলাই ছাইডবাম নিৰ্মাণৰ কাম কৰিব লাগে যদিও তালৈ গুৰুত্ব দিয়া নাই ঠিকাদাৰে। ফলত ছাইডবাম নিৰ্মাণৰ সময়তেই ঠায়ে ঠায়ে ভাঙি যোৱা পৰিলক্ষিত হৈছে। তদুপৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ ওচৰত ৰাইজে স্পিড ব্ৰেকাৰ দিয়াৰ কথা দাবী কৰাত কৰিম বুলি কৈ ঠিকাদাৰে কোনো ধৰণৰ কাণসাৰ নিদিয়াৰ অভিযোগ উঠিছে। উক্ত ৰাস্তাৰ কাম আধৰুৱা কৰি গুচি যোৱা বুলিও ৰাইজে অভিযোগ তুলিছে। সেইয়ে বিষয়টো বৰপেটা জিলা আয়ুক্ত, গড়কাপ্তানী মন্ত্ৰী আৰু স্থানীয় মন্ত্ৰী ৰঞ্জিত দাসৰ হস্তক্ষেপ বিচাৰিছে বৃহত্তৰ এলেকাৰ সচেতন নাগৰিকে।

## আধাৰশিলা স্থাপন; মিঞাৰ অত্যাচাৰ সহ্য কৰা নহ'ব ঃ অশোক সিংহল

# চিৰাজুলিৰ শ্ৰীশ্ৰী ৰঘুনাথ সত্ৰৰ উন্নয়নৰ বাবে ১ কোটি টকাৰ আঁচনি আৰম্ভ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ৬ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ চিৰাজুলিত অৱস্থিত ঐতিহ্যবাহী শ্ৰীশ্ৰী ৰঘুনাথ সত্ৰত আজি এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈ ৰ'ল স্থানীয় ৰাইজ। সত্ৰখনৰ সামগ্ৰিক উন্নয়ন, সংৰক্ষণ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ লক্ষ্যৰে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মাই ১ কোটি টকাৰ আৰ্থিক অনুমোদন প্ৰদান কৰাত আজি আনুষ্ঠানিকভাৱে নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে সত্ৰ প্ৰাংগণত অনুষ্ঠিত হয় আধাৰশিলা স্থাপন অনুষ্ঠান আৰু এক বৃহৎ ৰাজহুৱা সভা। আজিৰ এই উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰে ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে। আধাৰশিলা স্থাপনৰ পূৰ্বে সত্ৰ পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজে পৰম্পৰাগত ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ জৰিয়তে এই কাৰ্যসূচীৰ শুভ সূচনা কৰে। সত্ৰখনৰ উন্নয়নে অঞ্চলটোৰ ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক জীৱনত এক নতুন দিশ উন্মোচন কৰিব বুলি আশা প্ৰকাশ কৰে স্থানীয় লোকে। আধাৰশিলা স্থাপনৰ পাছতে অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী অশোক সিংহলে সত্ৰ-নামঘৰৰ ঐতিহ্য, অসমীয়াৰ সাংস্কৃতিক পৰিচয় আৰু ভকতীয়া পৰম্পৰাৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। লগতে তেওঁ ৰাজ্যৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভতো মন্তব্য কৰে। সভাত তেওঁ মিঞা সম্প্ৰদায় সন্দৰ্ভত কঠোৰ ভাষাৰে বক্তব্য আগবঢ়াই হুংকাৰমূলক মন্তব্য কৰে আৰু সত্ৰ-নামঘৰৰ পবিত্ৰতা অক্ষুণ্ণ ৰখাৰ কথা উল্লেখ কৰে। এই প্ৰসংগত কংগ্ৰেছ নেতা গৌৰৱ গগৈকো সত্ৰ নামঘৰত মিঞাৰ প্ৰৱেশ সন্দৰ্ভত সতৰ্কবাণী দিয়া বুলি তেওঁ উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানত মন্ত্ৰী অশোক সিংহলৰ উপৰি ভাৰতীয় জনতা পাৰ্টিৰ জ্যেষ্ঠ নেতাজন শইকীয়া, ঢেকীয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি হেমন্ত ডেকা, গুপ্তেশ্বৰ জিলা পৰিষদৰ সদস্য নিৰ্মল দাস, চিৰাজুলি সত্ৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী ইছমিতা শইকীয়া, সমাজকৰ্মী মহেন্দ্ৰ চান্দক, মিণ্টু শৰ্মা আদিসহ বহুতো ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত বক্তাসকলে শ্ৰীশ্ৰী ৰঘুনাথ সত্ৰৰ ঐতিহাসিক গুৰুত্ব আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এই ধৰ্মীয় স্থাপত্য সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত স্থানীয় ৰাইজৰ বিপুল উপস্থিতিয়ে সভাক এক বৃহৎ জনসমাবেশলৈ ৰূপান্তৰিত কৰে। সত্ৰখনৰ উন্নয়নমূলক কাম সম্পূৰ্ণ হ'লে ধৰ্মীয় পৰ্যটনৰ ক্ষেত্ৰতো অঞ্চলটো উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰা হয়। অনুষ্ঠানৰ অন্তত চিৰাজুলি শ্ৰীশ্ৰী ৰঘুনাথ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি উৎপল শইকীয়া, সম্পাদক টংকেশ্বৰ দাসৰ লগতে অন্যান্য বিষয়ববীয়াসকলে আজিৰ অনুষ্ঠান সফল কৰি তোলাৰ বাবে মন্ত্ৰী, আমন্ত্ৰিত অতিথি, স্থানীয় ৰাইজ আৰু সকলো সহযোগীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

# উত্তৰ লুইত পাৰতো ৬৮ সংখ্যক লখিমন ধৰ্মৰ আৱিৰ্ভাৱ তিথি উদ্‌যাপন

**অসম বাৰ্তা, জিনজিয়া, ৬ ফেব্ৰুৱাৰী ঃ** লখিমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীয় লোকসকলৰ অন্যতম প্ৰধান উৎসৱ হৈছে- 'লখিমন কাৰ্চ্চ' অৰ্থাৎ লখিমন ধৰ্মৰ আৱিৰ্ভাৱ তিথি। প্ৰতিবছৰৰ দৰে এই বছৰৰ ৫ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৬৮ সংখ্যক 'লখিমন কাৰ্চ্চ' উৎসৱ অনুষ্ঠিত কৰাৰ বাবে সমগ্ৰ লখিমন ধৰ্মাৱলম্বী কাৰ্বি অধ্যুষিত গাঁৱে-গাঁৱে দেখিবলৈ পোৱা গৈছে এক উখল-মাখল পৰিৱেশ। ইয়াৰ সমান্তৰালকৈ উত্তৰ লুইত পাৰৰ কেথম দ'ৱান লংৰি আমেইৰ অন্তৰ্গত লখিমপুৰ, অৰুণাচল প্ৰদেশ আৰু বিশ্বনাথ জিলাৰ প্ৰতিখন লখিমন দ'ৱান সমূহতো ধৰ্মীয় ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হয়। উল্লেখ্য যে-মূলতঃ কৃষিপ্ৰধান কাৰ্বি সমাজখনক এক সংস্কাৰমুখী সমাজ প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰে ধৰ্মগুৰু লখন ইংতি হেনচেক দেৱে এক ঐশ্বৰিক গুণৰ অধিকাৰী প্ৰাপ্তি হৈ মাত্ৰ তেৰ বছৰ বয়সত অৰ্থাৎ ১৯৫৯ চনৰ ৫ ফেব্ৰুৱাৰীৰ দিনটোতে কাৰ্বি সমাজত লখিমন ধৰ্মৰ প্ৰতিষ্ঠা কৰিছিল।

# শিলাসাঁকো চোলাধৰা খনিকৰত চুতীয়া যুৱ সন্মিলনৰ উদ্যোগত মাঘী পূৰ্ণিমা আৰু শলিতা লগোৱা অনুষ্ঠান




**অসম বাৰ্তা, নামতি, ৬ ফেব্ৰুৱাৰী ঃ** চুতীয়া যুৱ সন্মিলন, অসমৰ শিলাসাঁকো আঞ্চলিক সমিতিৰ উদ্যোগত, চৰাইদেউ জিলা সমিতিৰ আতিথ্যত, সমগ্ৰ টেঙাপুখুৰী, শিলাসাঁকো আৰু শিমলুগুৰি অঞ্চলবাসীৰ সহযোগত মাঘ মাহৰ পূৰ্ণিমাৰ দিনা প্ৰথম বাৰ্ষিক মাঘী পূৰ্ণিমা আৰু শলিতা লগোৱা অনুষ্ঠান সম্পন্ন হৈ যায়। টেঙাপুখুৰীৰ শিলাসাঁকো চোলাধৰা খনিকৰ গাঁৱত প্ৰয়াত যতীন চিত্ৰকৰ সমন্বয় ক্ষেত্ৰত এদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা মাঘী পূৰ্ণিমা আৰু শলিতা লগোৱা অনুষ্ঠানৰ কাৰ্যসূচীৰ পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে চুতীয়া যুৱ সন্মিলনৰ চৰাইদেউ জিলা সমিতিৰ সভাপতি তুলু শইকীয়া আৰু শিলাসাঁকো আঞ্চলিক সমিতিৰ সভাপতি সনীপ্তকান্তি চিত্ৰকৰে। মুনু চুতীয়া, গোবিন চিত্ৰকৰ আৰু সুৰেশ চিত্ৰকৰে স্মৃতি তপণ কৰাৰ পাছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পাছতে অনুষ্ঠানৰ লগত সংগতি ৰাখি স্থানীয় শিশু, পুৰুষ-মহিলা সকলৰ মাজত বিভিন্ন ধৰণৰ পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহিলা সকলে হাঁহধৰা, ৰছীটনা, সংগীত চকী প্ৰতিযোগিতা আদিত অংশ লৈ আনন্দ লয়। দুপৰীয়ালৈ অনুষ্ঠিত হয় জনগোষ্ঠীয় কলা-কৃষ্টি আৰু স্ব-প্ৰতিভা প্ৰদৰ্শন শীৰ্ষক কাৰ্যসূচী। ইয়াৰ পূৰ্বে চুতীয়া জাতিৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা লোকাচাৰ শলিতা লগোৱা অনুষ্ঠানত অঞ্চলটোৰ জ্যেষ্ঠ সকলে অংশগ্ৰহণ কৰে। লোকবিশ্বাস অনুসৰি শলিতা লগাই চুতীয়া সকলে পূৰ্ব পুৰুষসকলৰ প্ৰতি সেৱা জনাই মৃতকৰ আশীৰ্বাদ বিচাৰে। সেয়ে এই পবিত্ৰ মাংগলিক অনুষ্ঠানত উপৰি পুৰুষৰ আশীৰ্বাদ লৈ বিয়লি সকলোৱে সেৱা জনায়।

# চামগুৰিৰ সৰবৰহী যুৱক ৰিণ্টু বৰাৰ মৃত্যু, অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি ফুকনটোলৰ নিবাসী প্ৰয়াত চন্দ্ৰকান্ত বৰা আৰু মাতৃ জুনু বৰাৰ পুত্ৰ ৰিণ্টু বৰা (৪০)ৰ আজি বিয়লি নিজা বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে বৃহত্তৰ চামগুৰি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। সৰবৰহী যুৱকজন অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত থকাৰ লগতে চামগুৰিৰ সকলো সাংবাদিকৰ সৈতে বৰাই ঘনিষ্ঠতা ৰক্ষা কৰিছিল। দীৰ্ঘদিনৰে কৰা যকৃত আৰু মধুমেহ ৰোগত ভুগি থকা ৰিণ্টু বৰাই অসম চৰকাৰৰজন স্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিচনৰ অস্থায়ী জলমিত্ৰ হিচাপে কৰ্মৰত আছিল। মৃত্যুৰ সময়ত ৰিণ্টু বৰাই মাতৃ, পত্নী আৰু চাৰি বছৰীয়া এটি পুত্ৰ সন্তানৰ লগতে বহু আত্মীয়-স্বজনক ইহ-সংসাৰত এৰি থৈ যায়।

## সম্পাদকীয়

# নতুন চৰকাৰ, পুৰণি সমস্যা; মণিপুৰৰ অগ্নিপৰীক্ষা

**প্ৰা**য় এবছৰৰ ৰাষ্ট্ৰপতি শাসনৰ অন্তত নিৰ্বাচিত চৰকাৰে ক্ষমতা হাতত লোৱাৰ মুহূৰ্তটোতেই মণিপুৰৰ চুৰাচান্দপুৰ জিলাত পুনৰ হিংসাৰ জুই জ্বলি উঠিল। কুকি-জোমি সম্প্ৰদায়ৰ বিধায়কসকলৰ উপমুখ্যমন্ত্ৰী পদসহ নতুন মন্ত্ৰীসভাত অন্তৰ্ভুক্তিয়েই এই সংঘৰ্ষৰ কাৰণ। এই ঘটনাই নতুন চৰকাৰ আৰু ৰাজনৈতিক দলসমূহৰ দৃষ্টিভংগীৰ ওপৰতো গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে।

চৰকাৰী যুক্তিটো আপাতদৃষ্টিত সহজঃ ৰাজ্যিক প্ৰশাসনত সকলো সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব থাকিব লাগে। কুকি-জোমি বিধায়কসকলৰ অংশগ্ৰহণে চৰকাৰখনক অধিক অন্তৰ্ভুক্তিমূলক কৰাৰ লগতে অঞ্চলটোৰ শান্তি প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব বুলি কোৱা হৈছে। কিন্তু ইয়াৰ বিৰোধিতা কৰা যুৱকসকলৰ ক্ষোভও স্পষ্ট। বিগত বছৰত সম্প্ৰদায়টোৰ ওপৰত হোৱা নিৰ্যাতন, হত্যা, ঘৰ-দুৱাৰ আৰু গীৰ্জা ধ্বংসৰ স্মৃতিবোৰ এতিয়াও সজীৱ। এনে পৰিপ্ৰেক্ষিতত নিজৰ প্ৰতিনিধিসকলৰ চৰকাৰত যোগদানক সিহঁতে 'আত্মসমৰ্পণ' বা 'ৰাজনৈতিক সুবিধাবাদ' বুলিহে বিবেচনা কৰিছে। ইয়াৰ ফলত সম্প্ৰদায়টোৰ ভিতৰতে ৰাজনৈতিক নেতৃত্ব আৰু সাধাৰণ জনতা, বিশেষকৈ যুৱক-যুৱতীৰ মাজত বিভাজনৰ ৰেখা স্পষ্ট হৈ পৰিছে।

এই সংঘৰ্ষই সাধাৰণ জনতাৰ মনত ৰাখি কেইটামান মৌলিক প্ৰশ্ন উত্থাপন হৈছে। প্ৰথমতে, ৰাজনৈতিক সমাধানেইনে শান্তিৰ একমাত্ৰ উপায় নেকি? দ্বিতীয়তে, নতুন চৰকাৰে এই গুৰুত্বপূৰ্ণ প্ৰশ্নটোৰ উত্তৰ কিমান দূৰলৈ বিচাৰিছে যে, ক্ষমতাৰ ভাগ-বতৰা আৰু ৰাজনৈতিক অংশগ্ৰহণৰ বিপৰীতে প্ৰকৃত ন্যায়, ক্ষতিপূৰণ আৰু পুনৰ্স্থাপনৰ প্ৰশ্নটো কেনেকৈ সমাধান কৰিব? যিসকলৰ ঘৰ-বাৰী নাই, আত্মীয়-স্বজন হেৰুৱাইছে, তেওঁলোকৰ বাবে ৰাজনৈতিক পদবীৰ অৰ্থ কি? তৃতীয়তে, নিৰাপত্তা বাহিনীৰ ভূমিকা সম্পৰ্কেও প্ৰশ্ন হৈছে। শিলগুটি আৰু কন্দুৱা গেছৰ সংঘাতৰ বৃত্তটো ভাঙিবলৈ ৰাজনৈতিক সংলাপৰ কোনো সক্ৰিয় প্ৰক্ৰিয়া আৰম্ভ হ'ব নেকি?

চুৰাচান্দপুৰৰ এই ঘটনাই প্ৰমাণ কৰিলে যে, মণিপুৰৰ ঘা কেৱল পট পৰিবৰ্তনত শুকাব নোৱাৰে। ৰাজ্যখনৰ সংকট হৈছে ঐতিহাসিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু আৰ্থ-সামাজিক সমস্যাৰ এক জটিল আৱৰণ। ইয়াৰ চিকিৎসা হ'ব লাগিব গভীৰ, বহুমুখী আৰু দীৰ্ঘম্যাদী। নতুন চৰকাৰৰ বাবে এয়েই হ'ব প্ৰথম আৰু আটাইতকৈ ডাঙৰ পৰীক্ষা। ৰাজনৈতিক সুবিধাৰ ঊৰ্ধ্বত উঠি ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালৰ লৈ পোনপটীয়াকৈ সম্পৰ্ক স্থাপন, পুনৰ্স্থাপনৰ প্ৰক্ৰিয়াক গতিশীল কৰা আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ-সকলো পক্ষক সামৰি এখন নিৰপেক্ষ আৰু মানৱিক সংলাপৰ মেজ স্থাপন কৰাটো হ'ব লাগিব ইয়াৰ প্ৰাথমিক পদক্ষেপ।

মণিপুৰক কেৱল শাসন কৰিবলৈ নহয়, বুজিবলৈ আৰু ভালপাবলৈও প্ৰয়োজন। নতুন দিল্লীৰ ৰাজনীতিৰ দাবীৰ লগত মণিপুৰৰ মাটিৰ বেদনাৰ যদি সংঘাত হয়, তেন্তে অশান্তিৰ এই চক্ৰ কেতিয়াও সমাপ্ত নহ'ব। চুৰাচান্দপুৰৰ ধোঁৱাই ইংগিত দিয়ে— মণিপুৰৰ জুই নুমাবলৈ ৰাজনৈতিক কূটতা নহয়, প্ৰয়োজন ন্যায় আৰু সহানুভূতিৰ ওপৰত স্থাপন কৰা সাহসী আৰু স্পষ্ট মনোবৃত্তিৰ। নতুন চৰকাৰৰ সফলতা জুখিব ৰাজনৈতিক মঞ্চত থকা সদস্যৰ সংখ্যাৰে নহয়, ৰাজ্যৰ প্ৰতিখন গাঁৱত থকা শান্তি আৰু বিশ্বাসৰ সুৰভিৰে। সময় অতি কম, প্ৰত্যাশা অতি বহু।

---

অসমৰ ইতিহাসৰ পটভূমিত চিলাৰায়ৰ স্থান বিচাৰ কৰিবলৈ গলে আমি দেখোঁ যে তেওঁ আছিল অসমীয়া জাতীয়তাবাদৰ এক আদিম আৰু শক্তিশালী স্বৰূপৰ নিৰ্মাতা। তেওঁ বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি এখন শক্তিশালী আৰু সংহত ৰাজ্য গঢ়ি তুলিছিল। তেওঁৰ বিশাল সেনাবাহিনীত কেৱল কোঁচ সৈন্যই নাছিল, বৰঞ্চ কছাৰী, মেচ, ৰাজবংশী, গাৰো, ভূটীয়া আদি বিভিন্ন জনগোষ্ঠীয় লোকৰ অভূতপূৰ্ব সন্মিলন ঘটিছিল। তেওঁ যোগ্যতাৰ ভিত্তিত সকলোকে সমানে মৰ্যাদা দিছিল আৰু ইয়াৰ জৰিয়তে তেওঁ সামাজিক সংহতিৰ এক শক্তিশালী বাৰ্তা দিছিল। আজিৰ সময়ত যেতিয়া আমি বৰ অসমৰ কথা কওঁ বা বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় আৰু সম্প্ৰীতিৰ কথা কওঁ, তেতিয়া চিলাৰায়ৰ আদৰ্শ আমাৰ বাবে ধ্ৰুৱতৰা সদৃশ হৈ পৰে।

# ভক্তি আৰু সমন্বয়ৰ মহামিলন

# জ্যোতি- বিষ্ণু ক্ষেত্ৰ

**অ**সমীয়া জাতিৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ মেৰুদণ্ড স্বৰূপ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিবেশন আজিৰে পৰা আৰম্ভ হৈছে। ইতিমধ্যে অসমৰ বিভিন্ন স্থানৰ পৰা ভকত-বৈষ্ণৱৰ আগমণ ঘটিছে। সঙ্ঘৰ তেজপুৰ জিলা শাখাৰ আতিথ্যত অনুষ্ঠিত হোৱা এই অধিবেশনৰ স্থান জামুগুৰিহাটৰ ধলাইবিল- চৈবাৰীৰ 'জ্যোতি বিষ্ণু সমন্বয় ক্ষেত্ৰ' এতিয়া কেৱল এটা ভৌগোলিক পৰিসীমা হৈ থকা নাই। ই পৰিণত হৈছে ভক্তি, প্ৰেম আৰু সমন্বয়ৰ এক মহামিলনৰ মহান তীৰ্থলৈ। আজি ৬ ফেব্ৰুৱাৰীৰ পৰা অহা ৮ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা এই অধিবেশনে ধৰ্মীয় ৰীতি-নীতিৰ উপৰিও একতাৰ এক শক্তিশালী বাৰ্তাৰে সমগ্ৰ অসমক একজোট কৰাৰ প্ৰয়াস কৰিছে।

নিশ্চিত ভাৱেই এই অধিবেশনে একবিংশ শতিকাৰ প্ৰেক্ষাপটত মহাপুৰুষীয়া আদৰ্শক বিশ্ব দৰবাৰত সৱলভাৱে প্ৰতিষ্ঠা কৰাৰ সংকল্প বহন কৰিছে। অসমীয়া সমাজ-জীৱনৰ সৰ্ববৃহৎ ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠানটোৰ এই অধিবেশনক কেন্দ্ৰ কৰি মহাপুৰুষীয়া ধৰ্মৰ উদাৰ আদৰ্শ আৰু গুৰুজনাৰ একশৰণ নামধৰ্মৰ অমৃতসুধা পান কৰিবলৈ ৰাজ্যৰ সকলো ঠাইৰে পৰা আহি সমবেত হোৱা লক্ষাধিক ভকত-বৈষ্ণৱৰ মনত এতিয়া এক অভূতপূৰ্ব উছাহ-উদ্দীপনা আৰু গভীৰ ভক্তিৰ লহৰ উঠিছে। বিগত দুমাহ ধৰি শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা শ্ৰমদান কৰিবলৈ অহা ভকত বৈষ্ণৱ সকলৰ অফুৰন্ত উচাহ- উদ্দীপনাই জীপাল কৰি ৰাখিছে জ্যোতি বিষ্ণু সমন্বয় ক্ষেত্ৰৰ অধিবেশন স্থলি। জামুগুৰিহাট বাসীয়ে পৰম সৌভাগ্য লাভ কৰিছে সমগ্ৰ অসমৰ ভকত- বৈষ্ণৱ, বাপ- আই সকলক সেৱা ধৰি- পদধূলা মুৰত লৈ পুণ্যৰ ফল আৰ্জিবলৈ।

অধিবেশন উপলক্ষে তিনিদিনীয়া কাৰ্যসূচীৰ আজি প্ৰথম দিনা অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচী সমূহ হ'ল - পুৱা ৫ বজাত- পৰিবেশ নিকাকৰণ, ৫-৩০ বজাত -প্ৰাতঃপ্ৰসঙ্গ, ৭ বজাত নামপ্ৰসঙ্গ, ৮ বজাত- গছপুলি ৰোপণ, ৮-৩০ বজাত- কেন্দ্ৰীয় সেৱা বাহিনীৰ শিবিৰৰ তোৰণ উন্মোচন, ৯ বজাত- মূল তোৰণ উন্মোচন, ৯-১৫ বজাত-নামঘৰৰ তোৰণ উন্মোচন, ৯-৩০ বজাত প্ৰতিনিধি সভাকক্ষৰ তোৰণ উন্মোচন, ৯-৪০ বজাত শৰণ সমিতিৰ বৈঠক আৰম্ভ, ৯-৪৫ বজাত- মূল সমিতি আৰু আদৰণি সমিতিৰ কাৰ্যালয় উন্মোচন, ১০ বজাত- উপশমিতি সমূহৰ কাৰ্যালয় উন্মোচন, ১০-১৫ বজাত- গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন, ১০-২০ বজাত সাংস্কৃতিক প্ৰেক্ষাগৃহ উন্মোচন, ১০-২৫ বজাত- বিশেষ প্ৰতিনিধি শিবিৰৰ তোৰণ উন্মোচন, ১০-৩০ বজাত- মূল মণ্ডপ আৰু মঞ্চৰ তোৰণ উন্মোচন, ১১ বজাত মূল কাৰ্যনিৰ্বাহক সভা, ১১-৩০ বজাত- পতাকা বেদিৰ তোৰণ উন্মোচন, ১২ বজাত- চিকিৎসা সেৱা শিবিৰ উন্মোচন, দিনৰ ১২-৩০ বজাত- গ্ৰন্থ উন্মোচনী সভা, বিয়লি ১-৩০ বজাত-প্ৰচাৰ শাখা সমিতিৰ সভা, বিয়লি ২-৩০ বজাত-শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ থ্ৰিফট এণ্ড ক্ৰেডিট কো: অপাৰেটিভ চ'ছাইটি লিমিটেডৰ সভা, ৩-৩০ বজাত শিক্ষা সমিতিৰ সভা, ৪-৩০ বজাত গণ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ৫-৩০ বজাত- কেন্দ্ৰীয় সেৱা বাহিনীৰ সাধাৰণ সভা, ৫-৪৫ বজাত- নাট ঘৰ উন্মোচন আৰু ৬ বজাত- অঙ্কীয়া নাট প্ৰদৰ্শন কৰা হব। আনফালে ৬-৩০ বজাত- বাৰেৰহনীয়া সাংস্কৃতিক সমাৰোহ আৰু নিশা ৭ বজাত- কেন্দ্ৰীয় শিশু, আই মাতৃ কল্যাণ শাখা সমিতিৰ সাধাৰণ পৰিষদৰ সভা অনুষ্ঠিত হ'ব।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱ গুৰু দুজনাৰ দ্বাৰা প্ৰৱৰ্তিত 'এক শৰণ হৰিনাম ধৰ্ম' কেৱল এটি ধৰ্মীয় বিশ্বাসেই নহয়, ই আছিল এক বৃহৎ সামাজিক বিপ্লৱ। যি সময়ত সমাজত অস্পৃশ্যতা, কুসংস্কাৰ আৰু বলি-বিধানৰ দৰে অমানৱীয় প্ৰথাৰ প্ৰচলন আছিল, সেই সময়ত গুৰু দুজনাই 'একদেৱ, একসেৱ, এক বিনে নাই কেৱ'- এই মূল মন্ত্ৰৰে সমাজৰ প্ৰতিটো স্তৰৰ মানুহক একত্ৰিত কৰিছিল। এই ধৰ্মৰ মূল মন্ত্ৰই হ'ল- এক মাত্ৰ পৰমেশ্বৰ শ্ৰীকৃষ্ণৰ চৰণত শৰণ লোৱা আৰু নাম-কীৰ্তনৰ জৰিয়তে মুক্তিৰ পথ বিচাৰি উলিওৱা। ইয়াত কোনো জটিল ধৰ্মীয় ক্ৰিয়াকাণ্ড বা আড়ম্বৰৰ স্থান নাই, আছে কেৱল ভক্তিৰ সৰলতা। মহাপুৰুষ মাধৱদেৱ গুৰুজনাই তেওঁৰ কালজয়ী সৃষ্টি 'নামঘোষা'ত যি ভক্তিৰ ৰস বিলাই দিছিল, সেয়া আছিল গুৰুজনা শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা, অংকীয়া নাট আৰু বৰগীত আদিৰ জৰিয়তে প্ৰচাৰিত একশৰণ নামধৰ্মীয় দৰ্শনৰেই এক শক্তিশালী পৰিপূৰক আৰু সুদৃঢ় ৰূপ। এই এক শৰণ ধৰ্মৰ বাৰ্তাই সমাজৰ অতি নিম্ন বৰ্গৰ মানুহজনকো আঁকোৱালি লৈ এক আধ্যাত্মিক সাম্যবাদৰ ভেটি গঢ়িছিল, যাৰ প্ৰাসংগিকতা আজিৰ আধুনিকতাই আবৰি ধৰা যান্ত্ৰিক যুগত অধিক বৃদ্ধি পাইছে।



মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ গুৰু দুজনাৰ আদৰ্শৰ আলোকেৰে অসমৰ সমাজ জীৱনক সু-সংগঠিত কৰি একত্ৰিত কৰাৰ মানসেৰে কিছুসংখ্যক উদাৰচিতীয়া, দুৰদৰ্শী, মহান বৈষ্ণৱ প্ৰাণ ভকতে ১৯৩০ চনত প্ৰতিষ্ঠা কৰা শঙ্কৰদেৱ সঙ্ঘই সম্প্ৰতি ফলে-ফুলে জাতিস্কাৰ হৈ এক বৃহৎ বটবৃক্ষ হিচাপে তাৰ সুগন্ধি বিশ্বৰ চৌদিশে বিয়পাবলৈ সক্ষম হৈছে। জন্মলগ্নৰে পৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই অসমৰ চাৰিসীমাৰ ভিতৰতে আৱদ্ধ নাথাকি বিশ্বৰ চৌদিশে গুৰুজনাৰ পবিত্ৰ ধৰ্মীয় দৰ্শন বিয়পাবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। সঙ্ঘই উপলব্ধি কৰিছে যে-শঙ্কৰদেৱ কেৱল অসমীয়াৰে নহয়, তেওঁ হ'ল বিশ্বগুৰু। গুৰুজনাৰ দৰ্শনত থকা উদাৰ মানৱতাবাদ, পৰিৱেশ সংৰক্ষণৰ চেতনা আৰু সৰ্বজীৱতে ঈশ্বৰ দৰ্শনৰ যি মহান বাণী, সেয়া বৰ্তমানৰ অশান্ত পৃথিৱীখনৰ বাবে মহৌষধ স্বৰূপ। সঙ্ঘই বিভিন্ন গৱেষণা কেন্দ্ৰ, ভাষা প্ৰসাৰ সমিতি আৰু সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ জৰিয়তে বিদেশৰ শৈক্ষিক সমাজকো আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। সঙ্ঘৰ প্ৰচেষ্টাত আজি বিশ্বৰ বিভিন্ন প্ৰান্তৰ গৱেষক আৰু পণ্ডিত সকলে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাট, গীত আৰু দৰ্শনৰ ওপৰত চৰ্চা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। সঙ্ঘই বিভিন্ন দেশৰ শৈক্ষিক সমাজৰ সৈতে যোগাযোগ স্থাপন কৰি আৰু গুৰুজনাৰ সাহিত্যসমূহ বিভিন্ন ভাষালৈ অনুবাদ কৰি অসমৰ এই অমূল্য সম্পদক বিশ্বজনীন কৰি তুলিবলৈও সক্ষম হৈছে।

জ্যোতি- বিষ্ণু সমন্বয় ক্ষেত্ৰত আজিৰে পৰা আৰম্ভ হোৱা ৯৫ সংখ্যক এই বাৰ্ষিক অধিবেশনে অভূতপূৰ্ব ভাৱে সফলতা লাভ কৰিবলৈ সক্ষম হব বুলি আশা কৰা হৈছে। ইয়াৰ মূল আধাৰ হ'ল-জাতি ধৰ্ম নিৰ্বিশেষে সততাৰে আগবাঢ়ি অহা জামুগুৰিহাটকে কেন্দ্ৰ কৰি শোণিতপুৰ জিলাৰ ৰাইজ- আই সকল আৰু অভ্যৰ্থনা সমিতিৰ শলাগিবলগীয়া ত্যাগ আৰু পৰিশ্ৰম। ৫ লাখ ভকতৰ আশ্ৰয়ৰ বাবে নিৰ্মাণ কৰা ১৭০টা সুসজ্জিত শিবিৰৰ পৰা আৰম্ভ কৰি বিশাল ভোজনালয়লৈকে- সকলোতে এক অভূতপূৰ্ব শৃংখলাবদ্ধতা দেখা গৈছে। ৫০০ ফুট দৈৰ্ঘ্য আৰু ৩২০ ফুট প্ৰস্থৰ বিশাল ভোজনালয় খনত একেলগে ১২, ০০০ ভকতে বহি সিদ্ধ প্ৰসাদ গ্ৰহণ কৰিব পৰা ব্যৱস্থাটোৱে আধুনিক ব্যৱস্থাপনা কৌশলকো চেৰ পেলাইছে। আনহাতে ৩০৪টা চৌকাত ৰন্ধন কাৰ্য চলাবৰ বাবে সলনা সলনিকৈ ৩ হাজাৰ ৰান্ধনীয়ে সেৱা আগবঢ়াব লগতে প্ৰতিদিনাই দহ হাজাৰ সেৱক-সেৱিকাই কৰ্তব্য পালন কৰিব। বিশেষকৈ স্বাস্থ্য আৰু অনাময়ৰ দিশত গুৰুত্ব দি নিৰ্মাণ কৰা ১৫০০ স্নানাগাৰ, ১৫০০ শৌচালয় আৰু ১৫০০ দমকলৰ ব্যৱস্থাই সঙ্ঘৰ উন্নত জীৱন শৈলীৰ পৰিচয় দিছে। পতাকা উত্তোলনৰ বাবে নিৰ্মাণ কৰা ১২০ ফুট দৈৰ্ঘ্যৰ পানীৰ মাজত ভাঁহি থকা এখন নাৱৰ ওপৰত নিৰ্মাণ কৰা ধৰ্মধ্বজা উত্তোলনৰ সুন্দৰ বেদিটোৱে অসমৰ নদী আৰু নৌ-সংস্কৃতিৰ লগতে কলা-কৌশলক বিশ্বৰ দৰবাৰত গৌৰৱেৰে দাঙি ধৰিবলৈ চেষ্টা কৰিছে। ৩২০ ফুট দীঘল আৰু ১২০ ফুট বহলৰ বিশাল সভাগৃহ, সভাগৃহৰ সন্মুখত মথুৰা পাগৰ আৰ্হিত নিৰ্মাণ কৰা তোৰণে সমগ্ৰ পৰিবেশটো গহীন কৰি তুলিছে। আহল বহলকৈ কেইবাহাজাৰো ভকত বহিব পৰা সুবিধাৰে নিৰ্মাণ কৰা আটক ধুনীয়া অস্থায়ী নামঘৰটিত যোৱা ১৮ জানুৱাৰীত গুৰু আসন ভাগ প্ৰতিষ্ঠা কৰাৰ পিছৰ পৰাই নিতৌ চলি থকা নাম প্ৰসঙ্গত সমগ্ৰ অধিবেশন স্থলি ভক্তি ৰসেৰে মূৰ্ত হৈ পৰিছে।

### নলিনী ৰঞ্জন ভূঞা

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অধিবেশন মানেই হ'ল- জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে একতাৰ এক শক্তিশালী মঞ্চ। ইয়াত সমাজৰ বিভিন্ন স্তৰৰ মানুহ- জনজাতীয়, অজনজাতীয়, ধনী-দুখীয়াৰ কোনো ভেদভাৱ নাথাকে। ইয়াত উপস্থিত হোৱা প্ৰতিজন লোকেই হ'ল 'হৰিভকত'। ইজনে সিজনক সন্মোধন ধৰে বাপ অথবা আই গৰাকী। আনহাতে সমস্তকে একে লগে কোৱা হয় বাপ সমস্ত অথবা আই সমস্ত। সকলোৱে একেটা নামঘৰতে বহি হৰিনাম লোৱা আৰু একেখন ভোজনালয়তে আহাৰ গ্ৰহণ কৰা দৃশ্যই অসমীয়া সমাজৰ সামাজিক বান্ধোন অধিক দৃঢ় কৰে। বৰ্তমানৰ বিভাজনমুখী সময়ত এই অধিবেশনে সমন্বয়ৰ যি বাৰ্তা প্ৰেৰণ কৰিব, সেয়া এখন সুস্থ আৰু সবল অসম গঢ়াৰ বাবে অপৰিহাৰ্য। অধিবেশনত বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ সক্ৰিয় অংশগ্ৰহণে গুৰুজনাৰ 'সৰ্ব ধৰ্ম সমভাৱ'ৰ আদৰ্শক নিশ্চিত ভাৱে বাস্তৱ ৰূপ দিবলৈ সক্ষম হ'ব।

অধিবেশনৰ লগত সংগতি ৰাখি প্ৰকাশ হ'বলগীয়া স্মৰণিকা আৰু গ্ৰন্থৰাজিয়ে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ উপৰি নৱ-প্ৰজন্মৰ বাবে এক শৈক্ষিক বাতাবৰণৰ সৃষ্টি কৰিব। গুৰুজনাৰ দৰ্শনক লৈ পণ্ডিতসকলৰ মাজত হোৱা চৰ্চা আৰু গৱেষণামূলক আলোচনা সমূহে উঠি অহা প্ৰজন্মক প্ৰকৃত জীৱনবোধৰ জ্ঞান দিয়াৰ লগতে যুৱ সমাজক বিপথে যোৱাৰ পৰা ৰক্ষা কৰি সমাজৰ প্ৰতি দায়বদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰিব। প্ৰতিষ্ঠা কালৰ পৰাই সঙ্ঘই নীৰৱচ্ছিন্নভাৱে গ্ৰন্থ অধ্যয়ন আৰু সাহিত্য চৰ্চাৰ যি পৰিৱেশ গঢ়ি তুলিছে সি জাতিৰ বৌদ্ধিক বিকাশৰ বাবে এক আশীৰ্বাদ হিচাপে পৰিগণিত হৈছে। গুৰুজনাই কৈছিল— 'সমস্ত ভূতেক দেখিবা বিষ্ণু বুদ্ধি। তেবেহে হৈবেক তযু চিত্ত শুদ্ধি।' (পাষণ্ড মৰ্দন-১৮৭)। কীৰ্তন ঘোষাৰ এই পদ ফাকিৰ আলম লৈয়ে হয়তো সঙ্ঘই অসমৰ প্ৰতিটো জনগোষ্ঠীক একত্ৰিত কৰাৰ কাম কৰিছে। অধিবেশনৰ মজিয়াত বিভিন্ন জনজাতীয় লোকসকলৰ গায়ন-বায়ন আৰু সাংস্কৃতিক অংশগ্ৰহণে সমন্বয়ৰ এক অপূৰ্ব পৰিৱেশ সৃষ্টি কৰে। বৰ্তমানৰ নৱ-প্ৰজন্মৰ দ্বাৰা গঠিত সেৱা বাহিনীয়ে যেতিয়া ধুতি-চেলেং চাদৰ পৰিধান কৰি অধিবেশনৰ সকলো দিশৰ কামত ব্যস্ত হৈ থাকে, তাৰ দ্বাৰাই প্ৰমাণ হয় যে-মহাপুৰুষীয়া সংস্কৃতিৰ উত্তৰাধিকাৰী সকল এই ধৰ্মীয় নীতিৰ প্ৰতি অতিকৈ আকৃষ্ট। সঙ্ঘৰ এনে প্ৰচেষ্টাই যুৱ প্ৰজন্মক পাশ্চাত্য সংস্কৃতিৰ অন্ধ অনুকৰণৰ পৰা আঁতৰাই ৰাখি নিজৰ শিপাৰ সৈতে পৰিচয় কৰি দিয়াত স্বাভাৱিকতে সফলকাম হৈছে।

পৰিশেষত ক'ব পাৰি যে-৯৫ সংখ্যক এই বাৰ্ষিক অধিবেশনে জামুগুৰিহাটৰ ভূমি- জ্যোতি বিষ্ণু সমন্বয় ক্ষেত্ৰত যি ভক্তিৰ অমিয়া ধাৰা বোৱাব, তাৰ প্ৰতিটো টোপালে সমগ্ৰ অসমীয়া সমাজক সঞ্জীৱনী প্ৰদান কৰিব। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বিশ্বজনীন ভাতৃত্ববোধৰ যি মহৎ লক্ষ্য আগত ৰাখি কাম কৰি আছে, তাৰ এক সফল প্ৰতিফলন ঘটিব এই 'জ্যোতি বিষ্ণু সমন্বয় ক্ষেত্ৰ'ত। ভক্তিৰ সাগৰত বিলীন হোৱা ভক্তপ্ৰাণ ৰাইজৰ সমাগমে এই স্থানৰ পৰাই সমগ্ৰ পৃথিৱীকে এটা বাৰ্তাই দিব বিচাৰিছে যে- শান্তি আৰু মুক্তিৰ একমাত্ৰ পথ হ'ল মানৱ প্ৰেম আৰু ঈশ্বৰ ভক্তি। এই পবিত্ৰ মহোৎসৱৰ জৰিয়তে প্ৰতিজন অসমীয়াৰ মনত একতা আৰু শান্তিৰ বীজ অংকুৰিত হওক, অনাগত দিনত অসমীয়া সমাজখনক অধিক ফলপ্ৰসূ আৰু শক্তিশালী কৰি তোলক আৰু গুৰুজনাৰ জয়ধ্বনিৰে বিশ্বৰ আকাশ-বতাহ মুখৰিত হওক— তাৰেই আন্তৰিক কামনা কৰিলোঁ। লগতে গুৰুজনাৰ চৰণত প্ৰণিপাত জনাই, আমি এই অধিবেশনৰ সৰ্বাংগীণ সফলতা কামনা কৰিছোঁ।

---

# শিক্ষাৰ ৰূপান্তৰিত অসম ঃ নৱ চিন্তাধাৰা আৰু আগন্তুক দায়িত্ব

### আবু ছোফিয়ান বেগ

**শি**ক্ষা মানব জাতিৰ সামাজিক আৰু সাংস্কৃতিক বিকাশৰ মূল আধাৰ। পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খুৱাই বৰ্তমান আমাৰ অসমৰ শিক্ষাক্ষেত্ৰত যি ৰূপান্তৰৰ সূচনা হৈছে, সেয়া কেৱল পাঠ্যসূচীৰ মাজত আবদ্ধ নহৈ সমাজৰ সামগ্ৰিক উন্নয়নৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছে। নতুন চিন্তাধাৰা, নীতি-নিৰ্ধাৰণ আৰু প্ৰযুক্তিগত অগ্ৰগতিৰ সংমিশ্ৰণে শিক্ষাক এক নতুন দিশলৈ আগুৱাই নিছে। এই পৰিৱৰ্তনৰ কেন্দ্ৰত আছে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি -২০২০ (NEP), যাৰ প্ৰভাৱ অসমতো স্পষ্টভাৱে পৰিলক্ষিত হৈছে। নতুন শিক্ষানীতিয়ে শিক্ষাৰ ভিত্তিগত গাঁথনিত পৰিৱৰ্তন আনিছে। বহুভাষিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মাতৃভাষাৰ মাধ্যমত শিক্ষাৰ সুযোগ বৃদ্ধিৰ প্ৰচেষ্টাই বিশেষ তাৎপৰ্য বহন কৰে, কিয়নো ভাষাগত বৈচিত্ৰ্যৰে সমৃদ্ধ অসমত এই পদক্ষেপে শিক্ষাৰ্থীৰ শিকণ প্ৰক্ৰিয়াক অধিক সহজ আৰু স্বাভাৱিক কৰি তুলিছে। একেদৰে, ডিজিটেল শিক্ষাৰ বিস্তাৰে অসমৰ শিক্ষাক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা কৰিছে। চৰকাৰী বিদ্যালয়সমূহত স্মাৰ্ট ক্লাছৰ ব্যৱস্থা, অনলাইন পাঠদান, ডিজিটেল শিক্ষা সামগ্ৰী আৰু শিক্ষকসকলৰ প্ৰযুক্তিগত প্ৰশিক্ষণে শিক্ষাৰ মানদণ্ড উন্নীত কৰাত সহায় কৰিছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুৰ্গম অঞ্চল আৰু পাহাৰীয়া এলেকাত ডিজিটেল শিক্ষাই জ্ঞানৰ দ্ৰুত প্ৰৱেশ নিশ্চিত কৰাৰ নতুন দুৱাৰ মুকলি কৰিছে। তথাপি, অসমৰ শিক্ষাক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল গ্ৰাম্য শিক্ষাৰ উন্নয়ন। ৰাজ্যখনৰ বৃহৎ অংশৰ জনসংখ্যা আজিও গ্ৰামাঞ্চলত বাস কৰে। এনে পৰিপ্ৰেক্ষিতত বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, শিক্ষক নিযুক্তি, ডিজিটেল সুবিধা প্ৰদান আৰু ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ উপস্থিতি নিশ্চিত কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। বৰ্তমান চৰকাৰ আৰু বিভিন্ন সামাজিক সংগঠনৰ প্ৰচেষ্টাত বহু গ্ৰাম্য বিদ্যালয়ত শৈক্ষিক পৰিৱেশ উন্নত হ'বলৈ আৰম্ভ কৰিছে, যিটো নিঃসন্দেহে এক ইতিবাচক সংকেত। অসমৰ শিক্ষাৰ পৰিৱৰ্তনত শিক্ষকৰ ভূমিকাও নতুন ৰূপত আত্মপ্ৰকাশ কৰিছে। শিক্ষক এতিয়া কেৱল পাঠ্যসূচী সম্পন্ন কৰা ব্যক্তি নহয়; তেওঁলোক ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশ, নৈতিক শিক্ষাৰ প্ৰসাৰ আৰু সমাজমুখী মূল্যবোধ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। একে সময়তে অভিভাৱক আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণেও শিক্ষাৰ গুণগত মান উন্নত কৰাত সহায় কৰিছে। অৱশ্যে, এই ইতিবাচক পৰিৱৰ্তনৰ মাজতো কিছুমান বাস্তৱ সমস্যাক অস্বীকাৰ কৰিব নোৱাৰি। ডিজিটেল বৈষম্য, বানপীড়িত আৰু দুৰ্গম অঞ্চলত শিক্ষাৰ ধাৰাবাহিকতা ৰক্ষা কৰা, আৰু শিক্ষাৰ গুণগত মান সমানভাৱে নিশ্চিত কৰাটো আজিও এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। এইবোৰ সমস্যাৰ সমাধানৰ বাবে নীতি-নিৰ্ধাৰণৰ সৈতে সমাজৰ সমন্বিত দায়িত্ববোধ অতি প্ৰয়োজনীয়। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, নতুন শিক্ষানীতিৰ বাস্তৱায়ন, ডিজিটেল শিক্ষাৰ বিস্তাৰ আৰু গ্ৰাম্য শিক্ষাৰ উন্নয়নে মিলি অসমত শিক্ষাক্ষেত্ৰত এক আশাব্যঞ্জক পৰিৱেশ সৃষ্টি কৰিছে। এই ইতিবাচক ধাৰা অব্যাহত ৰাখিব পাৰিলে শিক্ষা অসমৰ সামাজিক-আৰ্থিক উন্নয়নৰ প্ৰধান চালিকা শক্তি হিচাপে অধিক দৃঢ়ভাৱে প্ৰতিষ্ঠিত হ'ব।

*হোজাই, লংকা*

---

# সাঁথৰ ভাঙিব পৰা জনহে ৰাজনীতিত সফল হয়

### কমলেশ কাঞ্চন

**সাঁ**থৰ ভাঙিব পৰা জনহে ৰাজনীতিত সফল হয়। ৰাজনীতিৰ আটাইতকৈ জনপ্ৰিয় বাক্য শাৰীয়ে হৈছে- ৰাজনীতিত সকলো সম্ভৱ। ৰাজনীতিত নেতিবাচক কথাৰ কোনো গুৰুত্ব নাই। ইয়াত সদায় হয় আৰু হ'ব! আহি আছে বিধানসভা নিৰ্বাচন। ইতিমধ্যে ৰাজনীতিৰ ৰথী- মহাৰথীয়ে নিৰ্বাচনৰ বাবে সাজু হৈছে। এই সময়ত বহুতেই নক'ব লগীয়া কথা ক'ব, বহুতেই মিঠা মিঠা কথাৰে ভোটাৰৰ মন জয় কৰিব। কোনেও কাৰো ইতিহাস বা চাৰিত্ৰিক বৈশিষ্ট্য বিচাৰি গুগলত চাৰ্চ কৰাৰ প্ৰয়োজন নাই; সকলো স্বাভাৱিকভাৱে অসমীয়া ৰাইজৰ আগত স্পষ্ট হ'ব। কোনে কাক কিমান হেয় প্ৰতিপন্ন কৰিব পাৰে তাৰ এখন অঘোষিত প্ৰতিযোগিতা চলিব। কেতিয়াবা শব্দ শেলে হৃদয়ত আঘাত কৰিব আৰু নিৰ্বাচন আয়োগত গোচৰ তৰিব। নিৰ্বাচন আয়োগে সকলো বিবেচনা কৰি লঘু শাস্তি প্ৰদান কৰিব। শাস্তি ভোগ কৰি পুনৰ ন-উদ্যমেৰে নিৰ্বাচনী ৰণত জঁপিয়াই পৰিব ৰথী- মহাৰথী। ইতিমধ্যে সমগ্ৰ অসমতে বিজেপি দলে নিৰ্বাচনী ৰণশিঙা বজাইছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এমাহৰ ভিতৰত দুবাৰকৈ অসমলৈ আহিছে আৰু নতুন নতুন প্ৰকল্প উদ্বোধন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰায় প্ৰত্যেক দিনে মহিলা উদ্যোমিতা আঁচনিৰ ধন অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিলাই আছে। প্ৰত্যেকখন সভাতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মহিলা উদ্যোমিতা আঁচনিৰ ধন ল'বলৈ অহা আত্মসহায়ক গোটৰ সদস্যা সকলৰ সৈতে এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক গঢ়ি তোলা পৰিলক্ষিত হৈছে। হাজাৰ হাজাৰ মহিলাৰ মাজত চেক বিতৰণ কৰি জনসাধাৰণৰ ওচৰ চাপিবলৈ সক্ষম হৈছে অসমৰ মুখ্যমন্ত্ৰী।

মুখ্যমন্ত্ৰীয়ে ৰাইজৰ ওচৰলৈ যোৱাৰ বাবে যি প্ৰচেষ্টা চলাইছে সেই দিশত সম্পূৰ্ণ সফল হৈছে; কিন্তু বিৰোধী শিবিৰে এতিয়াও নীতি নিৰ্ধাৰণ কৰিবলৈ সক্ষম হোৱা নাই। কথাৰ অৰ্থ বুজিবলৈয়ো বিৰোধী দল অক্ষম যেন বোধ হয়। কোনে কি প্ৰসঙ্গত কথা কৈছে ৰাজনৈতিক নেতাই কথাবোৰ গভীৰভাৱে অধ্যয়ন কৰিব লাগে। বিৰোধী দলে আক্ৰমণ কৰাৰ সুবিধা কেতিয়াও দিব নালাগে। বৰ্তমান বিৰোধী শিবিৰত এদিন আগত দলত যোগদান কৰি দুদিন পিছত দলত্যাগ কৰাও পৰিলক্ষিত হৈছে। কেতিয়াবা যদি মিত্ৰতাৰ কথা কয়, কেতিয়াবা আকৌ গুপ্ত আলোচনাৰ সকলো কথা ৰাইজৰ আগত ব্যক্ত কৰে। ৰাজনীতিত সকলো প্ৰশ্নৰ উত্তৰ মেডিয়াৰ আগত ব্যক্ত কৰিলে হিতে বিপৰীত হোৱাৰ সম্ভাৱনাই বেছি। বিৰোধী দলৰ একাংশই কুৰুক্ষেত্ৰৰ ৰণৰ লেখীয়াকৈ যুদ্ধৰ আগতে শক্তি বৃদ্ধিৰ বাবে যো-জা চলোৱা দেখা গৈছে। যিটো তেওঁলোকৰ দলৰ বাবে শুভ লক্ষণ। শক্তি অবিহনে যুদ্ধ অনৰ্থক। বৰ্তমান ৰাজ্যত থকা বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখন নিশ্চিতভাৱে বহুত শক্তিশালী। নিৰ্বাচনৰ ৰণ নীতিৰ ক্ষেত্ৰত তেওঁলোকৰ দল আগবাঢ়ি আছে। আনহাতে এই দলটো অতি শৃংখলাবদ্ধ। তেওঁলোকৰ মাজত বিসংবাদ জাতীয় শব্দ প্ৰায় নাই বুলি ক'ব পাৰি। কোনোবাই টিকট নাপালেও দলৰ বিৰুদ্ধে গৈ নিৰ্বাচন খেলা দৃশ্য বিৰল। সেয়েহে এনেকুৱা এটা শক্তিশালী দলৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ হ'লে বিৰোধী দলৰ মাজত একতাৰ প্ৰয়োজন। দলীয় নেতা তথা কাৰ্যকৰ্তাই ৰাজহুৱা মঞ্চত কথা কওঁতে সংযত হোৱাটো জৰুৰী। ধৈৰ্য্য আৰু সজ আচৰণে দল তথা ব্যক্তিগত জীৱনলৈ সফলতা আনে। সকলোৱে সংযত হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি তথা অংশগ্ৰহণ কৰি এজন সুনাগৰিকৰ পৰিচয় দিয়ক।

# কমলপুৰত আকৌ দিগন্ত! টিকট প্ৰত্যাশীৰ ভিৰৰ মাজতো দ্বিতীয়বাৰৰ বাবে প্ৰাৰ্থীত্ব চূড়ান্ত

**অসম বাৰ্তা, কমলপুৰ, ৬ ফেব্ৰুৱাৰী ঃ** ৰাজনৈতিক খেল জমিছে কমলপুৰত। এনেও কমলপুৰত নেতাৰ অভাব নাই- নিৰ্বাচন বুলি ক'লে কমলপুৰত যেন গাঁৱে-গাঁৱে নেতাৰ জন্ম ঘটে। উদ্দেশ্য এটাই নিৰ্বাচন খেলিব লাগে। বিধায়ক হ'ব লাগে। কমলপুৰৰ জনতাও সহজ সৰল। নিৰ্বাচন আহিলে একাংশ নেতাৰ কথাত ভোল গৈ প্ৰতি ৫ বছৰত সলনি কৰে বিধায়ক। তাতেই লাগে কেণা উন্নয়নো সেই বাবেই পয়ালগা। মন্ত্ৰী পোৱাটো দূৰৈৰ কথা বিধায়কে সলনি কৰি থাকে নিৰ্বাচনে নিৰ্বাচনে। এইবাৰো ব্যতিক্ৰম নহয় সমষ্টিটো। অপ্ৰিয় হ'লেও সত্য আকৌ এবাৰ বিজেপি চৰকাৰ হোৱাৰ সম্ভাৱনা থকাৰ সময়তে এয়াও নিশ্চিত যে বিজেপি বিধায়ক দিগন্ত কলিতাই আকৌ এবাৰ টিকট পোৱাৰ সম্ভাৱনা নিশ্চিত হোৱাৰ পাছতো এচামৰ আকৌ নতুনকৈ লোভ জাগিছে নতুন নেতা বিচাৰি হাহাকাৰ কৰিছে। ইফালে প্ৰাৰ্থীত্ব বিচাৰি প্ৰতিটো নিৰ্বাচনৰ দৰে এইবাৰো যোৱা ৬ মাহ মানৰ পৰা কেবাগৰাকীও বিজেপি প্ৰাৰ্থীয়ে ৰাইজৰ মাজত দিনে নিশাই ব্যস্ত হৈ পৰিছে। এইবাৰ আকৌ বিধায়ক দিগন্ত কলিতা হ'লে মন্ত্ৰিত্ব পোৱাটো নিশ্চিত কাৰণ সমষ্টিৰ পুৰ্বৰ জালুকবাৰীৰ ৫০ হাজাৰ ৰো অধিক ভোটাৰ অন্তৰ্ভুক্ত হৈছে। অথচ এচামে নাজানে এই অংক। সেয়েহে দিগন্ত কলিতাৰ পৰিবৰ্তে বিচাৰিছে বিকল্প। সুযোগ বুজি সুবিধা ল'ব বিচাৰিছে বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে। তাৰ ভিতৰত অন্যতম মনোজ শৰ্মা বেণুধৰ নাথ অংকুৰ দাস আৰু বহুতো। ইতিমধ্যে দিনে নিশাই ৰাইজৰ মাজত ব্যস্ত। বিগত ২০২১ তো এওঁলোকে টিকট বিচাৰি ৰাইজৰ সেৱক হৈ পৰিছিল। এইবাৰি ব্যতিক্ৰম নহয়। পিছে অধিকাংশ ৰাইজে হে এওঁলোকক কিমান দূৰ বিশ্বাসত ল'ব সেয়াও এক ৰহস্য। দিগন্ত কলিতাৰ জনপ্ৰিয়তা কৰ্মদক্ষতাই অন্য টিকট প্ৰত্যাশীক শলঠেকত পেলোৱাৰ দৰে ইয়াত আৰু কেবাটাও বিষয় জড়িত হৈ পৰিছে। অংকুৰ দাসে বিজেপিৰ টিকট পালে কংগ্ৰেছৰ সত্যব্ৰত কলিতাৰ বিজয় নিশ্চিত কিয়নো সমষ্টিৰ চুকে-কোণে সত্যব্ৰতৰ জনপ্ৰিয়তা অত্যন্ত। একেদৰে টিকট নাপাই নিৰ্দলীয় খেলিলেও অংকুৰ দাসৰ লগত সত্যব্ৰতৰ যুঁজত মুক্তমনে বিজয় সাবস্ত হ'বলৈ সুগম হ'ব বিজেপি বিধায়ক দিগন্ত কলিতাৰ। একেদৰে দিগন্ত কলিতাক প্ৰতিহত কৰিবলৈ লওঁতে মনোজ শৰ্মা বেণুধৰ নাথ আৰু অংকুৰ দাস তিনিওজনে বছৰ বছৰ ধৰি টিকট বিচাৰি আছে বাবেই তেওঁলোকৰ মাজতো নিজাকৈ প্ৰতিযোগিতা চলিছে। কোনে কিমান মানুহৰ মাজত সোমাই পৰিব পাৰে অকলে অকলেও তিনিও দিনে নিশাই ব্যস্ত হৈ পৰিছে। সময়ত যদি টিকটৰ আশাত ভুল বুজাবুজি হয় তেতিয়াও পথ সুগম দিগন্ত কলিতাৰে। হয়তো ৰাজনৈতিক ভাবে চতুৰ বাবেই নিৰ্বাচনী কথাৰ পৰা নিজক দূৰৈত ৰাখি কেবল সমষ্টিৰ কাৰ্যসূচীৰ মাজতে ৰাইজৰ সৈতে মন বিনিময়ত নিজক নিয়োজিত ৰাখিছে বিধায়ক দিগন্ত কলিতাই- অবশ্যে খেল জমিছে সচেতন মহলে ৰাজনৈতিক দিশটোৰ চৰ্চাৰ আমোদ লৈছে।

# তেজপুৰ বাটামাৰীত বিধ্বস্ত পথ; ৰাইজৰ দুৰ্ভোগ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ৬ ফেব্ৰুৱাৰী ঃ** তেজপুৰ বিধানসভা সমষ্টিৰ তথা গাভৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত ভোমোৰাগুৰি গাঁও পঞ্চায়তৰ বাটামাৰী গাঁৱৰ এটা পথৰ দুৰৱস্থাৰ বাবে স্থানীয় ৰাইজে বিগত দুই বছৰ ধৰি দুৰ্ভোগ ভুগি আহিছে। উল্লেখ্য যে ২০২২ৰ ১২ জুনত বাটামাৰীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰা তেজপুৰ কনভেনছন চেণ্টাৰৰ কাষৰ এই পথটো ২০২৪ত হোৱা বানত ক্ষতিগ্ৰস্ত হৈছিল। গড়কাপ্টানী পথটোৰ এছোৱা বানত ছিপ্তি যোৱাৰ ফলত বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰাৰ লগতে তেজপুৰ কনভেনচন চেণ্টাৰলৈ ভাবুকি কঢ়িয়াই অনাৰ সময়তে শোণিতপুৰ জিলাৰ তদানীন্তন জিলা আয়ুক্তই তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই লগতে বিভাগীয় বিষয়া অভিযন্তাৰ স'তে সেই ঠাইত উপস্থিত হৈ এ'কেভেটৰৰ সহায়ত পথটো কাটি দিয়াত বানৰ আবদ্ধ পানী ওলাই যায় আৰু এই সময়তে জিলা আয়ুক্তই ছিঙা অংশত কালভাৰ্টৰ ব্যৱস্থা কৰি এই পথ নিৰ্মাণ কৰাৰ বাবে বিভাগীয় অভিযন্তাক জিলা আয়ুক্তইতিনি পৃষ্ঠাৰ পৰা ৰাইজৰ সন্মুখত নিৰ্দেশ প্ৰদান কৰিছিল বুলি স্থানীয় ৰাইজে সদৰী কৰিছে। বাটামাৰী গাঁও, তেজপুৰ কনভেনছন চেণ্টাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এই পথটো কিন্তু ইয়াৰ পাছত আজিলৈকে নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। ভোমোৰাগুৰি গাঁও পঞ্চায়তৰ বাটামাৰী গাঁৱৰ বাৰ্ড সদস্য জাহিৰ আলীয়ে প্ৰকাশ কৰা অনুসৰি এই পথটো বানত ক্ষতিগ্ৰস্ত হোৱাৰ পাছত স্থানীয় ৰাইজে নিজৰ গাঁঠিৰ ৩০ হেজাৰ টকা খৰচ কৰি এখন বাঁহৰ সাঁকো নিৰ্মাণ কৰি অহা-যোৱা কৰি আছে। লগতে বাটামাৰী গাঁৱৰ জ্যেষ্ঠ শিক্ষক ফজলুল হকে কয় যে এই পথ ক্ষতিগ্ৰস্ত হোৱাৰ পাছৰ পৰা বাটামাৰী গাঁৱৰ ৰাইজ বিশুদ্ধ খোৱাপানীৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছে। এই পথটো বানত ছিগি যোৱাৰ ফলত বাটামাৰী গাঁৱৰ একমাত্ৰ পানী যোগান আঁচনিৰ পাইপ ভাঙি যায় আৰু ইয়াৰ ফলত বাটামাৰীৰ ৰাইজে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। তদুপৰি বিগত দুবছৰ ধৰি এই পথেৰে কোনো এম্বুলেঞ্চ চলাচল কৰিব পৰা নাই। প্ৰণিধানযোগ্য যে এই পথেৰে বাটামাৰী প্ৰাথমিক বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰলৈ শিশুসকল অতি বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হয়। এনে অৱস্থাত এই পথটো অনতি পলমে নিৰ্মাণ কৰাৰ বাবে স্থানীয় ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষৰ প্ৰতি আহ্বান জনাইছে।

## সমষ্টিৰ বাহিৰা প্ৰাৰ্থীক প্ৰাৰ্থিত্ব নিদিয়াৰ দাবী বিজেপি কৰ্মী, ভোটাৰ ৰাইজৰ

# অভয়াপুৰীত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো প্ৰায় নিশ্চিত; উৎফুল্ল গেৰুৱা শিৱিৰ

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৬ ফেব্ৰুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও জিলাৰ তিনিওটা বিধান সভা সমষ্টিত বিভিন্ন দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ প্ৰচাৰ অভিযানে খদমদম পৰিৱেশৰ সৃষ্টি কৰিছে। ইয়াৰ ভিতৰত সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ পাছত বঙাইগাঁৱৰ লগতেও সমষ্টিৰ অভয়াপুৰী সমষ্টি ধৰ্মীয় সংখ্যাগুৰু ভোটাৰৰ আধিক্য হৈ পৰে। উল্লেখ্য যে, অগপ আৰু বিজেপি দলে আসন ভাগ বাটোৱাৰাৰ সময়ত প্ৰতিবাৰেই জিলাখনৰ তেতিয়াৰ বঙাইগাঁও, অভয়াপুৰী উত্তৰ আৰু অভয়পুৰী দক্ষিণ তথা তিনিওটা সমষ্টিয়ে অগপ দলক বিজেপি দলে এৰি দিছিল যদিও বঙাইগাঁও সমষ্টিৰ বাহিৰে কোনোটাতে কৃতকাৰ্য হ'ব নোৱাৰিলে। ফলত দুটা সমষ্টিতে কংগ্ৰেছ দলে বিজয় সাব্যস্ত কৰিলে। এই বেলি আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি সমষ্টি তিনিটাক লৈ অগপ আৰু বিজেপি দলৰ মাজত ভিতৰি-ভিতৰি টনা আজোঁৰা আৰম্ভ হৈছে। কিন্তু বিজেপিয়ে সৃজনগ্ৰাম সমষ্টিটো বিনা দ্বিধাই এৰি দিয়াটো নিশ্চিত যদিও বঙাইগাঁও আৰু অভয়াপুৰী সমষ্টি বিজেপিয়ে যে সহজতে এৰি নিদিয়ে সেয়াও নিশ্চিত। কাৰণ দুয়োটা সমষ্টিতে বিজেপি দলৰ আছে এক শক্তিশালী ভেটি। মনকৰিবলগীয়া যে, বিগত পৌৰসভা নিৰ্বাচনত বঙাইগাঁও সমষ্টিৰ বঙাইগাঁও পৌৰসভাৰ ২৫খন আসনৰ ভিতৰত ১৩ খনেই বিজেপিয়ে দখল কৰাৰ বিপৰীতে অভয়াপুৰী সমষ্টিৰ অভয়াপুৰী পৌৰসভাৰ ১১খন আসনৰ ৮ খনতে বিজেপিয়ে দখল কৰে। এনে অৱস্থাত বঙাইগাঁও আৰু অভয়াপুৰী সমষ্টিৰ ওপৰত শেন চকু ৰাখিছে বিজেপি নেতৃবৃন্দই। কিন্তু সাংসদ হিচাবে নিৰ্বাচিত হৈয়ো বঙাইগাঁও সমষ্টিত পত্নী দীপ্তিময়ী চৌধুৰীক বিধায়িকা বনাই পৰিয়াল কেন্দ্ৰীক ৰাজনীতিৰ পাতনি মেলা সাংসদ ফণীভূষণ চৌধুৰীয়ে যে বঙাইগাঁও সমষ্টি এৰি নিদিয়ে সেয়াও নিশ্চিত। এনে অৱস্থাত বিজেপি দলে অভয়াপুৰী বিধানসভা আসনখনত নিৰ্বাচন খেলোৱাৰ সম্ভাৱনা অধিক। এনেবোৰ কথাই জিলাখনত চৰ্চিত হৈ থকাৰ সময়তে শেহতীয়াভাৱে অভয়াপুৰী সমষ্টিটোত বিজেপি দলে প্ৰতিদ্বন্ধিতা কৰাটো প্ৰায় নিশ্চিত বুলি দলৰ শীৰ্ষ নেতৃত্বৰ পৰা সেউজ সংকেত পোৱা বুলি প্ৰচাৰিত হোৱাৰ পাছতে আজি গেৰুৱা শিৱিৰত আনন্দৰ বন্যা বোৱা পৰিলক্ষিত হৈছে। আনপিনে অভয়াপুৰী সমষ্টিটোত বিজেপিয়ে প্ৰতিদ্বন্ধিতা কৰিব বুলি ধাৰণা কৰিয়েই সমষ্টিটোত প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ খদমদম পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত অভয়াপুৰীৰ ব্যৱসায়ী তথা সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক, দলটোৰ জিলা সভাপতি উজ্জ্বল কান্তি ৰায়ৰ উপৰিও জিতু বনিক্য, দীপক ৰুহি দাস, দলৰ যুৱ মৰ্চাৰ সঞ্জয় ৰয়, নৱ কুমাৰ দাস আদি সমষ্টিটোৰ স্থায়ী বাসিন্দা। সমষ্টিৰ বাহিৰৰ কেবাজনো প্ৰাৰ্থিত্বৰ দাবীদাৰ বিজেপিৰ প্ৰাক্তন জিলা সভাপতিদ্বয় সুকেন ৰায়, হিমানী অধিকাৰী, চিকিৎসক ইতিশ বৰদলৈকে ধৰি কেবাজনো প্ৰাৰ্থিত্বৰ দাবীদাৰ যদিও যদিও কোনো ক্ষেত্ৰতে যাতে সমষ্টিৰ বাহিৰালোকক আনি প্ৰাৰ্থিত্ব জাপি দিয়া নহয় তাৰ বাবে দলীয় কাৰ্যকৰ্তালৈ আহবান জনাইছে ভোটাৰ ৰাইজে। এনেক্ষেত্ৰত সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক আৰু জিলা সভাপতি উজ্জ্বল কান্তি ৰায়ৰ নামটোৰে অধিক চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে।

## নবজা হ'ল বাবুপাৰাৰ গীটাৰখন

# টংলাৰ সৰবৰহী যুৱক দীপৰাজ বিশ্বাসৰ মৃত্যুত শোকৰ ছাঁ

## শোকত ভাঙি পৰিল পৰমানন্দ ইংলিছ মিডিয়াম স্কুল

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৫ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ টংলা বাবু পাৰা নিবাসী তথা টংলা পৰমানন্দ ইংলিছ মিডিয়াম স্কুলৰ প্ৰধান শিক্ষক যুৱ সমাজকৰ্মী দীপৰাজ বিশ্বাসৰ যোৱা নিশা প্ৰায় ১২ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটালত চিকিৎসাৰত অৱস্থাত ৰক্ত জনিত ৰোগত মাত্ৰ ৩৭ বছৰ বয়সত মৃত্যু হয়। দীপৰাজ বিশ্বাসৰ মৃত্যুত বাবুপাৰাৰ লগতে বৃহত্তৰ টংলা অঞ্চলত শোকৰ ছাঁ পৰে। বাবুপাৰাস্থিত টংলা পৰমানন্দ ইংলিছ মিডিয়াম স্কুলৰ প্ৰধান শিক্ষক, গীটাৰ বাদক, সদৌ বি টি চি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ টংলা আঞ্চলিক সমিতিৰ মুখপাত্ৰ, বাবু পাৰা প্ৰগতি সংঘৰ অন্যতম সদস্য দীপৰাজ বিশ্বাস আছিল প্ৰকৃততে সক্ৰিয় সমাজসেৱক। তেওঁৰ মৃত্যুত আজি টংলা পৰমানন্দ ইংলিছ মিডিয়াম স্কুলৰ শিক্ষক আৰু ছাত্ৰ ছাত্ৰী সকলক শোকত মৃয়মান হৈ পৰে। এগৰাকী ভাল গীটাৰ বাদক হিচাবে সুখ্যাতি থকা দীপৰাজ বিশ্বাসৰ অকাল মৃত্যুত যেন বাবুপাৰাত নবজা হল গীটাৰৰ সুৰ। এই গৰাকী সৰবৰহী যুৱকৰ মৃত্যুত টংলা অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ লগতে দল-সংগঠনৰ উপৰি ভাৰতীয় জনতা পাৰ্টীৰ ওদালগুৰি জিলাৰ সাধাৰণ সম্পাদক সুজিত সৰকাৰে দীপৰাজ বিশ্বাসলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি গভীৰ শোক প্ৰকাশ কৰে।

# পুৰণিগুদামৰ মণ্টুল কুমাৰ শৰ্মাৰ কৃতিত্বত গৌৰৱান্বিত অঞ্চলবাসী

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত পুৰণিগুদাম বিষয়াচুক গাঁৱৰ নিবাসী মণ্টুল কুমাৰ শৰ্মাই বৌদ্ধিক উৎকৰ্ষ সাধনৰ বাবে বঁটা লাভ কৰি অঞ্চলবাসীক গৌৰৱান্বিত কৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, যোৱা ১ ফ্ৰেব্ৰুৱাৰীত বিশ্ব সংস্কৃতি আৰু পৰিৱেশ সংৰক্ষণ আয়োগে নগাঁও জিলাৰ হাতীচোং সঞ্জীৱনী সংস্কৃত টোল (গৱেষণা কেন্দ্ৰ)ৰ ভাষাৰ অধ্যাপক মণ্টুল কুমাৰ শৰ্মাক বিশ্ব সংস্কৃতি আৰু পৰিৱেশ সংৰক্ষণ আয়োগে OUTSTANDING CONTRIBUTION IN EDUCATIONAL AND SOCIO-CULTURAL DEVELOPMENT শীৰ্ষক প্ৰকল্পায়িত গৱেষণাৰ বাবে নতুন দিল্লীস্থ CONSTITUTION CLUB OF INDIA ত HONORARY DOCTORATE বঁটাৰে পুৰস্কৃত কৰে। সামাজিক আৰু সাংস্কৃতিক দিশত শৈক্ষিক নিপুণতাৰে বহুকেইখন গ্ৰন্থ সৃষ্টি কৰা, সাহিত্যসেৱা-সাধনা আদিৰ জৰিয়তে বৌদ্ধিক উৎকৰ্ষ সাধন কৰি অহা মণ্টুল কুমাৰ শৰ্মাৰ এনে কৃতিত্বত হাতীচোং আৰু পুৰণিগুদাম অঞ্চলবাসীৰ লগতে সমগ্ৰ নগাঁৱৰ বৌদ্ধিক সমাজ আজি গৌৰৱান্বিত। মণ্টুল কুমাৰ শৰ্মা চলচলি নিবাসী বিদগ্ধ সংস্কৃত পণ্ডিত প্ৰয়াত মকুণ্ড দেৱ শৰ্মাৰ সুযোগ্য বৰপুত্ৰ সংস্কৃত কৰ্মযোগী প্ৰয়াত দেৱেন্দ্ৰ নাথ শৰ্মা আৰু চম্পা দেৱীৰ দ্বিতীয় পুত্ৰ।

## মাতৃভাষা মাধ্যমত শিক্ষাদান কৰাটো সাংবিধানিক অধিকাৰ ঃ ডাঃ ৰণোজ পেগু

# উদুলি-মুদুলি ছ'লুংথাই ফৌথাৰ নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক টংলা অধিৱেশন



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ ফেব্ৰুৱাৰী ঃ** মাতৃভাষা মাধ্যমত শিক্ষাদান কৰাটো সাংবিধানিক অধিকাৰ। নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক টংলা অধিৱেশনৰ আজি অনুষ্ঠিত ইয়ুথ কনক্লেভত মুখ্য অতিথি হিচাপে আসন অলংকৃত কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে কয়। অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পুনৰ কয় এবছু'ৰ দ্বাৰা পৰিচালিত নৱম আৰু দশম শ্ৰেণীৰ দশম কেন্দ্ৰীয় প্ৰতিভা অনুসন্ধান (চিটিএছ) পৰীক্ষাৰ বিজয়ীসকলক সম্বৰ্ধনা জনায়। ইয়াৰোপৰি বড়ো সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু সামগ্ৰিক চিন্তা-চৰ্চাৰ সমাধানৰ ক্ষেত্ৰত এবছুৱে ধাৰাবাহিকভাৱে গ্ৰহণ কৰি অহা সক্ৰিয় ভূমিকাক শলাগ লৈ নতুন শিক্ষা নীতি- ২০২০ৰ অধীনত ছাত্ৰ-ছাত্ৰীৰ দক্ষতাভিত্তিক শিক্ষণ আৰু শিক্ষাক প্ৰসাৰিত কৰাৰ বিষয়ত বক্তব্য আগবঢ়ায়। নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়োৱে সঞ্চালনা কৰা অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ দেৱৰাজ উপাধ্যায়ে সৰ্বভাৰতীয় প্ৰযোগিতামূলক পৰীক্ষাত মাতৃভাষা শিক্ষাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু বিগ্ৰেডিয়াৰ অঞ্জন কুমাৰ বসুমতাৰীয়েও ৰসাল বক্তব্য দাঙি ধৰা অনুষ্ঠানত বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উদ্বোধন কৰি কয়- সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতা পৰীক্ষাৰ বাবে বিটিচি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক অধিক সক্ষম কৰি তোলাৰ লক্ষ্যৰে বিটিচিত চুপাৰ-৫০ প্ৰকল্প আৰম্ভ কৰা হৈছিল। ইয়াৰ ধনাত্মক প্ৰভাৱত বিটিচি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে পূৰ্বতকৈ অধিক সফল হ'ব পাৰিছে। মোবাইল আৰু সমাজিক মাধ্যম ব্যৱহাৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকল সচেতন হ'ব লাগিব। সকলোৱে কষ্ট কৰি অধ্যয়নত মনোনিৱেশ কৰাৰ আহ্বান জনায়। বৰ্তমানৰ বিটিচি পৰিষদীয় চৰকাৰক বিটিচিৰ প্ৰতিটো মহকুমাত এটাকৈ ইউপিএছছিৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে আহ্বান জনায় বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা চুপাৰ-৫০ প্ৰকল্পৰ মুখ্য পৰিচালক প্ৰমোদ বড়োৱে। পুৱাৰ ভাগত পুৱাৰ প্ৰাৰ্থনাৰ পিছতে ৮ বজাত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়োৱে মূল পতাকাৰ লগতে ২১খন জিলাৰ সভাপতিসকলে পতাকা উত্তোলন কৰে। ইয়াৰ বাহিৰেও ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়, ডাউন টাউন বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্বিবিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আৰু এবছু'ৰ দিল্লী, চণ্ডীগড় আৰু শ্বিলং শাখাৰ প্ৰতিনিধিসকলে মূল পতাকাৰ লগতে একেলগে পতাকা উত্তোলন কৰে। ইয়াৰ পিছতেই বড়'ফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ পবিত্ৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে এবছুৰ উপদেষ্টা বি. সৌমখোৰ বসুমতাৰীয়ে। বড়োলেণ্ড শ্বহীদসকললৈ পবিত্ৰ সোঁৱৰণত শ্ৰদ্ধা তৰ্পণ কৰে এবছুৰ উপ সভাপতিদ্বয় কৰমডাও ওৱাৰী আৰু উমেশ দৈমাৰীয়ে। বিশিষ্ট বড়ো ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত সাহিত্য অকাডেমি বঁটা প্ৰাপক নবীন মল্ল বড়োৱে শ্ৰদ্ধা জ্ঞাপন কৰে। তৰ্ক আৰু সাহিত্য প্ৰতিযোগিতা সাহিত্য অকাডেমি বঁটা প্ৰাপক তথা টংলা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰীতা বড়োৱে উদ্বোধন কৰে।

# অসমৰ ৫খন মহাবিদ্যালয়ে বাংগালোৰৰ Riva universityত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰশিক্ষণত শ্ৰেষ্ঠত্ব সন্মান



**অসম বাৰ্তা, বান্দৰদেৱা, ৬ ফেব্ৰুৱাৰী ঃ** National Intrigantion Camp(NIC)Nssৰ এটা কেম্প বাংগালোৰৰ REVA UNIVERSITYত যোৱা ইংৰাজী ২ ফেব্ৰুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰী২০২৬ লৈ সাতদিনীয়াকৈ ৰাষ্ট্ৰীয় সেৱা আঁচনি(Nss)ৰঅধীনত বিভিন্ন কাৰ্যসূচীৰে এটি প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈ আছে। উক্ত শিবিৰত অসমৰ পাঁচখন শিক্ষানুষ্ঠানৰ পৰা ক্ৰমে উত্তৰ লক্ষ্মীমপুৰ বিশ্ববিদ্যালয়ৰ পৰা১, শংকৰদেৱ মহাবিদ্যালয়ৰ পৰা ১, খেৰাজখাত মহাবিদ্যালয়ৰ পৰা ২, বিহপুৰীয়া মহাবিদ্যালয়ৰ পৰা ৫, আৰু মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পৰা২জন মুঠঞ্চ১০জন Volunteers এ উক্ত প্ৰশিক্ষণত অংশ গ্ৰহণ কৰে। অসমৰ দলটোৰ তত্বাৱধায়ক হিচাপে আছে খেৰাজখাত মহাবিদ্যালয়ৰ Nss Programme officer ড° লক্ষ্মীপ্ৰকাশ হাজৰিকা। অসমৰ দলটিয়ে সাংস্কৃতিক বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি সুন্দৰ প্ৰৰ্দশন কৰিবলৈ সক্ষম হয়। দলটোৱে প্ৰয়াত জুবিন গাৰ্গক সাংস্কৃতিক মঞ্চত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ গীত পৰিবেশন কৰাৰ উপৰিও দলটিয়ে অসমৰ জাতীয় কৃষ্টি বিহুনৃত্য প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। অসমৰ পৰা যোৱা দলটোক শ্ৰেষ্ঠ দল হিচাপে ঘোষণা কৰে আয়োজক মণ্ডলীয়ে। শ্ৰেষ্ঠ দল হিচাপে অসমলৈ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত দলটো উৎফুল্ল হৈ পৰে বুলি জানিবলৈ দিয়ে তত্বাৱধায়ক ডঃ লক্ষ্মীপ্ৰকাশ হাজৰিকাই।

## জ'নেল আৰু চেক্টৰ বিষয়া সকলৰ গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ

# আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে হোজাই জিলা প্ৰশাসনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, মোৰাঝাৰ, ৬ ফেব্ৰুৱাৰী ঃ** সমাগত অসম বিধানসভা নিৰ্বাচন ২০২৬ ৰ বাবে হোজাই নিৰ্বাচনী জিলাৰ অধীনস্থ ৬২ নং বিন্নাকান্দি ৬৩ নং হোজাই আৰু ৬৪ নং লামডিং বিধানসভা সমষ্টিত নিৰ্বাচন সুচাৰুৰূপে, স্বচ্ছভাৱে আৰু শান্তিপূৰ্ণ পৰিৱেশত সম্পন্ন কৰাৰ লক্ষ্যৰে হোজাই জিলা নিৰ্বাচনী বিভাগে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। এই উপলক্ষে আজি হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত জ'নেল আৰু চেক্টৰ বিষয়া সকলৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিদ্যুৎ বিকাশ ভাগৱতী উপস্থিত থাকি নিৰ্বাচন প্ৰক্ৰিয়াত জ'নেল আৰু চেক্টৰ বিষয়া সকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি কয় যে, নিৰ্বাচনী ব্যৱস্থাৰ মূল লক্ষ্যই হৈছে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰা। তেওঁ জ'নেল আৰু চেক্টৰ বিষয়া সকলক তেওঁলোকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ লগতে নিৰ্বাচনী বিধি-নিয়ম কঠোৰভাৱে অনুসৰণ কৰিবলৈ আহ্বান জনায়। প্ৰশিক্ষণ কালত জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ প্ৰস্তুতি আৰু পৰিদৰ্শনৰ নিয়ম, ইভিএম আৰু ভিভিপ্যাট ব্যৱহাৰৰ প্ৰক্ৰিয়া, সংবেদনশীল আৰু অতি সংবেদনশীল কেন্দ্ৰ চিহ্নিতকৰণ, আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণত সমন্বয় মডেল কোড অব কণ্ডাক্ট পালন নিশ্চিতকৰণ, ভোটগ্ৰহণৰ দিনা আৰু পূৰ্ববৰ্তী সময় ছোৱাত কৰিবলগীয়া দায়িত্ব সমূহ জৰুৰী পৰিস্থিতিত তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ আৰু তথ্য প্ৰেৰণ পদ্ধতি আদি গুৰুত্বপূৰ্ণ দিশ সমূহৰ ওপৰত আলোকপাত কৰে। চেক্টৰ বিষয়া সকলক বিশেষকৈ ভোটগ্ৰহণ কেন্দ্ৰসমূহত সুচল যাতায়ত ব্যৱস্থা, পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা আৰু ভোটাৰ সকলৰ সুগম প্ৰৱেশ আৰু প্ৰস্থান আদি সামগ্ৰিক দিশ সমূহ সু-নিশ্চিত কৰিবলৈ আৰু এই বিষয়ে এটি প্ৰতিবেদন দাখিল দিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি, নিয়মিত পৰিদৰ্শন, প্ৰস্তুতি পৰীক্ষা, ভোটগ্ৰহণ সামগ্ৰীসমূহ সুৰক্ষিতভাৱে সংৰক্ষণ আৰু সময়মতে বিতৰণ নিশ্চিতকৰণৰ ক্ষেত্ৰত ল'বলগীয়া কাৰ্যপ্ৰণালীৰ বিষয়ে অৱগত কৰে। জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে জ'নেল বিষয়া সকলক তেওঁলোকৰ অধীনস্থ চেক্টৰসমূহৰ সামগ্ৰিক তত্ত্বাৱধান আৰু জৰুৰী অৱস্থাত দ্ৰুত সমন্বয় সাধনৰ দায়িত্ব সম্পৰ্কেও অৱগত কৰে। আজিৰ এই প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত (নিৰ্বাচন) প্ৰীতম ৰাজা শৰ্মা, বনি ইনাম ছাদ্দৰ, লামডিং সম-জিলাৰ সম-জিলা আয়ুক্ত চন্দন বৰগোহাঁই, নিৰ্বাচনী বিষয়া আৰাধনা দাস, সহকাৰী আয়ুক্ত বিভূতি সন্দিকৈ উপস্থিত থাকে।

## দাবী পূৰণ নহ'লে তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ

# কোকৰাঝাৰ ঘটনাক কেন্দ্ৰ কৰি আদিবাসীসকলক ন্যায় প্ৰদানৰ দাবীৰে আছাৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, আমগুৰি, ৬ ফেব্ৰুৱাৰী ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ শিৱসাগৰ জিলা সমিতিয়ে যোৱা ৫ ফেব্ৰুৱাৰী বৃহস্পতিবাৰে মুখ্যমন্ত্ৰীলৈ কেইবাটাও দাবী সম্বলিত এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। শিৱসাগৰ জিলা আয়ুক্তৰ যোগেদি প্ৰেৰণ কৰা স্মাৰকপত্ৰত অসমৰ আদিবাসী সকলক অনুসূচীকৰণৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি কোকৰাঝাৰ জিলাত সংঘটিত ঘটনাই এই কথা পুনৰ প্ৰাসংগিক কৰি তুলিছে বুলি উল্লেখ কৰিছে সংগঠনটোৱে। আচাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি অমিৰ চিলোৱাৰ আৰু সম্পাদক পুতলা কুৰ্মি স্বাক্ষৰিত স্মাৰকপত্ৰত আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে আদিবাসী জনগোষ্ঠীক অনুসূচীকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে মুখ্য মন্ত্ৰীক দাবী জনায়। আনহাতে যোৱা ১৯ জানুৱাৰী তাৰিখে কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱত হোৱা গৰু চুৰিৰ ঘটনাক কেন্দ্ৰ কৰি আৰম্ভ হোৱা গোষ্ঠীগত সংঘৰ্ষৰ চিবিআইৰ তদন্ত কৰি দোষীক চিনাক্ত কৰি উপযুক্ত শাস্তি প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ ঘটনাক কেন্দ্ৰ কৰি আদিবাসী সকলক মাওবাদীৰ লগত জড়িত কৰিব বিচৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দি এনেধৰণৰ ষড়যন্ত্ৰকাৰী সকলক ৰাজ্যৰ শান্তি-শৃংখলা ভংগৰ চেষ্টা কৰাৰ বাবে আইনগত ব্যৱস্থা ল'বলৈ দাবী জনাই। আনহাতে কোকৰাঝাৰ জিলাৰ গোষ্ঠীগত হিংসাৰ পাছত জ্বলাই দিয়া আদিবাসী পৰিয়ালৰ গৃহ সমূহ অসম আৰু বিটিচি চৰকাৰে শীঘ্ৰে স্থায়ী পকী ঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰাৰ লগতে উচিত ক্ষতিপূৰণৰ প্ৰদান কৰিবলৈ দাবী জনোৱাৰ লগতে বিনা প্ৰমাণে জেললৈ প্ৰেৰণ কৰা আদিবাসী সকলক অতিশীঘ্ৰে মুকলি কৰিবলৈ স্মাৰকপত্ৰত দাবী জনোৱা হয়। সংগঠনটোৱে আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে চাহ শ্ৰমিকৰ দৈনিক মজুৰী ৫৫০/ টকালৈ বৃদ্ধি কৰাৰো দাবী জনায়। আদিবাসী সকলৰ ন্যায় সংগত দাবী সমূহ পূৰণ নকৰিলে আছাই তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি স্মাৰকপত্ৰ খনত চৰকাৰলৈ সকীয়নী প্ৰদান কৰে।

# হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাক কেন্দ্ৰ কৰি ওদালগুৰি জিলাত নিষেধাজ্ঞা জাৰি

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ ফেব্ৰুৱাৰী ঃ** আগতীয়া হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা, ২০২৬ সুস্থভাবে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ওদালগুৰি জিলাত নিষেধাজ্ঞামূলক আদেশ জাৰি কৰা হৈছে। জিলা আয়ুক্ত পুলক পাটগিৰিয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS)-ৰ ধাৰা ১৬৩ অনুসৰি এই আদেশ জাৰি কৰে। উল্লেখযোগ্য যে, হাইস্কুল শিক্ষান্ত পৰীক্ষা অহা ১০ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখৰ পৰা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা ১১ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখৰ পৰা আৰম্ভ হ'ব। পৰীক্ষাৰ সময়ছোৱাত শান্তি-শৃংখলা ভংগ, অন্যায় উপায় অৱলম্বন তথা বেআইনী কাৰ্যকলাপৰ সম্ভাৱনা নাকচ কৰিব নোৱাৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা বুলি জানিবলৈ দিয়া হৈছে। জাৰি কৰা আদেশ অনুসৰি, পৰীক্ষাৰ দিনসমূহত প্ৰতিটো পৰীক্ষাকেন্দ্ৰৰ চাৰিওফালে ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অনুমোদনবিহীন ব্যক্তিৰ প্ৰৱেশ বা অনাৱশ্যক ভিৰ জমা কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। লগতে, পৰীক্ষাৰ্থীয়ে মোবাইল ফোন, ইলেক্ট্ৰনিক সঁজুলি তথা যিকোনো অনুমোদনবিহীন বা সন্দেহজনক সামগ্ৰী পৰীক্ষা হললৈ নিবলৈ নিষিদ্ধ কৰা হৈছে। প্ৰশাসনে জনাইছে যে, পৰিস্থিতিৰ জৰুৰীতা বিবেচনা কৰি এই আদেশখন একপক্ষীয়ভাৱে জাৰি কৰা হৈছে আৰু ই তৎক্ষণাত কাৰ্যকৰী হ'ব। পৰৱৰ্তী আদেশ নোহোৱালৈকে এই নিষেধাজ্ঞা বলবৎ থাকিব। আদেশ ভংগ কৰিলে ভাৰতীয় দণ্ড সংহিতা (BNS)-ৰ ধাৰা ২২৩ অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও জানিবলৈ দিয়া হৈছে। যদিও আদেশত ক্ষুব্ধ যিকোনো ব্যক্তিয়ে সংশোধন বা শিথিলতাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আবেদন জনাব পাৰিব।

## জীৱন চুতীয়াসহ তিনি

প্ৰেক্ষাপট। শুক্ৰবাৰে সৰুপথাৰ ৰাজহুৱা খেলপথাৰত অসম জাতীয় পৰিষদ দলে এক বৃহৎ যোগদান কাৰ্যসূচীৰ আয়োজন কৰে। অসম জাতীয় পৰিষদ দলৰ সম্পাদক ৰাজু ফুকনে আঁত ধৰা অনুষ্ঠানটোত সৰুপথাৰ সমষ্টিৰ বিশিষ্ট সমাজকৰ্মী তথা কিছুদিন পূৰ্বে বিজেপি দল ত্যাগ কৰা প্ৰভাৱশালী নেতা জীৱন চুতীয়াই প্ৰায় তিনি শতাধিক লোকক লগত লৈ আনুষ্ঠানিকভাৱে অসম জাতীয় পৰিষদ দলত যোগদান কৰে। জীৱন চুতীয়াই দীৰ্ঘদিন ধৰি সৰুপথাৰ সমষ্টিত বিজেপি দলৰ হৈ কামকাজ কৰিছিল আৰু দলটোৰ উত্তৰণৰ ক্ষেত্ৰত সদায় অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আগুৱাই নিছিল। কিন্তু লাহে লাহে তেওঁ বিজেপি দলত গুৰুত্বহীন হৈ পৰে। সেইবাবেই যোৱা জানুৱাৰী মাহত তেওঁ বিজেপি দল ত্যাগ কৰে। শুক্ৰবাৰে জীৱন চুতীয়াৰ উপৰি সৰুপথাৰ সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ এজন জেষ্ঠ কৰ্মী তথা ১৬চনৰ বিজেপি দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী, ৰাষ্ট্ৰীয় স্বয়ং সেৱ সংঘৰ গোলাঘাট জিলাৰ প্ৰাক্তন সংঘ চালক আৰু যোৰহাট বিভাগৰ বৌদ্ধিক প্ৰমুখ, অৱসৰপ্ৰাপ্ত শিক্ষক চন্দন বৰা, বিজেপি দলৰ প্ৰাক্তন বৰপথাৰ মণ্ডলৰ সভাপতি চম্পক ৰায়কে ধৰি আন আন ৰাজনৈতিক দলৰ বহুকেইজন পুৰণি কৰ্মী আৰু কেইবাটাও সংগঠনৰ বিষয়ববীয়াই আনুষ্ঠানিকভাৱে অসম জাতীয় পৰিষদ দলত যোগদান কৰে। যোগাদান কাৰ্যসূচীত অসম জাতীয় পৰিষদ দলৰ সভাপতি লুৰিণজ্যোতি গগৈ, কাৰ্যকৰী সভাপতি ৰাজেন গোহাঁই আৰু সম্পাদক জগদীশ ভূঞাকে আদি কৰি কেন্দ্ৰীয় নেতৃবৃন্দ উপস্থিত থাকে। যোগদান কাৰ্যসূচীত দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে উদাত্ত ভাষণ আগবঢ়াই আৰু দলটোত যোগদান কৰা সকলোকে আঞ্চলিক দলটোলৈ স্বাগতম জনাই। তেওঁ ভাষণ প্ৰসঙ্গত কয়- গোলাঘাট জিলাত অসম গণ পৰিষদ দলৰ জন্ম হৈছিল, যিখন জিলাত জাতীয়তাবাদৰ ভেটি বা জাতীয়তাবাদৰ এখন উৰ্বৰা পৃষ্ঠভূমি বুলি মানুহে গ্ৰহণ কৰিছিল সেইখন গোলাঘাট জিলা তথা সমগ্ৰ ৰাজ্যখনতে এতিয়া জাতীয়তাবাদৰ সংকট আহিছে। যিবোৰ জাতীয়তাবাদী ৰাজনৈতিক দল আছিলে তেওঁলোকে নিজৰ ব্যক্তিগত স্বাৰ্থৰ কাৰণে, নিজৰ মন্ত্ৰিত্ব অভিলাষৰ কাৰণে আৰু অসমৰ জাতীয় সমস্যা সমূহক তেওঁলোকে গৌণ কৰি নিজৰ জীৱন সুৰক্ষিত কৰিবৰ কাৰণেহে কামকাজ কৰি আহিছে। সেয়েহে এই সংকটৰ সময়ত আমি অসমত যাতে পুনৰ নিজৰ ভাষা, নিজৰ কৃষ্টি-সংস্কৃতি, নিজৰ ৰাজনৈতিক ভৱিষ্যত আৰু সাংস্কৃতিক ভৱিষ্যত সুৰক্ষিত কৰিবৰ কাৰণে, আমাৰ উপৰি পুৰুষসকলে গঢ়ি থৈ যোৱা সাতামপুৰুষীয়া ঐক্য, সমন্বয় আৰু সম্প্ৰীতিৰ ভেটি শক্তিশালী কৰিবৰ কাৰণে লগতে জাতীয়তাবাদৰ যিটো মহান আদৰ্শ তাক আমি পুনৰ উত্থান কৰিবৰ কাৰণে কামকাজ কৰিছোঁ আৰু সৰুপথাৰ সমষ্টিত বিগত সময়ত যি জাতীয়তাবাদৰ উৰ্বৰা ভূমি আছিল সেই সমষ্টিটোক পুনৰুদ্ধাৰ কৰিবৰ কাৰণে আৰু এই অঞ্চলৰ লোকসকলক জাতীয়তাবাদী পতাকাৰ তলত একত্ৰিত কৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। আনহাতে ভাষণৰ মাজতে লুৰিণজ্যোতি গগৈয়ে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনক কটাক্ষ কৰি কয় বিশ্বজিৎ ফুকন জনসাধাৰণৰ প্ৰতিনিধি নহয় তেওঁ ড° হিমন্ত বিশ্ব শৰ্মাৰহে প্ৰতিনিধি। সেইকাৰণে ৰাধাকৃষ্ণ বাগানকে ধৰি সীমান্তৰ শীলৰ ব্যৱসায় আৰু হিমন্ত বিশ্ব শৰ্মাৰ সকলো কথা-বতৰাক ৰক্ষণাবেক্ষণ দিবৰ বাবেহে এইজন বিধায়কে কামকাজ কৰে বুলি মন্তব্য কৰে।

## গঠন হ'ল নতুন চৰকাৰ!

সকলে জানিব পাৰে যে কুকি-জোমি দলৰ তিনিগৰাকী বিধায়ক মণিপুৰ চৰকাৰত যোগদান কৰিছে। ইয়াৰ ভিতৰত নেমচা কিপগেনে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছে, আনহাতে এল এম খাউটে আৰু ঙুৰছাংলুৰে অচিৰেই শপত ল'বলগীয়া হ'ব। এই খবৰে যুৱকসকলৰ ক্ষোভক আৰু অধিক বৃদ্ধি কৰে। স্থানীয় সূত্ৰ অনুসৰি, কুকি-জোমি জনসাধাৰণে বিগত হিংসাত ব্যাপক ক্ষতি সহ্য কৰিছে। ইম্ফলত দিনৰ পোহৰতে শ শ লোকক হত্যা কৰা হৈছে, গীৰ্জাসমূহ জ্বলাই দিয়া হৈছে আৰু লাখ লাখ টকাৰ সম্পত্তি ভস্মীভূত হৈছে। এনে পৰিস্থিতিত কুকি বিধায়কসকলৰ চৰকাৰত যোগদানক বহুতে বিশ্বাসঘাতকতা বুলি গণ্য কৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ ২৭ ছে"ৰ কমাণ্ডাৰকে ধৰি অসম ৰাইফলছৰ বিষয়াসকলক নিয়োগ কৰা হৈছে। প্ৰাৰম্ভিক প্ৰচেষ্টাত সফলতা নাপালে নিৰাপত্তা বাহিনীয়ে সাময়িকভাৱে পিছুৱাই যায় যদিও স্থিতি অক্ষুণ্ণ ৰাখে। পিছত প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ কৰিবলৈ কন্দুৱা গেছ নিক্ষেপ কৰা হয়। শেহতীয়া তথ্য অনুসৰি সংঘৰ্ষ এতিয়াও অব্যাহত আছে। নিৰাপত্তা বাহিনীয়ে উত্তেজিত জনতাক খেদি ফুৰিছে আৰু অঞ্চলটোত কঠোৰ নিৰাপত্তা ব্যৱস্থা জাৰি ৰখা হৈছে। অধিক বিৱৰণৰ বাবে অপেক্ষা কৰা হৈ আছে। এই ঘটনাই মণিপুৰৰ নতুন চৰকাৰৰ সন্মুখত প্ৰথম পৰীক্ষা হিচাপে দেখা দিছে আৰু ৰাজ্যখনৰ শান্তি প্ৰক্ৰিয়াক পুনৰ বিপন্ন কৰি তুলিছে।

## য়টত থকা সকলো দোষী;

গঠিত একক ন্যায়িক আয়োগত শুকুৰবাৰে প্ৰথমবাৰৰ বাবে সাক্ষ্য প্ৰদান কৰে জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গে। সাক্ষ্য দিয়াৰ সময়ত তেওঁ প্ৰবাসী অসমীয়া কেইগৰাকীৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে তেওঁলোকে যদি সকলো সত্য কথা কৈ দিলেহেঁতেন তেন্তে বিষয়টো ইমান জটিল আৰু মেৰপেচত নপৰিলেহেঁতেন। গৰিমা শইকীয়া গাৰ্গে ন্যায়িক আয়োগৰ আগত স্পষ্টভাৱে কয়, "এছ আই টিত যিখিনি সাক্ষ্য দিছিলোঁ, ইয়াতো সেই একেই কথা ক'লোঁ। আজি সাক্ষ্য প্ৰদান সম্পূৰ্ণ নহ'ল, পুনৰ এদিন আহিব লাগিব। প্ৰবাসী অসমীয়াসকলে সকলো কথা ক'লে বিষয়টো ইমান জটিল নহ'লহেঁতেন। য়টট থকা সকলো দোষী। কথাবোৰ যেতিয়া বিসংগতি হৈছে, নিশ্চয় তাত ৰহস্য লুকাই আছে।" তেওঁ লগতে আশা প্ৰকাশ কৰে যে বিচাৰ প্ৰক্ৰিয়াত সকলো তথ্য সম্পূৰ্ণৰূপে উন্মুক্ত হ'ব লাগে। দোষীসকলে কঠোৰতকৈও কঠোৰ শাস্তি পাব লাগে বুলি তেওঁ দাবী জনায়। "জুবিনৰ দৰে এজন ব্যক্তিৰ লগত যদি এনেকুৱা কৰিব পাৰে, তেন্তে সেইকেইটা অসুৰেই হ'ব।" উল্লেখ্য যে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ পিছত গঠিত বিশেষ তদন্তকাৰী দল (SIT)ৰ তদন্তৰ ভিত্তিত কামৰূপ জিলা সত্ৰ ন্যায়াধীশ আদালতত হত্যাৰ গোচৰ চলি আছে। বিগত ৩০ জানুৱাৰীৰ শুনানিত অমৃতপ্ৰভা মহন্ত, জুবিনৰ দুজন দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন নাকচ কৰে আদালতে। এই তিনিজনৰ জামিন নাকচৰ বাবে SITৰ লগতে গৰিমা গাৰ্গেও আদালতত আবেদন দাখিল কৰিছিল। আনহাতে, অভিযুক্ত শ্যামকানু মহন্তই ২২ জানুৱাৰীত নিজৰ জামিন আবেদন প্ৰত্যাহাৰ কৰিছিল। গোচৰটোৰ পৰৱৰ্তী শুনানি নিৰ্ধাৰণ কৰা হৈছে আগন্তুক ১৩ ফেব্ৰুৱাৰীত। গৰিমা শইকীয়া গাৰ্গৰ এই তীব্ৰ মন্তব্যই জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাক লৈ ৰাজ্যজুৰি চলি থকা আলোচনাক নতুন মাত্ৰা দিছে। অসমৰ ৰাইজৰ মাজত এই ঘটনাৰ ন্যায়িক সমাধানৰ প্ৰতি তীব্ৰ আগ্ৰহ আৰু প্ৰত্যাশা বিৰাজ কৰি আছে।

## মুখ্যমন্ত্ৰীৰ মাজুলী ভ্ৰমণৰ

একাধিক আন্তঃগাঁথনিমূলক প্ৰকল্প উদ্বোধনৰ পূৰ্বে আজি মন্ত্ৰী গৰাকীয়ে লোক নিৰ্মাণ (গৃহ) বিভাগৰ বিষয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত সকলো ধৰণৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে মন্ত্ৰী যোগেন মহনে মাজুলীৰ জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সৈতে পৃথকে পৃথকে আলোচনা কৰি প্ৰশাসনিক আৰু নিৰাপত্তামূলক ব্যৱস্থাৰ বুজ লয়। ইফালে, আজি সাংবাদিকৰে মুখামুখি হৈ মন্ত্ৰী যোগেন মহনে কংগ্ৰেছ তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰি অহা 'পাকিস্তান লিংক' প্ৰসংগত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ জানিবলৈ দিয়ে যে অহা ৮ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ পাকিস্তান লিংক সম্পৰ্কীয় তথ্য ৰাজহুৱা কৰিব। মন্ত্ৰী গৰাকীয়ে লগতে কয় যে আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈকে ধৰি একাধিক কংগ্ৰেছ নেতা ৰাইজৰ তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হোৱাটো কংগ্ৰেছৰ জনবিৰোধী ৰাজনীতিৰ প্ৰতিফলন। এই ঘটনাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কংগ্ৰেছক ক্ষুৰধাৰ কটাক্ষ কৰে। মন্ত্ৰী যোগেন মহনে অভিযোগ কৰে যে অবৈধ বাংলাদেশীৰ প্ৰতি থকা কংগ্ৰেছৰ প্ৰীতিৰ বাবেই আজি দলটো ৰাইজৰ ৰোষত পৰিছে। তেওঁ কয় - "অসমৰ ৰাইজে যিসকলক আৱৰ্জনা বুলি গণ্য কৰে, কংগ্ৰেছে সেই অবৈধ বাংলাদেশীসকলক মিতিৰ বুলি সাৱটি লৈছে। সেইসকলক লৈ নিৰ্বাচন জিকাৰ সপোন দেখাৰ ফলতেই আজি কংগ্ৰেছ ৰাইজৰ ক্ৰোধৰ বলি হৈছে।" আনহাতে, এক বিস্ফোৰক মন্তব্য কৰি মন্ত্ৰী গৰাকীয়ে দাবী কৰে যে মুখ্যমন্ত্ৰীয়ে তথ্য ফাদিল কৰাৰ পাছত কংগ্ৰেছী বুলি পৰিচয় দিবলৈও বহুতে লাজ পাব। ইফালে আজি মন্ত্ৰী গৰাকীয়ে মাজুলীৰ জিলা বিজেপিৰ কাৰ্যালয়ত জিলা বিজেপিৰ সভাপতি, বিধায়ক আৰু দলীয় কাৰ্যকৰ্তা সকলৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগন্তুক ১৪ ফেব্ৰুৱাৰীৰ অসম ভ্ৰমণৰ সন্দৰ্ভতো এক আলোচনাত মিলিত হয়।

## ব্ৰহ্মপুত্ৰৰ বুকুৰ জাহাজত

আকৰ্ষণীয় ঠাই হিচাপে পৰিগণিত হ'বলৈ ধৰিছে। এই দিশত এক নতুন অধ্যায় সূচনা কৰিলে বিশ্ববিখ্যাত নদীদ্বীপ মাজুলীয়ে। মাজুলীত প্ৰথমবাৰৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ বুকুত ৰ'পে' (Ro-Pax) জাহাজত বিবাহ অনুষ্ঠিত হোৱাক লৈ আজি জলপৰিবহণ বিভাগৰ ৰ'পে' ঘাট তথা ব্ৰহ্মপুত্ৰৰ পাৰত এক উখল-মাখল, উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। এই ব্যতিক্ৰমী বিবাহক কেন্দ্ৰ কৰি মাজুলীত 'বিবাহ পৰ্যটন'ৰ এক নতুন ৰূপ উন্মোচিত হৈছে। লখিমপুৰ জিলাৰ ব্যৱসায়ী গোবিন বৰদলৈয়ে তেওঁৰ কন্যা জুবলী বৰদলৈৰ বিবাহৰ বাবে ৰ'পেক্স জাহাজ ভাড়াত লৈ এই ব্যতিক্ৰমী আয়োজন কৰে। লখিমপুৰৰেই ভবানন্দ দত্তৰ সৈতে জুবলী বৰদলৈৰ শুভ বিবাহ আজি মাজুলীত ব্ৰহ্মপুত্ৰ নদীৰ বুকুত ৰ'পে'ত সম্পন্ন হয়। এই ব্যতিক্ৰমী বিবাহ অনুষ্ঠানে মাজুলীক নদী পৰ্যটনৰ লগতে বিবাহ পৰ্যটনৰ এক নতুন মানচিত্ৰত স্থান দিছে। বিবাহ উপলক্ষে ৰ'পে' জাহাজটো সুন্দৰকৈ সজোৱা হয়। নদীৰ বুকুত চলন্ত জাহাজতেই সম্পূৰ্ণ থলুৱা আৰ্হিত, প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজতে বিবাহ অনুষ্ঠান সম্পন্ন কৰা হয়। নদীৰ পাৰত পৰম্পৰাগত অসমীয়া খাদ্যৰে অতিথি-অভ্যাগতক আপ্যায়নৰ বিশেষ ব্যৱস্থা কৰা হয়। এই ব্যতিক্ৰমী বিবাহত আৱেগিক দৃশ্যও দেখা যায়। পিতৃ আৰু কন্যাৰ মাজত আবেগিক মুহূৰ্তই সকলোৰে মন স্পৰ্শ কৰে। কইনা জুবলী বৰদলৈয়ে মনৰ অনুভৱ ব্যক্ত কৰি কয়- "মই কোনো মেকআপ কৰা নাই। মানুহ মেকআপ কৰি ধুনীয়া হোৱাতকৈ মনৰ পৰা ধুনীয়া হব লাগে। মই মনৰ ধুনীয়া হৈ বেছি ভাল পাও। আজি নিজকে একেবাৰে ৰজাৰ জীয়েকৰ দৰে লাগিছে। দেউতাক মই ৰজা বুলি ভাবো।" দলিচা নপৰাকৈ, প্ৰকৃতিৰ দলিছাতেই এই বিবাহ অনুষ্ঠিত হোৱাই অনুষ্ঠানটোক অধিক ব্যতিক্ৰমী কৰি তোলে। উল্লেখযোগ্য যে নদী পৰ্যটনক আগুৱাই নিবলৈ জিলা প্ৰশাসন আৰু অভ্যন্তৰীণ জল পৰিবহণ বিভাগে ইতিমধ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। এই ৰ'পেক্স বিবাহ অনুষ্ঠান সেই প্ৰচেষ্টাক এক নতুন দিশ প্ৰদান কৰিছে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। মাজুলীত অনুষ্ঠিত এই ব্যতিক্ৰমী বিবাহে অসমত ডেষ্টিনেশ্যন ওৱেডিংৰ অপাৰ সম্ভাৱনীয়তাৰ দিশটোও আঙুলিয়াই দিছে। থলুৱা সংস্কৃতি, প্ৰকৃতি আৰু আধুনিক পৰিকল্পনাৰ সংমিশ্ৰণে আগন্তুক দিনত মাজুলীকে ধৰি অসমৰ বহু ঠাই বিবাহ পৰ্যটনৰ অন্যতম গন্তব্যস্থল হিচাপে গঢ় লৈ উঠিব বুলি আশা কৰা হৈছে। বিবাহ অনুষ্ঠানত মাজুলীৰ লগতে বহু দূৰ-দূৰনিৰ অতিথিসকল উপস্থিত থাকি কন্যাক আশীৰ্বাদ দিয়াৰ লগতে মাজুলী মনোমহা পৰিৱেশ উপভোগ কৰে। আজিৰ বিবাহ অনুষ্ঠানত মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, মাজুলী জিলা জেষ্ঠ আৰক্ষী অধীক্ষ গৰাকীৰ লগতে বহু ব্যক্তি উপস্থিত হয়।

## দ্বিতীয়বাৰৰ বাবে ডব্লিউপি..

এই উত্তেজনাপূৰ্ণ ফাইনেলত স্মৃতি মান্ধানাৰ নেতৃত্বাধীন আৰ চি বিয়ে ডি চিৰ দিয়া ২০৪ ৰাণৰ বিশাল লক্ষ্য মাত্ৰ ১৯.৪ অভাৰতে ৪ উইকেট হেৰুৱাই অতিক্ৰম কৰে। এই জয়ৰ ফলত আৰ চি বি আৰু মুম্বাই ইণ্ডিয়ানছৰ লগতে ডব্লিউ পি এলৰ দুইবাৰকৈ চেম্পিয়ন হোৱা দলৰ সৈতে যোগদান কৰিলে। আনহাতে দিল্লী কেপিটেলছে চতুৰ্থবাৰৰ বাবে ফাইনেল খেলি বিফল হ'ল আৰু এতিয়াও খিতাপ জয়ৰ সোৱাদ ল'ব পৰা নাই। আৰ চি বিয়ে ডব্লিউ পি এলৰ ইতিহাসত সৰ্ববৃহৎ ৰাণ অনুসৰণৰ অভিলেখ গঢ়িলে। পূৰ্বৰ অভিলেখ আছিল ২০২ ৰাণ, যিটো আৰ চি বিৰ নিজৰেই আছিল। স্মৃতি মান্ধানা আৰু জৰ্জিয়া ভ'লৰ মাজত হোৱা ১৬৫ ৰাণৰ দ্বিতীয় উইকেটৰ পাৰ্টনাৰশ্বিপে দলক জয়ৰ দিশে লৈ গ'ল। এই পাৰ্টনাৰশ্বিপ ডব্লিউ পি এলত দ্বিতীয় উইকেটৰ সৰ্বাধিক ৰাণৰ অভিলেখ হিচাপে স্থান লাভ কৰিলে। এই জয়ে আৰ চি বি মহিলা দলৰ শক্তি আৰু স্থিতিস্থাপকতাক পুনৰ প্ৰমাণ কৰিলে। দিল্লী কেপিটেলছৰ বাবে অধিনায়ক সলনি হ'লেও (মেগ লেনিংৰ পৰা জেমিমা ৰড্ৰিগেজলৈ) ফাইনেলত সফলতাৰ সোৱাদ ল'ব নোৱাৰিলে।

## গৌৰৱ গগৈৰ আগমনক

কাৰ্যসূচীৰ অংশ হিচাপে শুকুৰবাৰে নগাঁও জিলাৰ বটদ্ৰৱা থানত উপস্থিত হয় দলীয় নেতৃত্ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থানত সেৱা আগবঢ়োৱাৰ উদ্দেশ্যেৰে অহা এই দলটোৰ আগমনৰ লগে লগে স্থানীয় বিজেপি কৰ্মীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ ফলত থান চৌহদত সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। প্ৰতিবাদকাৰী বিজেপি কৰ্মীসকলে "গৌৰৱ গগৈ গ' বেক", "গৌৰৱ গগৈ মুৰ্দাবাদ", "পাকিস্তানী এজেণ্ট গৌৰৱ গগৈ মুৰ্দাবাদ" আদি শ্লোগান দি উত্তাল পৰিৱেশ সৃষ্টি কৰে। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে কংগ্ৰেছ কৰ্মীসকলে "গৌৰৱ গগৈ জিন্দাবাদ" ধ্বনিৰে প্ৰত্যুত্তৰ দিয়ে। দুয়োপক্ষৰ শ্লোগানৰ মাজত অঞ্চলটো কিছু সময়ৰ বাবে উত্তেজনাময় হৈ পৰে। এই পৰিস্থিতিৰ মাজতে গৌৰৱ গগৈসহ কংগ্ৰেছৰ জ্যেষ্ঠ নেতাসকলে থানত প্ৰৱেশ কৰি গুৰুজনাৰ ওচৰত মূৰ দোৱাই সেৱা আগবঢ়ায়। দলটোৰ সৈতে উপস্থিত আছিল সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰিপুণ বৰা, সাংসদ ৰকিবুল হুছেইন, বিধায়ক নুৰুল হুদা, বিধায়ক দেৱব্ৰত শইকীয়া, ভূপেন বৰা, জিতেন্দ্ৰ সিং আদি একাধিক নেতা। পৰিস্থিতিৰ সন্দৰ্ভত গৌৰৱ গগৈয়ে কয় যে, "আজি আমি বটদ্ৰৱালৈ আহিছোঁ গুৰুজনাৰ ওচৰত মূৰ দোৱাই অসমৰ সমাজৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিবলৈ। আমি শান্তিপ্ৰিয় এখন সমাজ গঢ় দিব বিচাৰোঁ, য'ত সকলোৰে মানৱ অধিকাৰ সুৰক্ষিত থাকিব। বৰদোৱা থানত কোনো শাসক নাই, কোনো বিৰোধী নাই। আমি কেৱল অসমীয়া হিচাপে ইয়াত উপস্থিত হৈছোঁ।" আনহাতে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কয় যে, এই কাৰ্যসূচী নিৰ্বাচনকেন্দ্ৰিক নহয়। সাম্প্ৰতিক সময়ত সৃষ্টি হোৱা বিভাজনকামী আৰু সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে গুৰুজনাই গঢ় দি যোৱা বৰ অসম সুৰক্ষিত ৰখাৰ স্বাৰ্থত এই যাত্ৰা গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে, ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে ৰাজ্যজুৰি এই 'পৰিৱৰ্তন যাত্ৰা' আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তে দলে বিজেপি চৰকাৰৰ বিৰুদ্ধে বিভিন্ন বিষয়ত অভিযোগ উত্থাপন কৰি জনসাধাৰণৰ মাজত সমৰ্থন বিচাৰিছে। বটদ্ৰৱাৰ এই ঘটনাই ৰাজনৈতিক উত্তেজনাৰ মাত্ৰা আৰু স্পষ্ট কৰি তুলিছে।

## ষষ্ঠবাৰৰ বাবে অনূৰ্ধ্ব-১৯ বিশ্বকাপ চেম্পিয়ন

দলে এক ঐতিহাসিক জয় লাভ কৰিছে। শুকুৰবাৰে অনুষ্ঠিত শ্বাসৰুদ্ধকৰ ফাইনেলত ভাৰতে ইংলেণ্ডক ১০০ ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ষষ্ঠবাৰৰ বাবে বিশ্ব চেম্পিয়ন হৈছে। এই জয়ৰ ফলত ভাৰত অনূৰ্ধ্ব-১৯ বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক খিতাপ জয়ী দল হিচাপে নিজৰ আধিপত্য অটুট ৰাখিছে। ভাৰতীয় অধিনায়ক আয়ুষ মাত্ৰেই টছ জিকি প্ৰথমে বেটিংৰ সিদ্ধান্ত লোৱাৰ পিছত দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেট হেৰুৱাই ৪১১ ৰাণ সংগ্ৰহ কৰে। এই বিশাল লক্ষ্যৰ সন্মুখত ইংলেণ্ড দল ৪০.২ অভাৰত সমূহ উইকেট হেৰুৱাই মাত্ৰ ৩১১ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। মেচৰ নায়ক হৈ পৰে ১৪ বছৰীয়া অ'পেনিং বেটছমেন বৈভৱ সূৰ্যবংশী। মাত্ৰ ৫৫টা বলতে শতক অৰ্জন কৰি অনূৰ্ধ্ব-১৯ বিশ্বকাপৰ ইতিহাসত দ্বিতীয় দ্ৰুততম শতকৰ অভিলেখ গঢ়ে। ৮০টা বল খেলি তেওঁ ১৫টা চাৰি আৰু ১৫টা ছয়ৰ সহায়ত ১৭৫ ৰাণৰ বিস্ফোৰক ইনিংছ খেলে। এই ইনিংছত তেওঁ অনূৰ্ধ্ব-১৯ যুৱ এদিনীয়া ক্ৰিকেটত সৰ্বাধিক ছয় মাৰি (১৫টা) আৰু ১৫০ ৰাণ সৰ্বাধিক দ্ৰুততম (৭১ বলত) কৰাৰ অভিলেখও ভংগ কৰে। ইংলেণ্ডৰ হৈ থমাছ ৰিউ আৰু অন্যান্য বেটছমেনে যথেষ্ট চেষ্টা কৰিলেও ভাৰতীয় বলাৰসকলৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত দলটোৱে লক্ষ্য স্পৰ্শ কৰিব নোৱাৰিলে। এই জয়ৰ ফলত ভাৰতে ২০০০, ২০০৮, ২০১২, ২০১৮, ২০২২ আৰু ২০২৬ চনত মুঠ ষষ্ঠবাৰৰ বাবে অনূৰ্ধ্ব-১৯ বিশ্বকাপৰ খিতাপ জয় কৰিলে। আনহাতে ইংলেণ্ডৰ বাবে ২৮ বছৰ ধৰি অব্যাহত থকা খিতাপ জয়ৰ অপেক্ষা আৰু দীঘলীয়া হ'ল।

**গৌৰৱ গগৈৰ নেতৃত্বত চলি থকা যাত্ৰাই মিঞা আধিপত্যৰ অসম গঢ়াৰ ষড়যন্ত্ৰক প্ৰকাশ কৰিছে**

## কংগ্ৰেছৰ 'সময় পৰিৱৰ্তন' যাত্ৰা ক'লা দিনৰ পুনৰাবৃত্তি; বিজেপিৰ অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছে মা কামাখ্যা মন্দিৰৰ পৰা আৰম্ভ কৰা 'সময় পৰিৱৰ্তনৰ যাত্ৰা'ক লৈ ৰাজ্যিক বিজেপিয়ে তীব্ৰ সমালোচনা কৰিছে। শুকুৰবাৰে বাজপেয়ী ভৱনত অনুষ্ঠিত সংবাদমেলত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ জয়ন্ত কুমাৰ গোস্বামীয়ে এই যাত্ৰাক "পাকিস্তানী এজেণ্ট গৌৰৱ গগৈৰ নেতৃত্বত চলি থকা ক'লা দিনৰ পুনৰাবৃত্তিৰ যাত্ৰা" বুলি অভিহিত কৰে। মুখপাত্ৰ জয়ন্ত গোস্বামীয়ে কয় যে, কংগ্ৰেছৰ এই যাত্ৰাই জনসাধাৰণৰ মনত পুৰণি কংগ্ৰেছ শাসনকালৰ গঁড় হত্যা, দুৰ্নীতি, স্বজনপোষণ আৰু জনবিৰোধী নীতিৰ কথা পুনৰ স্মৰণ কৰাই দিছে। খিলঞ্জীয়া অসমীয়া হিন্দু-মুছলমানসহ ভাৰতীয় মূলৰ জনসাধাৰণৰ অধ্যুষিত অঞ্চলসমূহত এই যাত্ৰাই বিশেষ সমাদৰ লাভ কৰা নাই। বৰদোৱা, বটদ্ৰৱা আদি অঞ্চলত জনতাৰ তীব্ৰ প্ৰতিবাদ আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে কংগ্ৰেছৰ এই কাৰ্যসূচী। কিন্তু মিঞা অধ্যুষিত অঞ্চলসমূহত এই যাত্ৰাই ব্যাপক সমৰ্থন লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, "কংগ্ৰেছৰ নতুন 'বৰ অসম'ৰ ধাৰণাই মিঞাৰ আধিপত্য থকা এখন অসমক বুজাইছে। গৌৰৱ গগৈৰ নেতৃত্বত এই যাত্ৰাই পৰৱৰ্তী সময়ত মিঞাসকলক অসমৰ সকলো অঞ্চলতে সংস্থাপিত কৰাৰ পণ লোৱাৰ ইংগিত দিছে।" জয়ন্ত গোস্বামীয়ে অভিযোগ কৰে যে কংগ্ৰেছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰিছে, কিন্তু অসমীয়া জনতাই এই ষড়যন্ত্ৰ সফল হ'বলৈ নিদিব। তেওঁ মুখ্যমন্ত্ৰীক "সুৰক্ষিত অসমীয়া জাতিৰ ভৱিষ্যত দ্ৰষ্টা" বুলি অভিহিত কৰি কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়া অসমীয়াৰ সুৰক্ষাৰ স্বাৰ্থত মিঞাৰ বিৰুদ্ধে নীৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। অসমৰ জনসাধাৰণ তেখেতৰ লগত আছে।" তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লগত লৈ অহোপুৰুষাৰ্থ কৰি অসমক উন্নয়নৰ পথত আগুৱাই লৈ গৈছে। বিগত দশকত অসমে যি উন্নতি সাধন কৰিছে, তাৰ মূলতে আছে বিজেপি চৰকাৰৰ দৃঢ় নেতৃত্ব। প্ৰসংগক্ৰমে উল্লেখ্য যে, বৃহস্পতিবাৰে কামাখ্যা মন্দিৰৰ পৰা আৰম্ভ হোৱা এই যাত্ৰাই শুকুৰবাৰে দ্বিতীয় দিনা গুৱাহাটীৰ পৰা নগাঁও জিলাৰ বটদ্ৰৱা থান হৈ কাজিৰঙালৈ অগ্ৰসৰ হৈছে। গৌৰৱ গগৈৰ নেতৃত্বত থকা দলটোৱে বটদ্ৰৱাত বিজেপি কৰ্মী-সমৰ্থকৰ তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হৈছে। এই ৰাজনৈতিক বাক-বিতণ্ডাই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত উত্তেজনা আৰু অধিক বৃদ্ধি কৰিছে।

**অসমৰ মহিলা সমাজৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ বাবে আমি বিশেষভাবে প্ৰচেষ্টা গ্ৰহণ কৰিছোঁ ঃ মুখ্যমন্ত্ৰী**

# দেৰগাঁও আৰু তিতাবৰ বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত পুঁজি বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

**❑ লাচিত বৰফুকন আৰক্ষী একাডেমীত এটা প্ৰশিক্ষণ কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী ❑**

**অসম বাৰ্তা, দেৰগাঁও, ৬ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ দেৰগাঁও বিধানসভা সমষ্টি আৰু যোৰহাট জিলাৰ তিতাবৰ বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত বীজ মূলধনৰ চেক প্ৰদানৰ শুভাৰম্ভ কৰে। দেৰগাঁও সমষ্টিত ৩১, ৮৯৫ গৰাকী আৰু তিতাবৰ সমষ্টিত ৩৫.৪৬১ গৰাকী হিতাধিকাৰীয়ে ১০ হাজাৰ টকাকৈ বীজ মূলধনৰ চেক লাভ কৰে। ইয়াকে ধৰি আজি পৰ্যন্ত ৰাজ্যখনৰ ১১১টা বিধানসভা সমষ্টিত মহিলা উদ্যমিতা পুঁজিৰ চেক বিতৰণ সম্পন্ন হ'ল আৰু বৰ্তমানলৈকে ২৭, ৭৭, ৮৯৯ গৰাকী মহিলাই উদ্যমিতা পুঁজিৰ প্ৰথম কিস্তিৰ ধনৰাশি লাভ কৰিলে। এই উপলক্ষে দেৰগাঁও বিধানসভা সমষ্টিৰ লাচিত বৰফুকন আৰক্ষী একাডেমী খেলপথাৰত আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে ৰাজ্যৰ মহিলা সমাজৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে উদ্যমিতা অভিযানৰ উপৰি অৰুণোদয়, নিযুত মইনা আঁচনিৰ লগতে ৰেচন কাৰ্ডৰ জৰিয়তে প্ৰতিমাহত ১০০ টকাতে ১ কিলোগ্ৰামকৈ দাইল, চেনি আৰু নিমখ প্ৰদানৰ দৰে বহুকেইটা পদক্ষেপ গ্ৰহণ কৰিছে। পৰিয়াল চলোৱাত এগৰাকী মহিলাই যাতে অসুবিধা অনুভৱ কৰিবলগা নহয় আৰু তেওঁলোকে যাতে সমাজত উপযুক্ত সন্মানেৰে জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ বাবেই ৰাজ্য চৰকাৰে এই আঁচনি আৰু পদক্ষেপসমূহ গ্ৰহণ কৰিছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মহিলা এগৰাকী যেতিয়া স্বাৱলম্বী হয় তেতিয়া সন্তানে উপযুক্ত শিক্ষা লাভ কৰাটো নিশ্চিত হৈ পৰে। তেওঁ কয়- 'অসমৰ নৱপ্ৰজন্মই যাতে জ্ঞান আৰু প্ৰজ্ঞাৰ আলোকেৰে ৰাজ্যখন আলোকিত কৰিব পাৰে তাৰ বাবে আমি বিভিন্ন আঁচনি ৰূপায়ণৰ সমান্তৰালকৈ প্ৰতিখন জিলাত চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আদি স্থাপন কৰিছোঁ।' ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা অভিযানৰ অধীনত প্ৰদান কৰা পুঁজিৰ ব্যৱহাৰ সন্দৰ্ভত কয় যে আত্মসহায়ক গোটৰ মহিলা হিতাধিকাৰীসকলে এই পুঁজি তিনিপ্ৰকাৰে ব্যৱহাৰ কৰিব পাৰে। প্ৰথম কিস্তি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ পুঁজি আত্মসহায়ক গোটৰ সদস্যাসকলে তেওঁলোকৰ গোটত জমা কৰি সমূহীয়াভাবে ব্যৱসায় কৰিব পাৰে বা গোটত জমা হোৱা সমুদায় ১ লাখ টকাৰ পুঁজিৰ পৰা ঋণ লৈও ব্যৱসায় কৰিব পাৰে। দ্বিতীয়তে তেওঁলোকে এই পুঁজিৰে নিজেও ব্যৱসায় কৰিব পাৰে অথবা তৃতীয় বিকল্প হিচাপে এই পুঁজি স্বামী বা পৰিয়ালৰ ব্যৱসায়তো আগবঢ়াব পাৰে। ড° শৰ্মাই কয় যে আজি আগবঢ়োৱা উদ্যমিতা পুঁজিৰ ব্যৱহাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে ছয় মাহৰ পিছত ঘৰে-ঘৰে গৈ মূল্যায়নৰ ব্যৱস্থা কৰিব। এই পুঁজিৰ সদ্ব্যৱহাৰ হ'লে পৰৱৰ্তী দুটা পৰ্যায়ত ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে দেৰগাঁও সমষ্টিত ৩০, ৪৮৮ গৰাকী হিতাধিকাৰীয়ে অৰুণোদয় আঁচনি আৰু ২, ৫৬৯ গৰাকী ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰাৰ লগতে প্ৰায় ৫৪, ৫৯১খন ৰেচন কাৰ্ডৰ জৰিয়তে ১, ৬৩, ৮৯৮ গৰাকী হিতাধিকাৰী উপকৃত হৈছে। দেৰগাঁও সমষ্টিত নতুনকৈ ২ হাজাৰ মহিলাক অৰুণোদয় আঁচনিৰে সামৰি লোৱা হ'ব বুলিও তেওঁ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে ভাষণত লগতে কয় যে চলিত মাহৰ ২০ তাৰিখে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীয়ে একেলগে ৮ হাজাৰ টকাকৈ লাভ কৰিব। আগন্তুক সময়ত ৰেচন কাৰ্ড থকা পৰিয়ালসমূহক ১ লিটাৰকৈ মিঠাতেলৰ লগতে চাহপাত প্ৰদানৰ ব্যৱস্থা কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰা হ'ব বুলিও সভাত মুখ্যমন্ত্ৰীয়ে কয়। ভাষণত মুখ্যমন্ত্ৰীয়ে দেৰগাঁও সমষ্টিত বিগত সময়ছোৱাত হোৱা উন্নয়নমূলক কাম-কাজৰ কথা উল্লেখ কৰি কয় যে সমষ্টিটোত দেৰগাঁও-গোলাঘাট সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ কাম সম্প্ৰতি পূৰ্ণগতিত চলি আছে। ২০২৫ বৰ্ষত সমষ্টিটোত ৪৫টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে অনুমোদন জনোৱা হৈছে। তদুপৰি লাচিত বৰফুকন আৰক্ষী একাডেমীত এখন বৃহৎ ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছে। একাডেমীখনত আৰক্ষীকে ধৰি সামৰিক আৰু অৰ্ধসামৰিক বাহিনীত ৰাজ্যৰ যুৱপ্ৰজন্মৰ নিয়োগৰ সুবিধাৰ্থে এটা প্ৰশিক্ষণ কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ কয়। ভৱিষ্যতে লাচিত বৰফুকন আৰক্ষী একাডেমিত এখন আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই চিকিৎসা মহাবিদ্যালয়খনত সৰ্বসাধাৰণ ৰাইজেও চিকিৎসাসেৱাৰ সুবিধা লাভ কৰিব। আগন্তুক সময়ত প্ৰত্নতাত্বিক বিভাগৰ সৈতে আলোচনা কৰি নেঘেৰিটিং শিৱ মন্দিৰৰ সংবৰ্ধনৰ কাম হাতত লোৱাৰ চিন্তা-চৰ্চা কৰা হৈছেবুলিও সভাত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। উল্লেখ্য যে, দেৰগাঁৱত আয়োজিত আজিৰ এই অনুষ্ঠানৰ সুৰক্ষাৰ দায়িত্বত অসম আৰক্ষীৰ মহিলা সুৰক্ষাকৰ্মীক নিয়োগ কৰা হৈছিল। অনুষ্ঠানত কৃষি আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ভবেন্দ্ৰনাথ ভৰালী, বিশ্বজিৎ ফুকন, প্ৰাক্তন বিধায়িকা বিস্মিতা গগৈৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ, জিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি আৰু উচ্চপদস্থ বিষয়া উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে তিতাবৰৰ বাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত আয়োজিত এখন বিশাল ৰাজহুৱা সভাত তিতাবৰ বিধানসভা সমষ্টিৰ বাবে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত উদ্যমিতা পুঁজি প্ৰদানৰ শুভাৰম্ভণী অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মহিলা উদ্যমিতা অভিযান হৈছে ৰাজ্যৰ একমাত্ৰ মহিলাকেন্দ্ৰিক সৰ্ববৃহৎ আঁচনি। অনুৰূপ ধৰণে অৰুণোদয় আঁচনিৰ জৰিয়তেও ৰাজ্যৰ মহিলাসকলক বেংক একাউণ্টত পোনপটীয়াকৈ পুঁজি যোগান ধৰা হয় বুলি উল্লেখ কৰি তেওঁ কয় যে এই আঁচনিকেইখনৰ সৈতে মহিলাসকলক স্বাৱলম্বী কৰি পৰিয়ালত সন্মান বৃদ্ধি কৰাৰ দৰ্শন সংযুক্ত হৈ আছে। যিখন ঘৰত পুৰুষৰ সমানে সমানে মহিলাসকলেও ঘৰখনৰ উপাৰ্জন বৃদ্ধিত অৰিহণা যোগাব পাৰে, সেইখন ঘৰ ভালকৈ চলাৰ লগতে মহিলাসকলকো পৰিয়ালৰ আন সদস্যসকলে সুকীয়া দৃষ্টিভংগীৰে চায় বুলি মন্তব্য কৰি তেওঁ লগতে কয়- 'মহিলা এগৰাকীয়ে যেতিয়া উপাৰ্জন কৰিবলৈ আৰম্ভ কৰে তেতিয়া ঘৰুৱা কন্দল বা গাৰ্হস্থ্য হিংসা নোহোৱা হয় আৰু মহিলাগৰাকীয়ে সমাজৰ যিকোনো বিষয়ত নেতৃত্ব ল'ব পৰা হয়। বিগত পাঁচ বছৰত অসমৰ মহিলা সমাজৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ বাবে আমি বিশেষভাৱে প্ৰচেষ্টা গ্ৰহণ কৰিছোঁ।' আত্মসহায়ক গোটসমূহৰ জৰিয়তে ৰাজ্যৰ মহিলাসকলে এক বৃহৎ আন্দোলন গঢ়ি তুলিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যত আজি আঠ লক্ষাধিক মহিলাই বিভিন্ন ব্যৱসায়িক কাম-কাজেৰে বছৰি ১ লাখ টকাতকৈ অধিক উপাৰ্জন কৰি লাখপতি বাইদেউৰ শ্ৰেণীলৈ উন্নীত হ'বলৈ সক্ষম হৈছে। তিতাবৰ সমষ্টিত এনে লাখপতি বাইদেউৰ সংখ্যা ৩, ৮৩২ গৰাকী বুলি সদৰি কৰি তেওঁ ইয়াৰ উদাহৰণ হিচাপে ববীতা ভূঞা, বীনা গগৈ, পাৰিজাত বৰুৱা দত্ত, ৰূপাঞ্জলী কোঁৱৰ, লক্ষ্মী গগৈ, জ্যোতি শৰ্মা, সেউতী গগৈ, গীতাঞ্জলি বৰদলৈ, প্ৰতীমা বৰুৱা, মুনমী শইকীয়া, ৰূপা বৰুৱা, প্ৰণীতা গগৈ, মেঘালী কছাৰী, নীঝ গগৈ, বিংকি দত্ত, জ্যোতি বৰা, দিপালী কলিতা, মৃদুলা চুতিয়া, মামণি গগৈ, পৰী বৰুৱাৰ নাম উল্লেখ কৰে। তেওঁ কয় যে এইসকল মহিলাই সম্প্ৰতি বছৰি ১.৭৬ লাখ টকাৰ পৰা ২.৬৭ লাখ টকালৈ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। আজি লাভ কৰা উদ্যমিতা পুঁজিৰ ধন সদব্যৱহাৰ কৰি নিজকে লাখপতি বাইদেউ হিচাপে গঢ় দিয়াৰ পথত অগ্ৰসৰ হ'বলৈ তেওঁ তিতাবৰ সমষ্টিৰ মহিলাসকলক আহ্বান জনায়। তিতাবৰ সমষ্টিত ২৯, ৯৩৬ গৰাকী হিতাধিকাৰীয়ে অৰুণোদয় আঁচনি লাভ কৰাৰ কথা উল্লেখ কৰি নতুনকৈ ২ হাজাৰ মহিলাক এই আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। প্ৰসংগক্ৰমে তেওঁ বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত ১.৫০ লাখৰো অধিক যুৱক-যুৱতীক স্বচ্ছতাৰে চৰকাৰী চাকৰি প্ৰদানৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে এসময়ত চৰকাৰী চাকৰি প্ৰদানৰ বিনিময়ত ধনৰ লেন-দেন হোৱাৰ অভিযোগ উঠিছিল। আনকি এনে বিষয়ক লৈ বহু উপন্যাসো লিখা হৈছিল। কিন্তু বৰ্তমানৰ চৰকাৰখনে চৰকাৰী চাকৰিত নিয়োগৰ ক্ষেত্ৰত স্বচ্ছতা আৰু মেধ্যক প্ৰাধান্য দিয়াৰ ফলত এতিয়া যুৱচামৰ মাজত পঢ়াৰ প্ৰতিও আগ্ৰহ বৃদ্ধি পাইছে। বিগত সময়ছোৱাত তিতাবৰ সমষ্টিত হোৱা উন্নয়নমূলক কাম-কাজৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম মালাৰ অধীনত প্ৰায় ১২৮ কোটি টকা ব্যয়বে প্ৰায় ৩৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ যোৰহাট-তিতাবৰ-বৰহোলা পথৰ উন্নয়নৰ কাম চলাই থকা হৈছে। তেনেদৰে ১১১ কোটিৰো অধিক টকা ব্যয়ৰে তিতাবৰ নগৰ হৈ কাকডোঙাৰ পৰা দেবেৰাপাৰলৈ যোৱা ধোদৰ আলি পথৰ কাম পূৰ্ণ গতিত চলি আছে। তেওঁ লগতে কয় যে পথ নিৰ্মাণৰ কেইবাখনো আঁচনিৰ অধীনত সমষ্টিটোত ২৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ১৬৬টা প্ৰকল্প ৰূপায়ণ কৰা হৈছে। তিতাবৰ সমষ্টিৰ বাবে উদ্যমিতা পুঁজি বিতৰণৰ এই সভাত বিত্ত আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, বিধায়ক ৰূপজ্যোতি কুৰ্মী, ভাস্কৰজ্যোতি বৰুৱা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ চন্দ্ৰ কছাৰী, অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰী, অসম নগৰ পানী যোগান আৰু পয়-প্ৰণালী পৰিষদৰ অধ্যক্ষ ৰাণা গোস্বামীৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ, জিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি তথা শীৰ্ষ বিষয়া উপস্থিত থাকে।

# সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা ষষ্ঠ বাৰ্ষিক একাংকিকা নাট প্ৰতিযোগিতাৰ সফল সামৰণি



**অসম বাৰ্তা, মাকুম, ৬ ফেব্ৰুৱাৰী** ঃ এখন সমাজত সু-বাৰ্তা দিবলৈ বা এখন সমাজত ঘটি থকা কিছুমান অপকৰ্ম-অসামাজিক কৰ্ম বা মানুহৰ মনৰ পৰা মলিনবোৰ আঁতৰাই এখন সুস্থ সমাজ গঢ়াৰ উদ্দেশ্যৰে সদৌ মৰাণ ছাত্ৰ সন্থাই বিগত পাঁচ বছৰ ধৰি একাংকিকা নাটৰ যোগেদি ৰাইজলৈ বাৰ্তা প্ৰেৰণ কৰি আহিছে। বিগত পাঁচ বছৰৰ দৰে এই বছৰো তিনিচুকীয়া জিলাৰ মৰাণ জনগোষ্ঠীৰ এগৰাকী পুৰোধা ব্যক্তি, সাংস্কৃতিক জগতৰ লগত ওতপ্ৰোতঃভাৱে জড়িত অনাতাঁৰ শিল্পী অচ্যুত চুতীয়াৰ সোঁৱৰণিত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত, সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত, সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ আতিথ্যত, বৃহত্তৰ লাংকাছি অঞ্চলবাসী ৰাইজৰ সহযোগত মাকুম লাংকাছি ৰাজহুৱা প্ৰেক্ষাগৃহত যোৱা ইংৰাজী ৩ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা ষষ্ঠ বাৰ্ষিক একাংকিকা নাট প্ৰতিযোগিতাৰ ৪ ফেব্ৰুৱাৰী তাৰিখে সফল ভাৱে অন্ত পৰে। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, শ্বহীদ বেদী তৰ্পণৰ লগতে প্ৰয়াত অনাতাঁৰ শিল্পী অচ্যুত চুতীয়া আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পতাকা উত্তোলন কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াই, শ্বহীদ তৰ্পণ কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয় কান্ত মৰাণে, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মাল্যঅৰ্পণ কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টাদ্বয় ক্ৰমে সুখেন নেওগ আৰু টিকেন্দ্ৰজিত গোহাঁইয়ে বন্তি প্ৰজ্জল কৰে প্ৰয়াত অচ্যুত চুতীয়াৰ ভাতৃ দেৱজিত চুতীয়াই। সন্ধ্যা ৬ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ীগীত মায়াবিনী পৰিৱেশনেৰে আৰম্ভ হোৱা নাটৰ প্ৰতিযোগিতা খনি উদ্বোধন কৰে জনপ্ৰিয় অভিনেত্ৰী ৰিম্পী দাসে। প্ৰথম দিনা অৰ্থাৎ ৩ তাৰিখে মঞ্চস্থ কৰা নাট সমূহ ক্ৰমে তিনিচুকীয়া ৰূপান্তৰ নাট্যগোষ্ঠীৰ বলুকাত বিয়লি বেলা, ৰূপাই ৰিফলেকছন চিনিয়ৰ চেকেণ্ডাৰি স্কুল কলা পাহাৰ, তিনিচুকীয়া সূৰ্যমুখী নাট্যগোষ্ঠীৰ চকী, ৰূপাই প্ৰাচুৰ্য প্ৰডাকচনৰ টোপ, যোৰহাট বাহনা অংগহাৰা কলা তীৰ্থ নাট্যগোষ্ঠী দ্যা চাইৰেন, , তিনিচুকীয়া ৰেলৱে কালচাৰেল এচ'চিয়েছনৰ সংকাৰ, চিপাঝাৰ বনলতা ক্ৰিয়েচনৰ এঙাৰ, মঙ্গলদৈৰ মূৰ্ছনা কলা কেন্দ্ৰৰ ভোক আৰু বাঘজান ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ৰ ভোটৰ পোৱালি। অন্তিম দিনা সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক ৰাতুল মৰানে আৰম্ভণিৰ আঁতধৰা মঞ্চস্থ কৰা নাটক সমূহ ক্ৰমে টিংখাঙৰ বংশী হৰি নাট্য গোষ্ঠৰ বুদ্ধ, গুৱাহাটীৰ ৰং ৰাগৰ মৰহা গোলাপৰ পাহী, গোলাঘাট লিভিং থিয়েটাৰ, চকুৱে কথা কলে, ডিব্ৰুগড় দাপোন নাট্যগোষ্ঠীৰ নোকোৱা সাধু, মঙলদৈ, জেংৰাই অসমৰ টোটয়, ডেৰগাঁও দাধৰিয়া নাট্যদল মুখা আঁৰৰ মুখা, দুলিয়াজান লেছেৰী সাংস্কৃতিক মঞ্চ অন্য এক বৃন্দাবন, চৰাইদেউ চন্দ্ৰ নাট্য গোষ্ঠী সাপেখাটী, দ্যা চেমিলিয়ন। দুয়োটা দিনৰ প্ৰতিযোগিতাৰ অন্তত বিচাৰক মণ্ডলী হিচাপে উপস্থিত থকা মানবেন্দ শৰ্মা আৰু ড° নীলিম চেতিয়াই যুটীয়াভাৱে ৬টা শ্ৰেষ্ঠ নাট্যদলক নিৰ্বাচিত কৰে। ক্ৰমে প্ৰথম শ্ৰেষ্ঠ নাট্যদল: ৰংৰাগ, গুৱাহাটী নাটক: মৰহা গোলাপৰ পাহী, দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল (যুটীয়া ভাৱে): ১। সূৰ্যমুখী নাট্যগোষ্ঠী তিনিচুকীয়া নাটক: চকী, ২। তিনিচুকীয়া ৰেলৱে কালচাৰেল এচ'চিয়েছনৰ নাটক: সংকাৰ, তৃতীয় শ্ৰেষ্ঠ নাট্যদল (যুটীয়া ভাৱে): ১। লিভিং থিয়েটাৰ, গোলাঘাট নাটক: চকুৱে কথা কলে, ২। বনলতা ক্ৰিয়েচন, ছিপাঝাৰ নাটক: এঙাৰ, চতুৰ্থ শৃংখলাবদ্ধ শ্ৰেষ্ঠ নাট্যদল: জেংৰাই অসম মঙলদৈ নাটক: টোটয়। অনুষ্ঠানৰ শেষত সমূহ নাট্যগোষ্ঠী দলক কৃতজ্ঞতা জনাবলৈ উপস্থিত হয় জনপ্ৰিয় অভিনেতা নয়ন নীলিমে।

**কেন্দ্ৰটোত প্ৰথমবাৰৰ বাবে ৩২২ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হ'ব মেট্ৰিক পৰীক্ষাত**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজেন গোহাঁইৰ সমালোচনা

# এটা ডাঙৰ সাংবিধানিক পদত থকা ব্যক্তিজনৰ মন বিশাল আৰু উদাৰ হ'ব লাগিছিল

**অসম বাৰ্তা, নগাঁও, ৫ ফেব্ৰুৱাৰী** ঃ"যিজন ৰজাৰ কোনো মানৱতাই নাই তেওঁ কেনেধৰণৰ ৰজা। এজন ৰিস্কাচালকক কম পইচা দিবলৈ দি নিজৰ নিকৃষ্ট মনৰ পৰিচয় দিছে। এটা ডাঙৰ সাংবিধানিক পদত থকা ব্যক্তিজনৰ মন বিশাল আৰু উদাৰ হ'ব লাগিছিল।" - মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি এই মন্তব্য কৰে এসময়ৰ বিজেপিৰ সাংসদ তথা বৰ্তমান অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি ৰাজেন গোহাঁইয়ে। আজি নগাঁৱত সাংবাদিকৰ আগত গোহাঁইয়ে পুৰণি সতীৰ্থ সকলক আহ্বান জনাই কয় যে, যিসকলে ভাবিছে ৰাজেন গোহাঁইয়ে শুদ্ধ কাম কৰিছে তেওঁলোকে আমাক সহযোগ কৰক। এখন নতুন অসম নিৰ্মাণ কৰো। য'ত ঘৃণা নাই, য'ত সকলো জাতি-জনগোষ্ঠী সমান। বিভাজনে আমাক কেতিয়াও শক্তিশালী নকৰে। দুৰ্বল কৰিব। বিভাজন বিহীন সমাজ সৃষ্টি কৰি সকলো আগবাঢ়ি যাওক।" মিঞাক তুচ্ছ তাচ্ছিল্য কৰি হিন্দুৰ মন জয় কৰিব নোৱাৰি বুলি মন্তব্য কৰি তেওঁ কয়, মিঞা সকল এজন ব্যক্তিৰ দৃষ্টিত ঘৃণাৰ সামগ্ৰী হ'ব পাৰে। কিন্তু মিঞা সকলো মানুহ। তেওঁলোকৰো জাতি প্ৰেম আছে। আমি যদি ঘৃণা আৰু বিভাজনকামী এখন সমাজ চলি থাকিবলৈ দিলে আমাৰ ভৱিষ্যত অন্ধকাৰ। কাৰ্বি আংলং আৰু বড়ো ভূমিত সংঘটিত সংঘাতৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয়, "কোনে এই সংঘাত লগাই আছে। কোনে ইজনে সিজনক ঘৃণা কৰিবলৈ শিকাইছে। ইজনে সিজনক হত্যা কৰাৰ মানসিকতা গঢ় দিছে এতিয়া সেইয়া বিচাৰ কৰাৰ সময়।" গোহাঁইয়ে বঢ়মপুৰ সমষ্টিৰ প্ৰাৰ্থিত্ব লাভ কৰিলে বিজেপিয়ে প্ৰতিদ্বন্দ্বী হ'ব বুলি গোহাঁইয়ে মন্তব্য কৰে। তেওঁ কয় " জীৱনৰ শেষ সময়ত এবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰিছো। পূৰ্বৰ ৰাজনৈতিক জীৱনত যিখিনি কৰিব পৰা নাছিলো সেইখিনি কৰিব পাৰো নেকি তাৰে এটা প্ৰয়াস কৰিব বিচাৰিছো। বঢ়মপুৰ বিধানসভা সমষ্টিত বিজেপিৰ শক্তিশালী ভেটি থকাৰ কথা সাংবাদিকে উনুকিয়াই দিওঁতে গোহাঁইয়ে কয়, মই টো এসময়ত বিজেপিত আছিলো। সেই ভেটিময়ে নিৰ্মাণ কৰা। মই বনোৱা ভেটিৰ ওপৰতে অসমৰ বিজেপিৰ ৰাজনীতি চলি আছে। মই বনোৱা ভেটিটো বাহিৰৰ পৰা অহা মানুহে গ্ৰাস কৰি বিকৃত দিশত নিছে। সেয়ে ময়ো ওলাই আহিবলগীয়া হ'ল।" আঞ্চলিকতাবাদকলৈ আশাবাদী বুলি মন্তব্য কৰে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী গোহাঁয়ে। গোহাঁইয়ে অগপই আঞ্চলিকতাবাদী দল হিচাপে নিজৰ স্থিতি ৰাখিব নোৱাৰাটো তেওঁলোকৰ ভুল বুলি কয়।

## নাজিৰাত বাংলাদেশী মিঞাক সকিয়নী অসমীয়া যুৱ মঞ্চৰ

**অসম বাৰ্তা, নামতি, ৬ ফেব্ৰুৱাৰী** ঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাংলাদেশী মিঞাৰ বিৰোধী অভিযান অব্যাহত ৰাখিছে। তাৰ সমান্তৰালকৈ অসমৰ কেইবাটাও দল সংগঠনে বাংলাদেশী মিঞাৰ বিৰোধী এই অভিযানত সমৰ্থন কৰি অহা পৰিলক্ষিত হৈছে। যোৱা কেইদিনমানৰ আগতে শিৱসাগৰ জিলাৰ এজন ব্যক্তিয়ে ধুবুৰীৰ পৰা শিৱসাগৰলৈ ১০০ মিঞা কথা কৈ আকৌ সৰৱ কৰি তুলিছে জাতীয় দল সংগঠন সমূহক। উল্লেখ্য যে অসমত প্ৰত্যেক দিনাই সংঘটিত হৈ অহা চুৰ, ডকাইতি, ধৰ্ষণ আদি ঘটনাৰ লগত এই বাংলাদেশী মিঞা সকল জড়িত হৈ আহিছে। আজি নাজিৰাত অসমীয়া যুৱ মঞ্চৰ নাজিৰা আঞ্চলিক সমিতিয়ে নগৰৰ মাজমজিয়াত "জাগিলে অসম বাচিব দেশ নহ'লে অসম হ'ব বাংলাদেশ"এই শ্লোগানেৰে বেনাৰ লগাই আগন্তুক তিনি দিনৰ ভিতৰত বাংলাদেশী মিঞাক শিৱসাগৰ নাজিৰাৰ পৰা যাবলৈ হুংকাৰ প্ৰদান কৰে। অন্যথা বাংলাদেশী মিঞাক দেখাৰ লগে লগে পিটন দি খেদি পঠিয়াব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আনহাতে অসমৰ খিলঞ্জীয়া মুছলমান ভাই বন্ধু সকলৰ লগত কোনোধৰণৰ শত্ৰুতা নাই তেওঁলোকৰ লগত সদায় ভাই-ভাই সম্পৰ্ক থাকিব। এই অভিযান উঠি অহা প্ৰজন্মক বাংলাদেশী মুক্ত অসম দিয়াৰ সংগ্ৰাম।

# অসম বাৰ্তা গোষ্ঠীৰ তৰফৰ পৰা বকোৰ বিশিষ্ট সমাজসেৱক অনুপম দাসক 'সমাজ সাৰথি বঁটা- ২০২৬' প্ৰদান



**অসম বাৰ্তা, বকো, ৬ ফেব্ৰুৱাৰী** ঃঅসম বাৰ্তা কাকতৰ ষষ্ঠ বৰ্ষপুতি উপলক্ষে বসুন্ধৰা যুৱ সমাৰোহ ২.০ আৰু বটা প্ৰদান অনুষ্ঠানখন বৃহস্পতিবাৰে গুৱাহাটিৰ দিছপুৰ লোকনিৰ্মাণ বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সংবাদ, সাহিত্য, শৈক্ষিক আদি বিভিন্ন ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়াই বিভিন্নজনক 'অসম বাৰ্তা' গোষ্ঠীৰ ২০২৬ বৰ্ষৰ বঁটাসমূহ প্ৰদান কৰাৰ লগতে সম্বৰ্দ্ধনা জনোৱা হয়। উল্লেখ্য যে অসম বাৰ্তা কাকতৰ ষষ্ঠ বৰ্ষপুতি উপলক্ষে বসুন্ধৰা যুৱ সমাৰোহ ২.০ আৰু বঁটা প্ৰদান অনুষ্ঠানত বকো অঞ্চলৰ বিশিষ্ট সমাজসেৱক, যুৱ সাংস্কৃতিক কৰ্মী অনুপম দাসলৈ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়াই অহা অনবদ্য অৱদানৰ বাবে এক মনোজ্ঞ অনুষ্ঠানৰ জৰিয়তে এই বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত গ্ৰন্থ উন্মোচনৰ লগতে ভাষা সংস্কৃতি, জাতীয় চেতনাবোধৰে উদ্বুদ্ধ হৈ সমাজৰ সুস্থ বাৰ্তাবাহকৰ ভূমিকা গ্ৰহণ কৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ অনন্য প্ৰতিভাৱান বিশিষ্ট লোকলৈ এনে সন্মান প্ৰদান কৰে অসম বাৰ্তা গোষ্ঠীয়ে। প্ৰকাশ্য যে, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্যকৰী সভাপতি আৰু কামৰূপ জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতিৰ দায়িত্বত থকা অনুপম দাসলৈ আগবঢ়োৱা সন্মানৰ বাবে উদ্যোক্তালৈ শলাগ লোৱা পৰিলক্ষিত হয়।

# বৰক্ষেত্ৰীৰ কালদি গোপালথান হাইস্কুলত মেট্ৰিক পৰীক্ষা কেন্দ্ৰ; উৎফুল্ল বৃহত্তৰ অঞ্চলবাসী

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৬ ফেব্ৰুৱাৰী** ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কালদিস্থিত কালদি গোপালথান হাইস্কুলখন ৰূপান্তৰিত হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰলৈ। জানিব পৰা মতে, উক্ত কেন্দ্ৰটোত মুগদি মিলন হাইস্কুল, কস্তুৰীবা গান্ধী বালিকা বিদ্যালয়, দমদমা হাইস্কুল, চৰ আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা ইয়াৰ অধীনস্থ ব্যক্তিগত খণ্ডৰ ভালেকেইখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এইবাৰ প্ৰথমবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিছে। ইতিমধ্যে পৰীক্ষাটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে বিদ্যালয়খনৰ প্ৰধান শিক্ষক চবিন চন্দ্ৰ কলিতাৰ নেতৃত্বত এখন পৰিচালনা সমিতি গঠন কৰা হৈছে। সভাপতিৰূপে বিশিষ্ট শিক্ষাবিদ কমল দাস প্ৰমুখ্যে মানসজ্যোতি তালুকদাৰ, সাংবাদিক সংগীতা মেধি, প্ৰীতম গোস্বামী, হামিদ আলী, যতীন ৰাজবংশী, অনিল বৰ্মন, অনন্ত বৰ্মন, নীলিমা বেগম, প্ৰদীপ বৰ্মন, ৰাজু ডেকা, ভুৱনেশ্বৰ নাথ, ধীৰেন হালৈ, মজনুৰ মোল্লা, দধি বৰ্মন, দিপ্তী তালুকদাৰ, চামচুদ্দিন আহমেদে ধৰি কেবাজনো সদস্যক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি অঞ্চলটোৰ ছয়খন বিদ্যালয়ৰ সৰ্বমুঠ ৩২২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এইবাৰ উক্ত বিদ্যালয়খনৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হ'ব। ১০ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা সুকলমে সম্পন্ন কৰাৰ বাবে পৰীক্ষা কেন্দ্ৰটোত ইতিমধ্যে চি চি কেমেৰা সংস্থাপনকে ধৰি পৰীক্ষা বোৰ্ডে নিৰ্ধাৰণ কৰি দিয়া সকলো যাৱতীয় কাম কাৰ্যকৰী কৰা প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। উল্লেখ্য যে কালদি গোপালথান হাইস্কুলখনক পৰীক্ষাকেন্দ্ৰৰূপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত অনবৰতে তৎপৰতা প্ৰদৰ্শন কৰা কালদি গোপালথান হাইস্কুল পৰিচালনা আৰু উন্নয়ন সমিতি, প্ৰধান শিক্ষক চবিন কলিতা, বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়ন্ত ঠাকুৰীয়াৰ লগতে বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ ভূমিকা অতি উল্লেখনীয় বুলি সন্তুষ্টি প্ৰকাশ কৰি অঞ্চলবাসী ৰাইজে শলাগ লৈ কৃতজ্ঞতা প্ৰকাশ কৰাও পৰিলক্ষিত হৈছে।

# বিশিষ্ট শিল্পী মাজুলীৰ বিনোদ শইকীয়া (দুলাল) বৰবায়নলৈ অসম চৰকাৰৰ একঁকালীন শিল্পী পেঞ্চন

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ফেব্ৰুৱাৰী** ঃ মাজুলীৰ সত্ৰীয়া-সংস্কৃতিৰ বিশিষ্ট শিল্পী, সুদক্ষ ট্যুৰিষ্ট গাইড বিনোদ শইকীয়া বৰবায়ন ওৰফে দুলাল শইকীয়ালৈ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা ২০২৫ বৰ্ষৰ এক কালীন শিল্পী পেঞ্চনৰ বাবে নিৰ্বাচিত কৰিছে। মাজুলীৰ কমলাবাৰী শইকীয়া পেপাৰ এজেঞ্চীৰ স্বত্বাধিকাৰী তথা বিশিষ্ট শিল্পী বিনোদ শইকীয়াই একঁকালীন শিল্পী পেঞ্চন লাভ কৰাত মাজুলীত আনন্দ উল্লাসৰ সৃষ্টি হৈছে। বাতৰি কাকতৰ বিতৰক হিচাপে মাজুলীত সুপৰিচিত বিনোদ শইকীয়া ওৰফে দুলাল শইকীয়া বৰবায়ন এগৰাকী প্ৰসিদ্ধ অভিনেতা, ট্যুৰিষ্ট গাইড আৰু উত্তৰ কমলাবাৰী সত্ৰৰ বৰবায়ন। কমলাবাৰীৰ সমীপৰ ভেকুলীমাৰী গাঁৱত ঘনকান্ত শইকীয়া আৰু সৰুমাই শইকীয়াৰ ঔৰষত ১৯৬৪ চনত বিনোদ শইকীয়াৰ জন্ম হৈছিল। শইকীয়াৰ ছয় বছৰ বয়সতে বৰদেউতাক প্ৰাণনাথ শইকীয়া দেউৰীয়ে ১৯৬৯ চনত চনত উত্তৰ কমলাবাৰী সত্ৰলৈ ভকত হিচাপে লৈ আনিছিল। সেই সময়ৰ পৰাই তেওঁ সত্ৰীয়া নৃত্য, গীত, অভিনয় আৰু বিশেষকৈ সত্ৰৰ বায়নৰ অৰ্হতা আৰু শিক্ষা লাভ কৰিছিল। তেওঁ সত্ৰৰ প্ৰসংগীয়াত গায়নে গোৱা মাহেকৰ ৩০টা দিনৰ ৩০টা বন্ধা ৰাগত খোল বাদ্য সংগত কৰিছিল। তেওঁৰ গুৰু প্ৰয়াত চেনিৰাম মুক্তিয়াৰ, টুনীৰাম বৰবায়ন আৰু পৰমানন্দ বৰবায়নৰ পৰা বায়নৰ

**স্থায়ী শিল্পী পেঞ্চন প্ৰদানৰ দাবী**

শিক্ষা লাভ কৰিছিল। তেওঁ ১৯৬৯ চনৰ পৰাই সত্ৰীয়া সংস্কৃতি পৰিৱেশন কৰি আহিছে। অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনত প্ৰথম সত্ৰীয়া নৃত্য পৰিৱেশন কৰিছিল। ১৯৯৮ চনৰ পৰা ২০০০ চনলৈ কোচবিহাৰত বায়ন আৰু অভিনেতা হিচাপে অভিনয় কৰিছিল। তেওঁ মধ্য প্ৰদেশৰ ভূপালত আদিবাসী লোক কলা পৰিষদৰ "ৰাষ্ট্ৰীয় ৰামলীলা মেলাত" বায়ন আৰু অভিনেতা হিচাপে অভিনয় কৰিছিল। গুৱাহাটী দুৰদৰ্শনৰ কেন্দ্ৰৰ বহুতো অনুষ্ঠানত তেওঁ অংশগ্ৰহণ কৰিছিল। বিনোদ শইকীয়াই অসমৰ বিভিন্ন প্ৰান্তত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ উপৰিও আহমেদাবাদ, চণ্ডীগড়, দিল্লী, মুম্বাই, লক্ষ্ণৌ আদিত অনুষ্ঠিত হোৱা "স্বৰ্ণোৎসৱত" বায়ন শিল্পী হিচাপে অংশগ্ৰহণ কৰিছিল। ২০০৮ চনৰ সমগ্ৰ জুলাই মাহত তেওঁ ফ্ৰান্স আৰু পৰ্টুগালত এমাহ ধৰি উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলৰ সৈতে বিভিন্ন সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠান পৰিৱেশন কৰিছিল। আজন্ম সত্ৰীয়া শিল্পী বিনোদ শইকীয়াই ২০০২ চনৰ ৮ ছেপ্টেম্বৰত উত্তৰ কমলাবাৰী সত্ৰৰ তৰফৰ পৰা বৰবায়নৰ নিৰ্মালি প্ৰদান কৰে। পশ্চিমবংগৰ শান্তি নিকেতনত কেইবাবাৰো অনুষ্ঠান পৰিৱেশন কৰা বিনোদ শইকীয়া বৰবায়নে এসময়ত হেণ্ডিক্ৰাফট, কেন ক্ৰাফট, বেম্ব ক্ৰাফট, বুড ক্ৰাফট আৰু কষ্টিউম ডিজাইনাৰ হিচাপেও কাম কৰিছিল। ১৯৮৬ চনৰ পৰাই মাজুলীত পৰ্যটন খণ্ডত উন্নয়নৰ বাবে তেওঁ পৰ্যটক গাইড হিচাপে কাম কৰি আছে। বিভিন্ন আলোচনী, কিতাপ বাতৰি কাকতত বিনোদ শইকীয়া বৰবায়নৰ বিভিন্ন প্ৰবন্ধ প্ৰকাশ পাইছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰা বিনোদ শইকীয়া বৰবায়নক ২০১১ চনত মাজুলীৰ গড়মূৰ প্ৰেছ ক্লাৱে "লা মেজু দি আনন্দ" বঁটা প্ৰদান কৰি সন্মানিত কৰিছিল। ২০২০ চনৰ ক'ভিড মহামাৰীৰ সময়ত তেওঁক অসম চৰকাৰে ৫০, ০০০.০০ টকা প্ৰদান কৰি সম্বৰ্ধনা জনাইছিল। বৰ্তমান কমলাবাৰী বিষ্ণুপুৰৰ বাসিন্দা বিনোদ শইকীয়া বৰবায়নক আজন্ম সত্ৰীয়া শিল্পী হিচাপে স্থায়ী ভিত্তিত শিল্পী পেঞ্চন প্ৰদান কৰিবলৈ অসম চৰকাৰক তেওঁৰ শুভাকাংক্ষীসকলে আহ্বান জনাইছে।

# পূৰ্ব্বাপৰ পৰম্পৰা আৰু আধুনিকতাৰ অপূৰ্ব সংগমেৰে বৰক্ষেত্ৰীৰ জাগাৰাত অনুষ্ঠিত ১২৭ তম্ সভা মহোৎসৱৰ সফল সামৰণি

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৬ ফেব্ৰুৱাৰী** ঃ অসমীয়া লোক-সংস্কৃতিৰ চহকী পৰম্পৰা আৰু লোক-কলাৰ সুবাসেৰে মুখৰিত হৈ পৰিল নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বৃহত্তৰ জাগাৰা অঞ্চল। উল্লেখ্য যে ১৮৯৯ চনৰ পূৰ্বৰ পৰা চলি অহা এই সভা মহোৎসৱ ২ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ঐতিহ্যমণ্ডিত ১২৭ তম বাৰ্ষিক জাগাৰা সভা মহোৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ধৰ্মধবজা উত্তোলনৰ পিছতে শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ মঙ্গলাচৰনমৰ জৰিয়তে সভা মহোৎসৱৰ ৰূপকাৰ প্ৰয়াত ব্যক্তিসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সভাৰ অস্থায়ী কাৰ্যালয়ৰ উদ্বোধন, সভাঘৰৰ মুখ্য প্ৰৱেশদ্বাৰ মুকলিৰে উদুলি মুদুলি পৰিৱেশৰ সৃষ্টি হয় জাগাৰা সভা মহোৎসৱস্থলী। দ্বিতীয় দিনাও লোকে লোকাৰণ্য হৈ পৰে সভা মহোৎসৱৰ বাকৰি। ভাগৱত পাঠ, আয়তিৰ নামেৰে এক আধ্যত্মিক পৰিৱেশৰো সূচনা হয়। একক নৃত্য প্ৰতিযোগিতা, ওজাপালি প্ৰদৰ্শন, ভূপেন হাজৰিকা আৰু লুইত কণ্ঠ তথা অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ আধাৰত আধুনিক একক নৃত্য প্ৰতিযোগিতাকে ধৰি ভালেমান কাৰ্যসূচীৰো আয়োজন কৰা হয়। তৃতীয় দিনাও লোকে- লোকাৰণ্য ঐতিহ্যমণ্ডিত জাগাৰা সভামহোৎসৱস্থলীৰ বাকৰি। আত্মসহায়ক গোটৰ মহিলাসকলে হস্তশিল্পৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ উপৰিও বিভিন্ন ব্যৱসায়েৰে স্বাৱলম্বিতা দেখুৱাবলৈও সমৰ্থবান হোৱা পৰিলক্ষিত হয়। আনহাতে, পাঁচদিনীয়া সভা মহোৎসৱত তিনিদিন ধৰি প্ৰদৰ্শন কৰা জুবিন গাৰ্গ অভিনীত শেষৰখন ছবি 'ৰৈ ৰৈ বিনালে'। চিনেমাখন চাবলৈও হেঁতা ওপৰা লগালে অসংখ্য লোকে। ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক মানসিক উৎকৰ্ষ সাধন কৰা চিত্ৰাংকন প্ৰতিযোগিতা, আয়তীৰ নাম, আতচবাজী প্ৰদৰ্শন, পাপৰি মিনি থিয়েটাৰৰ দ্বাৰা পূৰ্ণাংগ নাট পৰিৱেশন শিশুৰ পৰা আবাল বৃদ্ধ বনিতালৈকে সকলোকে আপ্লুত কৰে। জাগাৰা সভা মহোৎসৱৰ চতুৰ্থ দিনা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। মৃনালকান্তি মেধিৰ লগতে মিণ্টু দাস আৰু প্ৰিয়ংকা কলিতাৰ গীতৰ শৰাইৰে চতুৰ্থ দিনাৰ কাৰ্যসূচীৰ অন্ত পৰে। অসমীয়া সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ বিয়ানাম, ওজাপালিৰ প্ৰদৰ্শন কৰাৰ উপৰিও ভাৰত চৰকাৰৰ অধীনস্থ 'ভাৰতজন বিজ্ঞান যাত্ৰা, অসম'ৰ দ্বাৰা পুতলা নাচ, নাগাৰা নাম, খুহুতীয়া হাস্য-ব্যংগ ৰসেৰে উপস্থিত লোকক মনোৰঞ্জনৰ যোগেদি বাল্য বিবাহ, অন্ধবিশ্বাস কু-সংস্কাৰৰ বিৰুদ্ধে সজাগতাৰো সৃষ্টি কৰা হয়। কেৱল মনোৰঞ্জনৰ বাবেই নহয়, পুতলা নাচৰ দৰে লোক-কলাক মাধ্যম হিচাপে ব্যৱহাৰ কৰি জনসাধাৰণৰ মাজত বিজ্ঞান সজাগতা বৃদ্ধিৰ বাবেও প্ৰচেষ্টা চলোৱা হৈছে। বিয়ানামৰ সুৰত সমাজৰ নীতি-নিয়ম, সংস্কৃতি আৰু প্ৰমূল্যবোধ সুন্দৰকৈ প্ৰতিফলিত হোৱা দেখা গৈছে। এই ১২৭ তম সভা মহোৎসৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে বুলিও মহেশ বৰ্মনে জানিবলৈ দিয়ে। বৰ্মনে লগতে এনেদৰে মন্তব্য কৰে যে প্ৰায় ৪০ বছৰৰ আগৰ পৰাই তেওঁ এই ঐতিহ্যমণ্ডিত সভাখন প্ৰত্যক্ষ কৰি আহিছে। তেওঁৰ মতে, নলবাৰীৰ এই সভাখন কেৱল এটা ধৰ্মীয় বা সাংস্কৃতিক অনুষ্ঠান নহয়, বৰঞ্চ ই বিভিন্ন জাতি-জনগোষ্ঠীৰ এক মহা-মিলনভূমি। যিমানেই ব্যস্ততা নাথাকক কিয়, এই সভাৰ আকৰ্ষণে সকলোকে টানি আনে। দিনৰ ভাগত বিয়ানাম প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচীৰ পাছত সন্ধিয়া আয়োজিত সাংস্কৃতিক সন্ধিয়াৰ গীতৰ শৰাই মঞ্চৰ শুভ উদ্বোধন কৰে বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি মহেশ বৰ্মনে। অন্তিম তথা পঞ্চম দিনা পৰিৱেশ প্ৰস্তুতকৰণ, পূজা-অৰ্চনা আয়তীৰ নাম-প্ৰসংগৰ পিছতে পশ্চিম কলবাৰীৰ পূৰবী বৰ্মনৰ দলৰ দ্বাৰা নাগাৰা নাম পৰিৱেশন কৰা হয়। আনহাতে, অসম চৰকাৰৰ জিলা উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ, অসম ক্ষুদ্ৰ উদ্যোগ আৰু উন্নয়ন নিগম লিমিটেড, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত হৈছে থলুৱা উদ্যোগী তথা ব্যৱসায়ীসকলৰ ব্যৱসায়ৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে মুকলি কৰা 'জিলা উদ্যম সমাগম আৰু স্বদেশী মেলা'ত ৫০খনতকৈও অধিক বিপণী মুকলি কৰা হয়। বিভিন্ন প্ৰান্তৰ মহিলাই কাপোৰকে ধৰি হস্তশিল্পৰ প্ৰদৰ্শন কৰাৰ উপৰিও চাহ-পিঠাকে ধৰি বিভিন্ন সামগ্ৰী বিক্ৰী কৰি স্বাৱলম্বিতা দেখুৱাবলৈও সক্ষম হয়। মুঠতে, এই সভা মহোৎসৱত লোক-কলা আৰু আধুনিকতাৰ এই অপূৰ্ব সংগমে নতুন প্ৰজন্মক নিজৰ শিপাৰ সৈতে চিনাকি কৰি দিয়াৰ লগতে এক যোগাত্মক বাৰ্তাও প্ৰেৰণ কৰিছে।

## মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰৰ সাধাৰণ সভাৰ আয়োজন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৬ ফেব্ৰুৱাৰী** ঃ যোৰহাট আৱৰ্ত ভৱনৰ সন্মুখত ১৯৭১ চনত ৰাইজে প্ৰতিষ্ঠা কৰা, ইতিমধ্যে বৰ্ষজোৰা সোণালী জয়ন্তীৰ সম্পন্ন হোৱা মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰ, অসম যোৰহাটৰ আগন্তুক দ্বি-বাৰ্ষিক সাধাৰণ সভা অহা ৯ ফেব্ৰুৱাৰীত কেন্দ্ৰটোতে অনুষ্ঠিত হ'ব। পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছতে ১০ বজাৰপৰা হ'বলগীয়া সাধাৰণ সভাখনত বিগত দুবছৰৰ কৰ্মৰ খতিয়ান আৰু আয়-ব্যয়ৰ হিচাব দাখিলৰ পাছতে আগন্তুক দুবছৰ অনুষ্ঠানটো পৰিচালনাৰ বাবে সমিতি গঠন কৰিব। কেন্দ্ৰৰ সৈতে জড়িত সকলো সদস্য-সদস্যা আৰু শুভাকাংক্ষীক নিৰ্দিষ্ট সময়ত উপস্থিত হ'বলৈ সাধাৰণ সম্পাদক দীপাঞ্জলি ভৰালী বৰাই অনুৰোধ জনাইছে।

# কমলপুৰত বিজেপিৰ নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ সভা সম্পন্ন

**অসম বাৰ্তা, চাংসাৰি, ৬ ফেব্ৰুৱাৰী** ঃকমলপুৰ বিধানসভা সমষ্টিৰ বিজেপি নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা আজি অনুষ্ঠিত হয় বিধায়কৰ কাৰ্যালয়ত। এই সভাত সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, প্ৰাক্তন বিধায়ক যাদৱ চন্দ্ৰ ডেকা, উপ পৌৰপতি বিদ্যুৎত ডেকা, জিলা পৰিষদৰ সদস্য কিৰণ কাকতি, বিহদিয়া জাজিকোনা মণ্ডলৰ সভাপতি ত্ৰৈলোক্য ডেকা,




ৰাজ্যিক কাৰ্য্যনিৰ্বাহ সদস্য বাসন্তী দাস আদি সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে। সভাত আগন্তুক বিধানসভা নিৰ্বাচনৰ ৰণনীতি, প্ৰচাৰ অভিযান, জনসংযোগ, আৰু প্ৰাৰ্থী মনোনয়নৰ সম্ভাব্যতা আদি বিভিন্ন দিশত বিস্তৃত আলোচনা কৰে। দলীয় কৰ্মীসকলৰ মাজত সমন্বয় ৰক্ষা আৰু সংগঠনৰ শক্তি আৰু সুদৃঢ় কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। দলীয় কাৰ্যকৰ্তা আৰু সক্ৰিয় কৰ্মীসকলৰ উপস্থিতিত হোৱা এই মত বিনিময় আৰু পৰামৰ্শই ভৱিষ্যতৰ কাৰ্যক্ৰম ৰূপায়ণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে উক্ত সভাত। নিৰ্বাচনী প্ৰস্তুতিৰ প্ৰয়োজনীয় দিশসমূহ চিনাক্ত কৰি এখন কাৰ্যকৰী ৰোডমেপ তৈয়াৰ কৰাই আছিল এই সভাৰ মূল লক্ষ্য। দিগন্ত কলিতাই তেওঁৰ ভাষণত সমষ্টিৰ বৰ্তমান ৰাজনৈতিক অৱস্থা, প্ৰতিদ্বন্দ্বী দলসমূহৰ শক্তি-দুৰ্বলতা আৰু ৰাইজৰ মুখ্য সমস্যাসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ দলৰ নীতি আৰু লক্ষ্যসমূহ সফলতাৰে ৰাইজৰ ওচৰলৈ লৈ যোৱাত দলগত ঐক্য আৰু নিষ্ঠাৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিছে। এই সভাৰ জৰিয়তে দলে আগন্তুক নিৰ্বাচনত এক শক্তিশালী আৰু সংগঠিত ৰূপে ৰাইজক সেৱা আগবঢ়োৱাৰ স্পষ্ট লক্ষ্যৰে আগবাঢ়িব বুলি আশা প্ৰকাশ কৰিছে।

# দৰঙত উপস্থিত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰাহাতকাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰাহাতকাৰে দৰং জিলাৰ মঙলদৈত বৃহস্পতিবাৰে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰথমতে তেওঁ মঙলদৈ নাট্যমন্দিৰত অনুষ্ঠিত হোৱা পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলৰ লগত "She is a change maker" শীৰ্ষক এখন কৰ্মশালাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত দৰং -ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই উপস্থিত থাকি ভাষণত কয় যে আমাৰ সমাজত আই মাতৃসকলৰ ভূমিকা অপৰিসীম আৰু তেওঁলোকে সমাজ পৰিবৰ্তন কৰিব পাৰে। তেওঁ কয় যে চৰকাৰৰ বিভিন্ন জনহিতকৰ আঁচনিসমূহৰ বিষয়ে অৱগত হোৱাতো মহিলাসকলৰ প্ৰয়োজন আৰু তেওঁলোকক এই বিষয়ে জনাবলৈ মহিলা আয়োগে বিভিন্ন পদক্ষেপ হাতত লৈছে। সাংসদ গৰাকীয়ে মহিলাসকলক ইতিবাচক চিন্তাৰে আগুৱাই যাবলৈ আহ্বান জনায়। নাট্যমন্দিৰৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰাহাতকাৰে ভাষণ প্ৰদান কৰি কয় যে জনপ্ৰতিনিধি হ'লে বহুতো শিক্ষাৰ দৰকাৰ যে কাম কেনেকৈ কৰিব লাগিব। জনপ্ৰতিনিধিসকলক প্ৰশিক্ষণ দিয়াতো জৰুৰী, সেয়ে মহিলা আয়োগে এনেধৰণৰ কাৰ্যসূচী হাতত লৈছে। পঞ্চায়তৰ প্ৰতিনিধিসকলে গ্ৰামাঞ্চলৰ বিকাশৰ বাবে চৰকাৰে লোৱা বিভিন্ন আঁচনিৰ কামসমূহ তথা লাভসমূহ জানিব লাগিব যাতে গাঁৱৰ বিকাশ দ্ৰুত গতিত হয়। তেওঁ চৰকাৰৰ বিভিন্ন আঁচনি যেনে প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা, জল জীৱন মিছন ইত্যাদিৰ দ্বাৰা গাঁৱৰ কেনেকৈ উন্নতি হ'ব সেই বিষয়ে কয়। পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলক উদ্দেশ্যি তেওঁ সমাজত বাল্য বিবাহ ৰোধ কৰা, নিৰ্বাচনত উপযুক্ত ভোটাৰে অংশগ্ৰহণ কৰা আদি বিষয়ত সজাগতা আনিবলৈ কয়। চৰকাৰে মহিলাসকলৰ কাৰণে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ জৰিয়তে মহিলাসকল আৰ্থিকভাৱে সবল হৈছে আৰু নিজে নিজৰ ভৰিত থিয় দিব পাৰিছে বুলি তেওঁ কয়। অনুষ্ঠানত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অতিৰিক্ত সচিব বি, ৰাধিকা চক্ৰৱৰ্তীয়ে মহিলাসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। দৰং জিলাৰ জিলা আয়ুক্ত পূবালী গোহাঁয়ে আদৰণি ভাষণ প্ৰদান কৰা উক্ত অনুষ্ঠানত মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, খাৰুপেটীয়া পৌৰসভাৰ পৌৰপতি কৃষ্ণা সাহা, সমাজকৰ্মী মুকুন্দ ডেকা, কমলেশ্বৰ বৰুৱা প্ৰমুখ্যে গণ্য মান্য বিশিষ্ট ব্যক্তিসকল, পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকল উপস্থিত থাকে। ইয়াৰ পিছতে মঙলদৈস্থিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মহিলা হিতাধিকাৰীসকলৰ লগত মত বিনিময় কৰে ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰাহাতকাৰে। চৰকাৰৰ বিভিন্ন জনহিতকৰ আঁচনিসমূহৰ জৰিয়তে মহিলাসকল কিদৰে লাভান্বিত হৈছে সেই বিষয়ে কেইবাগৰাকী মহিলা হিতাধিকাৰীয়ে অধ্যক্ষ গৰাকীক অৱগত কৰে। হিতাধিকাৰীসকলে মুদ্ৰালোণ, আয়ুস্মান ভাৰত, অৰুণোদয়, মহিলা উদ্যমিতা আঁচনি, জীৱিকা সখী, আত্মসহায়ক গোট আদিৰ জৰিয়তে উপকৃত হোৱাৰ বিষয়ে উল্লেখ কৰে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা গৰাকীয়ে মহিলাসকলৰ সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰে আৰু বিভিন্ন জনহিতকৰ আঁচনিসমূহৰ জৰিয়তে আগবাঢ়ি যাবলৈ আহ্বান জনায়। বিয়লি অধ্যক্ষা গৰাকীয়ে এখন সংবাদমেল সম্বোধন কৰে। ইয়াৰ পিছতে বিভিন্ন বিভাগৰ বিষয়া সকলৰ লগত এখন সভাত মিলিত হয়। তদুপৰি আৰক্ষী বিষয়া সকলৰ লগতো মিলিত হয়।

## উত্তৰ লখিমপুৰ নগৰৰ পৰা নিৰুদ্দেশ হৈছিল চাৰি শতাধিক কুকুৰ

# লখিমপুৰত বিলাসী বাহনসহ ৭ কুকুৰ চোৰক কৰায়ত্ত

## বস্তাসহ তিনিটা কুকুৰ উদ্ধাৰ, দৃষ্টান্তমূলক শাস্তিৰ দাবী পশুপ্ৰেমীৰ

**অসম বাৰ্তা, লীলাবাৰী, ৬ ফেব্ৰুৱাৰী ঃ** লখিমপুৰত 'প্ৰিভেনচন অফ ক্ৰুৱেলিটি টু এনিমেলচ এক্ট, ১৯৬০' বিৰোধী কাৰ্যৰে শ শ বাটৰ কুকুৰ নিৰুদ্দেশ হোৱাটো দেশৰ কেৱল নজিৰবিহীন ঘটনাই নহয়, জিলাখনৰ সদৰ অঞ্চলত আচম্বিতে চোৰৰ প্ৰকোপ আৰু অবৈধ কাৰ্যকলাপ বৃদ্ধি পোৱাটো অতি আশ্চৰ্যজনক ঘটনা। যাৰ বাবে লখিমপুৰৰ পশুপ্ৰেমীসকল অতিশয় হতাশা আৰু শংকিত হৈছে। উত্তৰ লখিমপুৰ নগৰৰ বিভিন্ন স্থানৰ পৰা ধাৰাবাহিকভাৱে প্ৰায় চাৰি শতাধিক বাটৰ কুকুৰ নিৰুদ্দেশ হোৱাৰ সময়তে ৫ ফেব্ৰুৱাৰীৰ পুৱা লখিমপুৰ আৰক্ষীয়ে দুখন বিলাসী বাহনসহ সাতজন আন্তঃৰাজ্যিক কুকুৰ চোৰ তথা সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত চোৰ কেইটাৰ কবলৰ পৰা তিনিটাকৈ কুকুৰ উদ্ধাৰ কৰাৰ লগতে ২৩ পেকেট মেৰিগল্ড বিস্কুট, ১৫টা মৰাপাটৰ বস্তা জব্দ কৰে। প্ৰাপ্ত তথ্য অনুসৰি বৃহস্পতিবাৰে পুৱা বিশেষ সূত্ৰৰ পম খেদি লখিমপুৰ সদৰ টি. এছ. আই. দিপাংকৰ চাংমাই আৰু তেওঁৰ সহযোগী অংকুৰ বৰাই লখিমপুৰ নগৰত এখন চুইফট গাড়ী (এ এছ ০৭ পি ৬৭২৫) সহ তিনিজন কুকুৰ চোৰক ধৰিবলৈ সক্ষম হয়। ধৃত চোৰকেইটাৰ গাড়ীৰ পৰা এটা বস্তাত বান্ধি ৰখা কুকুৰ উদ্ধাৰ কৰাৰ পিছত তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত আন এখন চুইফট গাড়ী (এ এচ ০৯ কে ৫৪৬৮) সহ চাৰিজন লোকক ধৰিবলৈ সক্ষম হোৱাৰ লগতে চোৰকেইটাৰ পৰাও আৰক্ষীয়ে দুটা কুকুৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। দ্বিতীয়খন গাড়ী ধৰিবলৈ বুলি আৰক্ষীয়ে খেদি যোৱাৰ সময়ত ধৃত চোৰকেইটাই বগীনদীৰ সমীপৰ শিঙিদলনীৰে সোৱণশিৰি ঘাটলৈ বুলি পলায়ন কৰে। আৰক্ষীয়ে চোৰকেইটাক খেদি গৈ ধৰিবলৈ লওঁতে চোৰকেইটাই গাড়ী এৰি সোৱণশিৰিত জাপ দিয়ে যদিও আৰক্ষীয়ে চাৰিটা চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। উত্তৰ লখিমপুৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া টুলুমনি দুৱৰাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা ৭জন কুকুৰ চোৰৰ আটাইকেইজনেই কাৰ্বি আংলং জিলাৰ। কাৰ্বি আংলঙৰ বকলীয়া ঘাটৰ নিৰঞ্জন ৰংপি (২৫), ৰাহুল তেৰং (২৫), থমাচ ৰংপি (২৪), বিষ্ণু ৰংপি, জিৰং টকবি (২৫), বাকপানিৰ অ'কামচিং টকবি, ডকমকাৰ অনুচ হান্সে (২০), কুঠৰীৰ ৰেনচিং এংটি (২০) আৰু তৰাবাচাৰ মালং টকবি (১৯)। আৰক্ষীয়ে জনোৱা মতে অসমৰ বিভিন্ন জিলাৰ লগতে লখিমপুৰৰ পৰা চোৰকেইটাই দীৰ্ঘদিনৰ পৰা বাটৰ কুকুৰ ধৰি নি বহিঃৰাজ্যত বিক্ৰী কৰি আহিছিল। লখিমপুৰৰ পশু অধিকাৰ কৰ্মী তথা সাংবাদিক প্ৰিয়মজ্যোতি ফুকনে বিগত বৰ্ষৰ ২ নৱেম্বৰত বাটৰুৱা কুকুৰ নিৰুদ্দেশ আৰু অবৈধ সৰবৰাহ হোৱাৰ বিষয়ে লখিমপুৰ সদৰ থানাত এক এজাহাৰ দাখিল কৰিছিল। ইয়াৰ কিছুদিন পাছত একে বিষয়তে ডিম্পী পাৰিখ দিপাংকৰ শইকীয়া, লোহিত দাস আৰু ৰিতুপল ফুকনেও বিগত বছৰৰ ১১ নৱেম্বৰত সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। উল্লেখ্য যে, পশুপ্ৰেমীসকলৰ উপৰিও উত্তৰ লখিমপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া, জিলা পশুপালন বিষয়া আদিয়ে লখিমপুৰ সদৰ থানাত এজাহাৰ দাখিল কৰি দুস্কৃতিকাৰীক ধৰিবলৈ দাবী জনাই আহিছিল। ছয়খনকৈ এজাহাৰ দাখিল পাছত বিষয়টোৰ কোনো অগ্ৰগতি নোহোৱা দেখি পশু অধিকাৰ কৰ্মী প্ৰিয়মজ্যোতি ফুকনে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালক লখিমপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত ১৬ ডিচেম্বৰত সাক্ষাৎ কৰি বিষয়টোৰ সন্দৰ্ভত সবিস্তাৰে অৱগত কৰিছিল মন্ত্ৰী গৰাকীয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈ জিলা আয়ুক্তক তদন্ত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল আৰু জিলা আৰক্ষী অধীক্ষককো মন্ত্ৰী গৰাকীয়ে জিলাখনৰ বিভিন্ন থানাত কুকুৰ সৰবৰাহ আৰু নিৰুদ্দেশ সম্পৰ্কে কঠোৰ ব্যৱস্থাৰ গ্ৰহণৰ নিৰ্দেশ জাৰি কৰিছিল। পশুপ্ৰেমী সাংবাদিক প্ৰিয়ম জ্যোতি ফুকনে সাত কুকুৰ চোৰক কৰায়ত্ত কৰা সন্দৰ্ভত কয়- কুকুৰবিলাকৰ নিৰ্যাতন কৰি খাদ্যৰ বাবে অবৈধভাৱে সৰবৰাহ কৰা কাৰ্য আইনবিৰুদ্ধ আৰু অমানৱীয়। 'প্ৰিভেনচন অফ ক্ৰুৱেলিটি টু এনিমেলচ এক্ট, ১৯৬০ ৰ বিৰোধী। পশুপ্ৰেমী ফুকনে এক উচ্চস্তৰীয় তদন্তৰ দাবী কৰাৰ লগতে ঘটনাৰ আঁৰত জড়িত অপৰাধী চক্ৰক উৎখাত কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনায়। এনে ধৰণৰ ঘটনা যাতে ভৱিষ্যতে আৰু সংঘটিত নহয় তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা, আইনৰ সুৰুঙা লৈ কোনো কাৰণতে যাতে অপৰাধী হাৰি যাব নোৱাৰে সেই ব্যৱস্থা কৰি অপৰাধীক দৃষ্টান্তমূলক কঠোৰ শাস্তি বিহিবলৈ, দুস্কৃতিকাৰীৰ পৰা উদ্ধাৰ হোৱা কুকুৰ কেইটাৰ স্বাস্থ্য পৰীক্ষা কৰি তাৎক্ষণিকভাৱে সু-চিকিৎসা প্ৰদান কৰিবলৈ দাবী জনোৱাৰ লগতে আন এজন পশুপ্ৰেমী উজ্জ্বল ভূএগই লখিমপুৰ আৰক্ষীৰ এই অভিযানক ভূয়সী প্ৰশংসা কৰি কয় যে আটকাধীন অবৈধ পশু সৰবৰাহকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা উচিত।

# নাজিৰা বিধানসভা সমষ্টিত 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত চেক বিতৰণ কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, নামতি, ৫ ফেব্ৰুৱাৰী ঃ** নাজিৰা সমজিলাৰ ৯৭ নং নাজিৰা বিধানসভা সমষ্টিৰ নাজিৰা পঞ্চায়তৰ চকীমুখ খেলপথাৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অন্তৰ্গত আত্মসহায়ক গোটৰ মহিলাসকললৈ অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ অভিলাষী আঁচনি 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত প্ৰথম পৰ্যায়ৰ ১০০০০ টকাৰ চেক বিতৰণ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে সম্পন্ন হয়। এই অনুষ্ঠানত নাজিৰা বিধানসভা সমষ্টিৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা জীৱিকা অভিযানৰ অধীনৰ ১৪৩টা গ্ৰাম্য সংগঠনৰ অন্তৰ্গত ২৩৮৯টা আত্মসহায়ক গোটৰ ২৩৬৪২ গৰাকী মহিলাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচনিৰ পুঁজিৰ চেক লাভ কৰাৰ লগতে নাজিৰা বিধানসভা সমষ্টিৰ অধীনৰ ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অন্তৰ্গত ২৪৯৯ গৰাকী মহিলাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচনিৰ পুঁজিৰ চেক লাভ কৰে। অনুষ্ঠানত নাজিৰা বিধানসভা সমষ্টিৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অন্তৰ্গত সৰ্বমুঠ ২৬, ১৪১ গৰাকী আত্মসহায়ক গোটৰ উদ্যমী মহিলা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ পুঁজিৰ দ্বাৰা উপকৃত হয়।

# নাহৰকটীয়া ক্ৰীড়া সন্থাৰ স্থায়ী তোৰণৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, নাহৰকটীয়া, ৬ ফেব্ৰুৱাৰী ঃ** নাহৰকটীয়া ক্ৰীড়া সন্থাৰ মুখ্য প্ৰৱেশদ্বাৰৰ স্থায়ী তোৰণৰ আধাৰশিলা আজি নাহৰকটীয়া বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক তথা নাহৰকটীয়া ক্ৰীড়া সন্থাৰ সভাপতি তৰঙ্গ গগৈয়ে স্থাপন কৰে। ডি, এন, পি লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ প্ৰায় ১৫ লাখ টকাৰ CSR পুজিৰে নিৰ্মাণ হ'বলগীয়া তোৰণখনৰ আধাৰশিলা স্থাপন কাৰ্যসূচীত নাহৰকটীয়া ক্ৰীড়া সন্থাৰ সম্পাদক পংকজ সোণোৱাল, সন্থাৰ কাৰ্যকৰী সভাপতি পলাশ কোঁৱৰ, শৈলেন মন্ত্ৰী, নাহৰকটীয়া আৰক্ষী থানাৰ বিষয়া মনোৰঞ্জন ৰাজকোঁৱৰ, বিজু হাজৰিকা, পিংকুমণি হাজৰিকাৰ লগতে ক্ৰীড়া সন্থাৰ বিষয়ববীয়া আৰু খেলুৱৈ সকল উপস্থিত থাকে।

# শিশু শিক্ষা সমিতি, অসমৰ উৎকৰ্ষ মহোৎসৱ - ২০২৬ৰ সফল সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ফেব্ৰুৱাৰী ঃ** শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্ভুক্ত শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতন সমূহত ৪, ৫ আৰু ৬ ফেব্ৰুৱাৰীত 'উৎকৰ্ষ মহোৎসৱ' উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। এই মহোৎসৱত নিকেতন সমূহৰ শৈক্ষিক মান উন্নীতকৰণৰ লগতে প্ৰতিষ্ঠানিক সক্ষমতা বৃদ্ধি, প্ৰশাসনিক দক্ষতা, শৈক্ষিক সক্ষমতা, মূল্যবোধৰ শিক্ষা আদি বিভিন্ন দিশত উৎকৰ্ষ সাধনৰ উদ্দেশ্যেৰে অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত সমগ্ৰ অসমৰ ৫২০খন নিকেতনৰ মান নিৰূপণ কৰা হয়। প্ৰান্তীয় প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে মান নিৰূপণৰ বাবে প্ৰতিখন নিকেতন লৈ শিশু শিক্ষা সমিতি, অসমে ৫ জনীয়া মান নিৰূপক নিযুক্তি দিয়ে। মান নিৰূপক দলত প্ৰতিখন নিকেতনৰ বাবে এগৰাকী শিক্ষাবিদ, এগৰাকী নিকেতন পৰিচালনা সমিতিৰ বিষয়ববীয়া, এগৰাকী জ্যেষ্ঠ আচাৰ্য, এগৰাকী অভিভাৱক আৰু এগৰাকী প্ৰাক্তন ছাত্ৰসহ মুঠ ৫ জনকৈ ২৬০০ গৰাকীয়ে প্ৰত্যক্ষভাৱে সহযোগ আগবঢ়াই। এই উৎকৰ্ষ মহোৎসৱত নিকেতন সমূহৰ ১৪৫২৪৩ গৰাকী ছাত্ৰ-ছাত্ৰী, ৮৫৫০ গৰাকী আচাৰ্য আচাৰ্যা সহ মুঠ ১৫৬৩৯৩ গৰাকী ব্যক্তি জড়িত হৈ শিশু শিক্ষা সমিতি, অসমৰ এই মহান প্ৰচেষ্টাক বাস্তবায়িত কৰি বিদ্যা ভাৰতীৰ কাৰ্য জনমানসত এক নতুন জাগৰণৰ সূচনা কৰে। এই মহোৎসৱত বিদ্যা ভাৰতীৰ সহ সংগঠন মন্ত্ৰী শ্ৰীৰাম আৱাৰকাৰ, মহামন্ত্ৰী দেশৰাজ শৰ্মা, পূৰ্বোত্তৰ ক্ষেত্ৰৰ সভাপতি ড° গংগা প্ৰসাদ প্ৰসেইন, সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰী, সম্পাদক ড° জগদীন্দ্ৰ ৰায় চৌধুৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী, সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশী যুটীয়া সম্পাদক ড° ধনজিৎ ডেকাকে ধৰি কেইবাগৰাকী বিষয়ববীয়াই নিকেতন সমূহত উপস্থিত থাকি এই কাৰ্যত জড়িত সকলোকে ভূয়সী প্ৰশংসা কৰে। তেওঁলোকে এই কাৰ্যৰ দ্বাৰা শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতন সমূহৰ অধিক উৎকৰ্ষ সাধন হ'ব বুলি উল্লেখ কৰে।

# অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক অধিৱেশনত কেন্দ্ৰীয় যুৱ-সংসদৰ অনুষ্ঠান সম্পন্ন


## বাৰ্তালোচনী "যুৱ বাৰ্তা" উন্মোচন

**অসম বাৰ্তা, জাঁজী, ৬ ফেব্ৰুৱাৰী ঃ** "যুৱ-প্ৰজন্মৰ চিন্তনতে নিহিত থাকে জাতীয় জীৱনৰ উন্নয়নৰ তন্ত্ৰ। অসমৰ ভাবীকালৰ যুৱ-লেখক, চিন্তানায়কসকলক এখন নিৰ্ভৰযোগ্য মঞ্চ দিব পাৰে অসম সাহিত্য সভাৰ, কেন্দ্ৰীয় যুৱ-সংসদে। আমি আস্থা ৰাখিছোঁ অসমৰ যুৱ-প্ৰজন্মই নতুন চিন্তাৰে জাতীয় জীৱনৰ বৰঘৰ পোহৰোৱাৰ দুৱাৰমুখ হ'বঃ -আমাৰ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় যুৱ সংসদ।"- এই অভিমত ব্যক্ত কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। যোৱা ২ ফেব্ৰুৱাৰীত দিনৰ ১১: ৩০ বজাৰ পৰা, গুৱাহাটীৰ পাঞ্জাবাৰী স্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ গ্ৰন্থমেলাৰ বাকৰিত, অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক মধ্যকালীন অধিৱেশন উপলক্ষ্যে আয়োজিত "অসম সাহিত্য সভা"ৰ কেন্দ্ৰীয় যুৱ-সংসদৰ অনুষ্ঠানত বক্তব্য প্ৰদানেৰে অনুষ্ঠানটো জীপাল হৈ পৰে। নাৰিকল গুৰি শাখা সাহিত্য সভাৰ শিল্পীবৃন্দৰ অসম সাহিত্য সভাৰ শীৰ্ষ গীত- "চিৰ চেনেহী মোৰ ভাষা জননী"ৰ পৰিৱেশনৰে আৰম্ভ হোৱা অনুষ্ঠানত এটি দলীয় সত্ৰীয়া নৃত্য পৰিৱেশনৰ পিছতে, কেন্দ্ৰীয় যুৱ সংসদৰ কাৰ্যকৰী সভাপতি জীৱমণি নাথৰ সঞ্চালনাৰে আগবঢ়া অনুষ্ঠানত, কেন্দ্ৰীয় যুৱ-সংসদ উপ-সমিতিৰ দ্বাৰা প্ৰকাশিত আৰু মিণ্টু দাস সম্পাদিত: বাৰ্তালোচনী "যুৱবাৰ্তা" উন্মোচন কৰি অসম সাহিত্য সভাৰ সভাপতিয়ে যুৱ-সংসদৰ এই পদক্ষেপ সময়োপযোগী আৰু প্ৰশংসনীয় বুলি উল্লেখ কৰে। আনহাতে অনুষ্ঠানত বক্তৃতা আগবঢ়াই "যুৱ সংসদ"ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা যুৱ-প্ৰজন্মৰ প্ৰতিনিধিসকললৈ শুভেচ্ছা জ্ঞাপন কৰে - অসম সাহিত্য সভাৰ সম্পাদক দেৱজিত বৰাই। অনুষ্ঠানৰ অন্যতম কাৰ্যসূচী: "যুৱ-সদন"ত "যুৱ লেখকলৈ উদ্‌গণি: উদ্‌গতি- অসম সাহিত্য সভাৰ কৰণীয়" শীৰ্ষক নিৰ্দিষ্ট বিষয়ৰ বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰে পাঁচজনকৈ আমন্ত্ৰিত যুৱবক্তা ক্ৰমে: - গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক: প্ৰৱালজ্যোতি শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ, সংস্কৃত বিভাগৰ গৱেষক ছাত্ৰী সংগীতা ভট্টাচাৰ্য, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অংশকালীন ঘোষক, যুৱ লেখক ৰিংকু ৰিদীপ দত্ত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ ছাত্ৰ লক্ষ্মীনন্দন শইকীয়া আৰু ছাত্ৰী য়ানা শৰ্মাই। অনুষ্ঠানত এটি সত্ৰীয়া নৃত্য পৰিৱেশন কৰে কামৰূপ, বকোৰ সোণতলী চৰৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী: ৰুকচানা আহমদে। লগতে ভিন্ন সাংস্কৃতিক কাৰ্যসূচী: শ্ৰীমন্ত শংকৰদেৱ বিৰচিত টোটয়: "মধু দানৱ দাৰণ দেৱবৰং"ৰ ছন্দত যোগ বিদ্যাৰ প্ৰদৰ্শন, অসমৰ অন্যতম এক প্ৰাচীন পৰিৱেশ্য কলা: দেওধনী নৃত্যৰ পৰিৱেশন, ভিন্ন জনগোষ্ঠীয় নৃত্য, মূকাভিনয়, ভূপেন্দ্ৰ সংগীত, জুবিন গাৰ্গৰ গীত আদি পৰিৱেশন কৰে গুৱাহাটীৰ চাউথ পইণ্ট বিদ্যালয় আৰু জাপৰিগোগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে অন্যান্যসকলে। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখুৱাই ও অনুষ্ঠানত অংশগ্ৰহণেৰে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। সমান্তৰাল ভাৱে অনুষ্ঠানৰ অন্য এক মূল কাৰ্যসূচী অনুসৰি: বিশ্ববৰেণ্য গণশিল্পী: ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষ্যে আয়োজিত "ড° ভূপেন হাজৰিকাৰ গীতত সমাজ চেতনা আৰু বিশ্বমানৱতাবোধ" শীৰ্ষক ৩৫ বৰ্ষ অনূৰ্দ্ধ যুৱ-লেখকৰ মাজত অনুষ্ঠিত প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম তিনিটা স্থান প্ৰাপক ক্ৰমে: প্ৰথম স্থানপ্ৰাপ্ত: ভাস্কৰজ্যোতি ফুকন, গৱেষক ছাত্ৰ, আউনী-আটী বিশ্ববিদ্যালয়; দ্বিতীয় স্থান প্ৰাপ্ত: অনিন্দিতা বৰঠাকুৰ, ছাত্ৰী, তেজপুৰ আইন মহাবিদ্যালয় আৰু তৃতীয় স্থান প্ৰাপ্ত: ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী: অসীমা গায়নলৈ পুৰস্কাৰ স্বৰূপে আগবঢ়োৱা হয়: অসম সাহিত্য সভাৰ লগ' খোদিত স্মাৰক, স্বীকৃতি পত্ৰ, গ্ৰন্থৰ টোপোলা আদি। অনুষ্ঠান পৰিচালনাত সহযোগিতা আগবঢ়াই মঞ্চত উপস্থিত থাকে যুৱ সংসদ উপ সমিতিৰ উপ-সভাপতি অনিতা গগৈ। যুৱ-সংসদৰ: উপ-সভাপতি মিৰ্জা হুমায়ুন কবীৰ, সদস্য মিণ্টু দাসৰ লগতে মঞ্চৰ সৌষ্ঠৱ বৃদ্ধি কৰি উপস্থিত থাকে আদৰণি সমিতিৰ বিষয়ববীয়া ক্ৰমে: ইন্দ্ৰানী লেখাৰু। আদৰণি সমিতিৰ বিষয়ববীয়া ৰুমী ভূএগই আঁত ধৰা অনুষ্ঠানত সন্মান জনোৱা হয় ক্ৰমে: আদৰণি সমিতিৰ সভাপতি বাসৱ কলিতা, অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক উপেন্দ্ৰ জিত শৰ্মা, সাহিত্য সভাৰ সহসম্পাদক মিনাক্ষী দাস বৰুৱাক। কেন্দ্ৰীয় যুৱ সংসদৰ আহ্বায়ক গৌতম গগৈৰ শলাগ জ্ঞাপন আৰু কাৰ্যকৰী সভাপতি জীৱমণি নাথৰ সভাভংগৰ ঘোষণাৰে মনোজ্ঞ অনুষ্ঠানটিৰ সফল সমাপ্তি ঘটে।

# অবৈধ বাংলাদেশী বিতাড়নৰ দাবীত হালোৱাটিঙত অসমীয়া যুৱ মঞ্চৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, আমগুৰি, ৬ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ বিভিন্ন এলেকাত বিশেষকৈ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বাংলাদেশী মিঞা বিতাড়নৰ দাবী জনাই বৃহৎ বৃহৎ হ'ৰ্ডিং, বেনাৰ আদি আঁৰি অবৈধ বাংলাদেশীৰ বিৰুদ্ধে নিজৰ স্থিতি স্পষ্ট কৰা অসমীয়া যুৱ মঞ্চই অতিশীঘ্ৰে অবৈধ বংলাদেশীক অসম এৰি যাবলৈ হুংকাৰ প্ৰদান কৰিছে। আজি অবৈধ মিঞা বংলাদেশী বিতাড়নৰ দাবীত শিৱসাগৰ জিলাৰ অসম-নগালেণ্ড সীমান্তবৰ্তী হালোৱাটিঙত অসমীয়া যুৱ মঞ্চই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অসমত অবৈধ মিঞাৰ দপ্‌দপনি নচলিব, অবৈধ মিঞা হুচিয়াৰ, বাংলাদেশী হুচিয়াৰ শ্ল'গানেৰে পৰিবেশ উত্তাল কৰি তোলে। আনহাতে হালোৱাটিঙত একাংশ ডেম্প আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত অবৈধ মিঞা বাংলাদেশী নিয়োজিত হৈ থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। সংগঠনটোৱে হালোৱাটিং আৰক্ষী থানাৰ সমীপৰ তিনিআলিত হ'ৰ্ডিং আঁৰি অসমক কেতিয়াও অবৈধ বাংলাদেশীৰ চৰণীয়া পথাৰ হ'বলৈ দিয়া নহ'ব বুলি মন্তব্য প্ৰকাশ কৰে।

# ওদালগুৰিত শিশুৰ অধিকাৰক লৈ ৰথ যাত্ৰা



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ ফেব্ৰুৱাৰী ঃ** শিশুৰ বিভিন্ন অধিকাৰক লৈ, বিশেষকৈ বাল্য বিবাহ ৰোধ কৰিবলৈ আজি ওদালগুৰি জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ পৰা বাল্য বিবাহ মুক্তি ৰথ যাত্ৰাৰ শুভাৰম্ভনী কৰা হয়। সেই অনুসৰি জিলা আয়ুক্ত পুলক পাটগীৰি আৰু অতিৰিক্ত জিলা আয়ুক্ত ধ্ৰুৱজ্যোতি দাসে ফ্লেগ অফ কৰি মুকলি কৰাৰ লগে লগে বিভিন্ন সজাগতা মূলক বাণীৰে এই ৰথখন জিলা খনৰ বিভিন্ন ঠাই অভিমুখে আগবাঢ়ে। শিশুৰ হকে কাম কৰি অহা চত্ৰ এন.জি .ওৰ উদ্যোগত অনুষ্ঠিত আজিৰ এই কাৰ্য্যসূচীত সহযোগিতা কৰে ওদালগুৰি জিলা শিশু সুৰক্ষা গোটে। চত্ৰৰ জিলা সমন্বয়ক ফাল্লাহীম গয়াৰীয়ে জনায় যে জনায় বাল্য বিবাহ মুক্ত ভাৰত হৈছে "Just Right for Children" দ্বাৰা আৰম্ভ কৰা এটা অভিযান, যাৰ মূল লক্ষ্য হৈছে ২০৩০ চনৰ ভিতৰত শিশু বিবাহৰ সম্পূৰ্ণ অবসান ঘটোৱা। এই অভিযানটো "Access to Justice Phase-4 Programme" ৰ অন্তৰ্গত। সেয়েহে ১০০ দিনীয়া বাল্য বিবাহ মুক্ত ভাৰত অভিযান"ৰ অংশ হিচাপে "বাল্য বিবাহ মুক্তি ৰথ" এই অভিযানত মাইকিঙৰ জৰিয়তে জিলাখনৰ দুৰ্গম আৰু দূৰৱৰ্তী অঞ্চলসমূহলৈ গৈ বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা হৈছে। আনহাতে ওদালগুৰি জিলা শিশু সুৰক্ষা গোটৰ পি.ও. এন.আই. চি বুদ্ধ বসুমতাৰীয়ে জনায় যে গোটেই জিলাতে চলি থকা সুৰক্ষিত শৈশৱ, সোণালী অসম- শিশুৰ সুৰক্ষাৰ ৯০ দিনীয়া প্ৰচাৰ অভিজানৰ অংশস্বৰূপে এই ৰথ যাত্ৰাকো সামৰা হৈছে সেই অনুসৰি বাল্য বিবাহৰ লগতে শিশু শ্ৰম, শিশু সৰবৰাহ তথা শিশুৰ ওপৰত যৌন নিৰ্যাতন বন্ধ কৰিবলৈ ৰাইজলৈ বিভিন্ন বাৰ্তা প্ৰেৰণ কৰা হৈছে। আজিৰ অনুষ্ঠানটোত ওদালগুৰি জিলা শিশু সুৰক্ষা বিষয়া ডঃ পল্লৱী শৰ্মা, এম.আৰ.এচ.ডি. এন.জি.ওৰ অধ্যক্ষ ড° মিলন দাসৰ লগতে চত্ৰ আৰু চাইল্ড হেল্প লাইনৰ বিষয়া কৰ্মচাৰি সকলে অংশগ্ৰহণ কৰে।

# ৰঙিয়াৰ উদিয়ানাত ফাইনেঞ্চ কোম্পানীৰ ভুৱা এজেণ্টক আটক

**অসম বাৰ্তা, ৰঙিয়া, ৬ ফেব্ৰুৱাৰী ঃ** ৰঙিয়াৰ নিকটৱৰ্তী উদিয়ানাকে ধৰি আশে-পাশে থকা কেবাখনো গাঁৱৰ সহজ সৰল ৰিস্কা চালক সকলক মানসিক নিৰ্যাতন চলাই অহা বুলবুল হুছেইন নামৰ এজন যুৱকক ৰাইজে অতি কৌশলৰে কৰায়ত্ত কৰে। নিজকে আকাশ ফাইনেঞ্চৰ এজেণ্ট বুলি বহু লোকৰ পৰা ধন সংগ্ৰহ কৰি জমা দিয়া নাছিল প্ৰৱঞ্চক বুলবুল হুছেইনে। দুখীয়া চালক সকলক ভয় ভাবুকি দি দীৰ্ঘদিন ধৰি প্ৰৱঞ্চনা কৰি অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে বুলবুলৰ বিৰুদ্ধে। বাহনৰ গৰাকীয়ে দিয়া কিস্তিৰ ধন প্ৰৱঞ্চক বুলবুল হুছেইনে জমা নকৰে কোম্পানীত। যোৱা কিছুদিন ধৰি ভয় ভাবুকি দি থকা ই-ৰিস্কাৰ গৰাকী ৰাণা আলীয়ে কৌশলৰে কিস্তিৰ ধন ৫০ হাজাৰ টকা নিবলৈ ঘৰলৈ মাতিছিল আৰু সেই সময়তে ৰাইজে আটক কৰি থয় বুলবুলক। পাছত সোধপোচ কৰাত সমস্ত কথা পোহৰলৈ আহে, বুলবুল নামৰ প্ৰৱঞ্চকটোৱে নিজ মুখেই স্বীকাৰ কৰে যে গ্ৰাহকে আদায় দিয়া ধন তেওঁ কাৰ্যালয়ত জমা কৰা নাই, আনহাতে প্ৰৱঞ্চক বুলবুল হুছেইনক ইতিপূৰ্বেই কোম্পানীৰ পৰা বাহিৰ কৰি দিয়া বুলি জানিবলৈ দিয়ে কোম্পানীৰ বিষয়ববীয়াই। অৱশেষত ৰাইজে প্ৰৱঞ্চক বুলবুল হুছেইনক গতাই দিয়ে ৰঙিয়া আৰক্ষীক।

# মাজুলী পেৰাভাৰী গাঁৱৰ বীনা বৰাৰ ভড়াল ঘৰত অগ্নিকাণ্ড

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ফেব্ৰুৱাৰী ঃ** মাজুলী জিলাৰ বনগাঁও আৰক্ষী চকীৰ অন্তৰ্গত পেৰাভাৰী গাঁৱৰ প্ৰয়াত উমাৰাম বৰাৰ পত্নী বীনা বৰাৰ ভড়াল আৰু গোহালি ঘৰত কালি ৰাতি প্ৰায় ১০.৪৫ বজাত সংঘটিত ভয়ানক অগ্নিকাণ্ডই দুখীয়া পৰিয়ালটোৰ বৃহৎ ক্ষতি সাধন কৰে। ঘটনা সন্দৰ্ভত গাঁওবাসীৰ পৰা জানিব পৰা মতে, বীনা বৰাৰ ঘৰৰ সন্মুখত চলি থকা এখন বিয়াত আনন্দ কৰিব কাৰণে বম ফটকা ফুটাই থকাৰ মাজতে বম ফটকা ফিৰঙঠি পৰি অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰিছে গএগই। অগ্নিকাণ্ড প্ৰথমে খেৰভৰ্তী এটা ঘৰত সংঘটিত হয়। তাৰপিছত লগতে থকা ভৰাল ঘৰ আৰু গোহালি ঘৰ সম্পূৰ্ণৰূপে অগ্নিত জাহ যায়। বহু পৰিমাণৰ গুটি আৰুগছি ধান জুয়ে পুৰি ছাই কৰে। গৰু গোহালীতো জুই লগাত কথমপি ৰক্ষা পৰে গোহালীৰ গৰু আৰু ছাগলী। গাঁৱৰ ৰাইজে ৰক্ষা কৰে গৰু ছাগলী সমূহ। গাৱঁৰ ৰাইজৰ বাবেই কথমপি ৰক্ষা পৰিল পৰিয়ালটোৰ বাসগৃহৰ লগতে ওচৰ চুবুৰীয়াৰ গৃহসমূহ। অগ্নিকাণ্ডত প্ৰায় দুই লক্ষাধিক টকাৰ সম্পত্তি নষ্ট হয়। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয় যদিও জুইত সম্পুৰ্ন জাহ যায় ভৰালৰ ধান। বৰ্তমান দুখীয়া পৰিয়ালটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে আৰু জিলা প্ৰশাসনক দুৰ্ভগীয়া পৰিয়ালটোক ক্ষতিপূৰণ দিবলৈ ৰাইজে আহ্বান জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

• সম্পাদক ঃ তনয় বৰা
• মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন